● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

সাফল্যৰ কোনো গোপন সূত্ৰ নাই। ই কেৱল প্ৰস্তুতি, পৰিশ্ৰম আৰু ব্যৰ্থতাৰ পৰা শিক্ষা গ্ৰহণৰহে ফল।

কলিন পাৱেল
*প্ৰাক্তন মাৰ্কিন বৈদেশিক সচিব*



www.dainikagradoot.in

৭ চলিত বৰ্ষতে ২৫ চহৰত ৫ জি ইণ্টাৰনেট সেৱা
১৫ জুনিয়ৰ মহিলা ফুটবলত জয়ৰে অভিযান অসমৰ
৪ বহিঃৰাজ্যৰ নিযুক্তিৰ বজাৰত অসমৰ যুৱক-যুৱতী

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৫২তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৭ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২২ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 22 June 2022 মূল্য ঃ ৯.০০ টকা

■ অৰ্থহীন দিছপুৰত ঘনে ঘনে বহা বান প্ৰস্তুতিৰ পৰ্যালোচনা বৈঠক ■ চাৰিদিন উকলি যোৱাৰ পাছতহে আশ্ৰয় শিবিৰত দমকলৰ ব্যৱস্থা ■ এটুপি খোৱাপানী-এমুঠি চাউল বিচাৰি হাহাকাৰ

# সাহায্য বিচাৰি হাহাকাৰ বানাক্ৰান্তৰ



*বানপানীৰ পৰা ঘৰৰ শেষ সম্পদকণ ৰক্ষাৰ চেষ্টা গওঁৰ, বকোত মঙলবাৰে।*

**পাঁচজনীয়া পৰিয়ালক মাত্ৰ এক লিটাৰ পানী ■ বহু লোক বঞ্চিত হৈছে সাহায্যৰ পৰাই**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুন ঃ** বছৰৰ দ্বিতীয়টো বানত ককবকাই আছে সমগ্ৰ ৰাজ্য। এতিয়ালৈকে প্ৰায় ৫০ লাখ লোক আক্ৰান্ত হোৱা আহাৰৰ প্ৰবল এই বানত চৰকাৰী-বেচৰকাৰী শিবিৰত আশ্ৰয় ল'বলগীয়া হৈছে লাখ লাখ লোকে। চৰকাৰী হিচাপতে এতিয়ালৈকে প্ৰায় ১৫শ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। সেইবোৰত আশ্ৰয় লৈ আছে শিশু-মহিলাসহ ২৪ লক্ষাধিক লোকে। ইয়াৰ উপৰি বহুলোকে ব্যক্তিগত উদ্যোগতো বানাক্ৰান্তৰ বাবে নিজৰ ঘৰ-দুৱাৰ খুলি দিছে। ঘৰৰ ছাদ, এনেয়ে পৰি থকা ঘৰ আদিত বানাক্ৰান্তক আশ্ৰয় ল'বলৈ সুবিধা কৰি দিছে বহুলোকে। তেনেবোৰ তথ্য জিলা প্ৰশাসনৰ হাততো নাই; কিন্তু সেইসকলৰ কথা বাদেই, চৰকাৰীভাৱে স্থাপন কৰা শিবিৰৰ আৱাসীও বঞ্চিত হৈছে সাহায্য লাভৰ পৰা। এমুঠি চাউল, এটুপি পানী পাবলৈও সক্ষম হোৱা নাই শিবিৰৰ বন্যাৰ্তই। অথচ বানপানীৰ বতৰ আৰম্ভ হোৱাৰ পূৰ্বেই দিছপুৰত অনুষ্ঠিত হয় ইখনৰ পাছত সিখন প্ৰস্তুতিৰ পৰ্যালোচনা বৈঠক। কাৰ্যক্ষেত্ৰত সেইবোৰৰ ৰূপায়ণ সুদূৰ পৰাহত হৈ থকাত মানুহে ঘৰলৈ উভতিবলৈ সাজু হোৱাৰ সময়তহে শিবিৰত পানী যোগানৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগে দমকল বহুৱাবলৈ আৰম্ভ কৰে। ১০ পৃষ্ঠাত চাওক

■ নগাঁও জিলাত বানাক্ৰান্ত পাঁচ লক্ষাধিক লোকৰ সীমাহীন দুৰ্গতি ■ ৫৬টা আশ্ৰয় শিবিৰ, ৯১টা বান সাহায্য বিতৰণ শিবিৰ ■ প্ৰয়োজনীয় সাহায্য লাভ নকৰা বুলি ক্ষোভ বানাক্ৰান্তৰ

## ৯০ হেজাৰ শিশুলৈ পাঁচশ পেকেট খাদ্য

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ জুন ঃ** এইবাৰ বছৰটোৰ দ্বিতীয়টো বানে ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগৰ ৰূপ ল'লে নগাঁও জিলাত। জিলাখনত ব্ৰহ্মপুত্ৰ, কলং, কপিলী, হাড়িয়া, বৰপানী, ডিজু, ননৈ, মিছা আদি নৈ ফেনে ফোটোকাৰে বাঢ়ি তাণ্ডৱ চলোৱাত ৰাইজে ত্ৰাহিমধুসূদন সুঁৰৰিছে। আজি পৰ্যন্ত জিলাখনৰ তিনি শতাধিক গাঁও প্লাৱিত হৈছে। কামপুৰ, ৰহা, নগাঁও সদৰ, ধিং, ৰূপহীহাট, চামগুৰি, কলিয়াবৰ ৰাজহ চক্ৰৰ পাঁচ লক্ষাধিক লোক বানৰ কবলত পৰিছে। ইয়াৰে কামপুৰ আৰু ৰহা ৰাজহ চক্ৰত বানে ব্যাপক ক্ষতিসাধন কৰিছে। চৰকাৰী তথ্য অনুসৰি, প্ৰলয়ংকৰী বানত জিলাৰ সাতোটা ১০ পৃষ্ঠাত চাওক





*অম্বুবাচী মেলা উপলক্ষে উপস্থিত হোৱা সাধু-সন্ত, কামাখ্যাধামত।*

বহিঃৰাজ্যৰ পৰা আহিল উদ্ধাৰকাৰী দল

## এদিনতে চাৰে সাত লাখতকৈ অধিক লোক নতুনকৈ বানৰ কবলত


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুন ঃ** ৰাজ্যত কালৰূপ ধাৰণ কৰা বানৰ প্ৰকোপ অধিকাংশ জিলাতে অপৰিৱৰ্তিত হৈ আছে। কোনো কোনো জিলাত পানী কমিবলৈ আৰম্ভ কৰিছে যদিও সামগ্ৰিক পৰিস্থিতিৰ কোনো পৰিৱৰ্তন হোৱা নাই। আনহাতে, বৰাকৰ তিনিখন আঠ পৃষ্ঠাত চাওক

## ছি'ছদিয়াৰ বিৰুদ্ধে এশ কোটিৰ টকাৰ গোচৰ মুখ্যমন্ত্ৰী শৰ্মাৰ পত্নীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুন ঃ** দিল্লীৰ উপ-মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা মনিষ চিছ'দিয়াৰ বিৰুদ্ধে এশ কোটি টকাৰ মানহানিৰ গোচৰ ৰুজু কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই। চাৰি জুনত দিল্লীত এক সংবাদমেলত আঠ পৃষ্ঠাত চাওক

## হোজাইত নাও দুৰ্ঘটনাত সন্ধানহীন তিনি শিশুৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২১ জুন ঃ** হোজাইত যোৱা ১৭ জুনৰ নিশা সংঘটিত নাও দুৰ্ঘটনাত সন্ধানহীন হোৱা তিনিটা শিশুৰ মৃতদেহ অৱশেষত উদ্ধাৰ হৈছে। অৱশ্যে এই পৰ্যন্ত আন এটি শিশু সন্ধানহীন হৈ আছে। হোজাইৰ যোগীজানত সংঘটিত নাও দুৰ্ঘটনাৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৪° |
| ডিব্ৰুগড় | ৩১° | ২৪° |
| দিল্লী | ৩৩° | ২৭° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ২৭° | ২৬° |
| চেন্নাই | ৩৪° | ২৬° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২২° | ১৭° |

২১ জুন, ২০২২

**চেঙা তেল**




*এই বানপানীটোও কম নহয়! ফাকি মাৰি কাম কৰিলো যদিও এতিয়া আহি দেখোন নিজেই ফচিলো!*

■ ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপালক বাছনি শাসক দলৰ ■ প্ৰাক্তন বিজেপি নেতাক ১৮টা বিৰোধী দলৰ সৰ্বসন্মতিক্ৰমে মনোনয়ন

## ৰাষ্ট্ৰপতি পদত দ্ৰৌপদী মুৰ্মু বিজেপিৰ, যশৱন্ত সিন্‌হা বিৰোধীৰ প্ৰাৰ্থী ঘোষণা






**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ জুন ঃ** আগন্তুক ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই ঘোষণা কৰিলে প্ৰাৰ্থীৰ নাম। শাসকীয় বিজেপিয়ে ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল দ্ৰৌপদী মুৰ্মুক প্ৰাৰ্থীৰূপে ঘোষণা কৰাৰ বিপৰীতে প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী চৰকাৰৰ মন্ত্ৰী যশৱন্ত সিন্‌হা হ'ব বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী। অৱশ্যে প্ৰাৰ্থী ঘোষণাত শাসক পক্ষতকৈ বিৰোধী শিবিৰ অধিক তৎপৰ হোৱা পৰিলক্ষিত হয়। আজি দিনৰ ভাগতে বিৰোধীয়ে উমৈহতীয়া প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ পাছত নিশালৈ বিজেপি নেতৃত্বই প্ৰাৰ্থীৰ নাম ঘোষণাত সৰ্বসন্মত সিদ্ধান্ত ল'বলৈ সক্ষম হয়। ১০ পৃষ্ঠাত চাওক

■ ডিব্ৰুগড়ত অষ্টম যোগ দিৱসত মুখ্যমন্ত্ৰী

## সৰুতেই যোগাভ্যাস কৰালে সন্তান কেতিয়াও বিপথে পৰিচালিত নহয়



*৩০ ঘণ্টা ধৰি পানীত প্ৰাণায়াম, মহানগৰীত মঙলবাৰে।*

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২১ জুন ঃ** 'যোগাভ্যাস, প্ৰাণায়াম আৰু আয়ুৰ্বেদত উল্লেখিত কিছুসংখ্যক খাদ্যই যে আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব পাৰে, সেই কথা বিশ্বই উপলব্ধি কৰিবলৈ বাধ্য হৈছে। যোগ দিৱসৰ প্ৰাসংগিতা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। যোগ শৰীৰ আৰু আত্মাৰ মিলন সাধনেৰে প্ৰাকৃতিকভাৱে সকলো দিশতে উৎকৰ্ষতা লাভ কৰা এক সৰল প্ৰক্ৰিয়া।' ১০ পৃষ্ঠাত চাওক

## পুনৰ দুটাকৈ মৃতদেহ উদ্ধাৰ, পানীত পৰি মৃত্যু দুজনৰ

**অগ্ৰদূত বাৰ্তা**
**হাজো/ৰঙিয়া/গোৰেশ্বৰ, ২১ জুন ঃ** ৰাজ্যত কালৰূপ ধৰি থকা বানৰ কবলত পৰি মৃত্যু হোৱা লোকৰ সংখ্যা বাঢ়িয়েই আছে। যিকোনো মুহূৰ্ততে বানত মৃতকৰ সংখ্যাই এশৰ সীমা অতিক্ৰম কৰিব পাৰে। আজিও ৰাজ্যৰ একাধিক স্থানত বানৰ কবলত পৰি মানুহৰ মৃত্যু হোৱাৰ ঘটনা সংঘটিত হয়। সেইদৰে বিভিন্ন স্থানত উদ্ধাৰ হৈছে বানত উটি সন্ধানহীন হৈ থকা লোকৰ মৃতদেহ। ১০ পৃষ্ঠাত চাওক

## বানাক্ৰান্তই সাহায্য লাভ নকৰাৰ অভিযোগ দিলে মন্ত্ৰীক

১৫ নম্বৰ ঘাইপথ বন্ধ হোৱাৰ আশংকা

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২১ জুন ঃ** নেৰানেপেৰা বৰষুণ তথা শাকতোলা আৰু ননৈ নদীৰ মথাউৰি ছিঙি যোৱাৰ ফলত আৰু মঙলদৈ নদী, বেগা নদীৰ পানী বাগৰি সৃষ্টি কৰা বানপানীয়ে মঙলবাৰেও দৰং জিলাৰ বিভিন্ন অঞ্চল প্লাৱিত কৰি ৰাখিছে। কালিলৈকে জিলাখনৰ দলগাঁও, মঙলদৈ, পাথৰিঘাট আৰু ছিপাঝাৰ ৰাজহ চক্ৰৰ ৪৫৯ খন গাঁও বানৰ কবলত পৰিছে আৰু প্ৰায় ৪৬,৯,২৪১ জন লোক ক্ষতিগ্ৰস্ত হৈছে। উক্ত ৰাজহ চক্ৰৰ অন্তৰ্গত ৯৩৪৭.৫০ হেক্টৰ ১০ পৃষ্ঠাত চাওক

■ এনে দিন দেখা নাছিলো ঃ হুমুনিয়াহ কাঢ়ি ক'লে ভুক্তভোগীয়ে ■ অপৰিসীম বেদনা-দুৰ্যোগৰ মাজত বন্দী বৃদ্ধৰ পৰা মহিলা-কিশোৰী

## এমুঠি অন্ন, মূৰৰ ওপৰত চালি বিচাৰি ৰাষ্ট্ৰীয় ঘাইপথত অন্তহীন অপেক্ষা






**■ চেমিম চুলতানা আহমেদ**
**শাকতোলা (মঙলদৈ), ২১ জুন ঃ** গভীৰ বেদনা, হা-হুমুনিয়াহ বুকুত বান্ধি মঙলদৈৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এমুঠি অন্ন আৰু মূৰৰ ওপৰত এখন চালি বিচাৰি হাহাকাৰ কৰিছে বন্যাৰ্তই। মনৰ মাজত ক্ষোভ। 'আমাৰ আলৈ-আথানি হৈছে, বিৰাট কষ্ট আৰু দুৰ্যোগৰ মাজত আছো। এনেকুৱা দিন আগতে দেখা নাছিলো।' এইদৰে কয় আজি এছডিআৰএফৰ দলে উদ্ধাৰ কৰি অনা ছোটো নগাঁও নামৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ গাঁওখনৰ বাসিন্দা ৭৭ বছৰীয়া হৰিশ্চন্দ্ৰ নাথে। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে প্ৰশাসনৰ জীৱন বচোৱা নাৱৰে আহি কোনোমতে থিতাপি লৈ পথৰ ওপৰতে বহি পৰে বয়োজ্যেষ্ঠ লোকজন। পানীয়ে গ্ৰাস কৰা ঘৰৰ পৰা কেইটামান কাপোৰৰ আঠ পৃষ্ঠাত চাওক

নলবাৰী জিলাৰ বান পৰিস্থিতি কিছু উন্নত ঃ আশ্ৰয় শিবিৰত মুখ্যমন্ত্ৰীৰ ঘোষণা ■ অতিশীঘ্ৰে ঘোষণা কৰিব সাহায্য পেকেজ

## বানপানীত ক্ষয়ক্ষতিৰ তথ্য দিবলৈ চৰকাৰে মুকলি কৰিব প'ৰ্টেল ঃ শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/নলবাৰী, ২১ জুন ঃ** 'ৰাজ্যৰ বিভীষিকাময় বানত ক্ষতিগ্ৰস্তসকলে দুই-এদিনৰ ভিতৰত এক বিশেষ সাহায্য আঁচনি লাভ কৰিব। এই সন্দৰ্ভত জিলা উপায়ুক্ত, চক্ৰ বিষয়া, মণ্ডলৰ তদন্ত প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি প্ৰতিটো ক্ষতিগ্ৰস্ত পৰিয়ালক সাহায্যৰ ব্যৱস্থা কৰা হ'ব।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি আজি নলবাৰী আৰু কামৰূপ জিলাৰ বানত আঠ পৃষ্ঠাত চাওক



শালত বোৱা কাপোৰৰ সাইলাখ নকল কাপোৰ

## ফাঁচীবজাৰত আৰক্ষীৰ সহযোগত হস্ততাঁতৰ অভিযান চলিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুন ঃ** অসমীয়া শিপিনীয়ে তাঁতশালত বৈ উলিওৱা কাপোৰৰ সাইলাখ নকল বহিঃৰাজ্যত মেচিনত তৈয়াৰী বস্ত্ৰৰ বিৰুদ্ধে আজি মহানগৰীত কে'বাখনো অভিজাত ব্যৱসায়িক প্ৰতিষ্ঠানত অভিযান চলায় আৰক্ষী আৰু হস্ততাঁত-বস্ত্ৰশিল্প বিভাগে। উল্লেখ্য যে অসমীয়া মহিলাই শালত বোৱা আঠ পৃষ্ঠাত চাওক

■ উচ্চ ন্যায়ালয়ত শপতনামা গৃহ বিভাগৰ
■ ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি

## বিগত বৰ্ষৰ মে'ৰ পৰা আৰক্ষীৰে 'এনকাউণ্টাৰ'ত নিহত ৫১, আহত ১৩৯

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুন ঃ** বৰ্তমানৰ অসম চৰকাৰৰ কাৰ্যভাৰ গ্ৰহণৰ পাছৰে পৰা আৰক্ষীৰ গুলিত ৫১ জন লোক নিহত হৈছে। আনহাতে, আহত হৈছে ১৩৯ জন লোক। অসমত আৰক্ষীয়ে ভুৱা 'এনকাউণ্টাৰ' চলোৱাৰ অভিযোগেৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত আৰিফ জোৱাদ্দাৰ নামৰ দিল্লীৰ এজন অধিবক্তাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন (পিআইএল)ৰ শুনানিত আজি ৰাজ্য চৰকাৰৰ গৃহ ১০ পৃষ্ঠাত চাওক

## অনলাইন শ্বপিঙৰ ৮১ লাখ টকা প্ৰৱঞ্চনাৰে লুট, ধৃত তিনি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জুন ঃ** এমাজনকে ধৰি কে'বাটাও অনলাইন শ্বপিং প্ৰতিষ্ঠানৰ সংগৃহীত প্ৰায় ৮১ লাখ টকা মহানগৰীৰ এটা ধন সংগ্ৰহকাৰী বিত্তীয় কোম্পানীয়ে প্ৰৱঞ্চনাৰে আত্মসাৎ কৰাৰ ঘটনা পোহৰলৈ ১০ পৃষ্ঠাত চাওক

■ মুখ্যমন্ত্ৰীৰ নিৰ্দেশকো আওকাণ চক্ৰ বিষয়াৰ ■ বিধায়িকালৈ ফোন কৰিও নাপালে নাও

## বানবিধ্বস্ত অঞ্চলত মৃতদেহ সংকাৰৰ বাবেও নাই সামান্য ভূমি



**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ/হাজো, ২১ জুন ঃ** ৰাজ্যত অব্যাহত আছে কালান্তক বানৰ আগ্ৰাসী ৰূপ। বৰষুণ শাম কটাত ঠায়ে ঠায়ে বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও এতিয়াও সকাহ পোৱা নাই বানাক্ৰান্তই। বহু ঠাইৰ পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। আনকি কিছু কিছু স্থানত মৃতদেহ সংকাৰৰ বাবে সামান্য এডোখৰ ভূমিও নাপাই হা-হুমুনিয়াহ কাঢ়িবলগীয়া হৈছে বানাক্ৰান্তই। যাৰ বাবে মৃতকৰ শেষকৃত্য সম্পন্ন কৰাৰ বাবে কলৰ ভূৰত বহু দূৰৰ ওখ ঠাই বিচাৰি নিবলগীয়া হৈছে ১০ পৃষ্ঠাত চাওক

জনজাতি সমন্বয়ৰক্ষী সমিতিৰ প্ৰতিবাদত উত্তাল হৈ পৰিল সোণাপুৰ

## জনজাতি বেষ্টনীত বেদখল উচ্ছেদ-ৰাজধানী আইন প্ৰত্যাহাৰৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২১ জুন ঃ** ৰাজ্যৰ জনজাতি বেল্ট-ব্লকসমূহত বেদখল উচ্ছেদ, অসংৰক্ষিত শ্ৰেণী তথা বণিক গোষ্ঠীয়ে নিৰ্মাণ কৰা কল-কাৰখানা শীঘ্ৰে উচ্ছেদ, ২০০৬ৰ বন আইন অনুসৰি জনজাতি বনবাসী আৰু বনাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বসবাস কৰি থকা ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২২ জুন, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

## হাজোত পুনৰ ব্ৰহ্মপুত্ৰ- ক'লাজলৰ বানে বুৰালে ন ন অঞ্চল

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ জুন ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ বিশেষকৈ উত্তৰ হাজোত আজিৰে পৰা পানী কমিবলৈ ধৰিছে যদিও বান পৰিস্থিতি বৰ্তমানেও অধিক শোচনীয় হৈ আছে। বৰলীয়া, পুঠিমাৰী, পাগলাদিয়া নৈৰ ভগ্ন মথাউৰিৰে হোৱাহোৰে সোমাই থকা প্ৰলয়ংকৰী বাঢ়নী পানীয়ে বিগত পাঁচদিনে উত্তৰ হাজো অঞ্চলৰ প্ৰায় অৰ্ধশতাধিক গাঁৱৰ প্ৰায় লক্ষাধিক লোকে প্ৰলয়ংকৰী বানত কক্‌বকাই থকাৰ মাজতে আজি পুনৰ হাজো ৰাজহ চক্ৰৰ ছয় পৃষ্ঠাত চাওক

## কামপুৰত হৰিণা উদ্ধাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ জুন ঃ** বানৰ তাণ্ডৱৰ মাজতে কামপুৰৰ পলসাত আজি এটা হৰিণা পহু উদ্ধাৰ হয়। গটঙা বিলৰ ওচৰত থকা হৰিণাটোৰে ৰাইজে ধৰি কামপুৰ বন বিভাগক চমজাই দিয়ে। বান বিভীষিকাৰ মাজত হৰিণাটো ধৰি পলসা গাঁৱৰ ৰাইজে বন বিভাগক চমজাই দি প্ৰকৃতিপ্ৰেমৰ নিদৰ্শন দাঙি ধৰে। ইফালে, দুদিন পূৰ্বে বানত উদ্ধাৰ হোৱা আন এটা পহু বন বিভাগৰ কাৰ্যালয়ত মৃত্যু হয়।

■ বিটিএডিত অপৰাধজনিত ঘটনাত উদ্বেগ প্ৰকাশ কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী

# অস্ত্ৰধাৰীৰ বিচৰণ-ডকাইতিৰ বিৰুদ্ধে প্ৰতিবাদ এবছুৰ



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২১ জুন ঃ** চিৰাঙৰ কাশিকত্ৰাত এবছুৰ উদ্যোগত আজি প্ৰতিবাদী সমদল উলিওৱা হয়। অস্ত্ৰধাৰী লোকৰ মুকলি বিচৰণ তথা জিলাখনৰ ঠায়ে ঠায়ে হৈ থকা ডকাইতি কাণ্ডৰ প্ৰতিবাদত এই প্ৰতিবাদী সমদল উলিয়ায় এবছুৰে। কাশিকত্ৰা আঞ্চলিক এবছুৰ কাৰ্যালয়ৰ পৰা ওলোৱা সমদল এক নম্বৰ 'চি' ৰাষ্ট্ৰীয় পথেৰে আহি কাশিকত্ৰা বজাৰত সামৰণি পেলায়। এবছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰী, চাওতাল ছাত্ৰ সন্থাৰ জিলা সভাপতি ছলেমন মুৰ্মু, বিটিআৰ আক্ৰাছুৰ সম্পাদক মনিৰাম ৰায়সহ বিভিন্ন দল-সংগঠনৰ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে প্ৰতিবাদী সমদলত। চিদলী সমষ্টীৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ো প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি সকলো লোকক সমাজত শান্তি-শৃংখলা বজাই ৰখাৰ স্বাৰ্থত সকলো জাতি-জনগোষ্ঠীৰ লোক একত্ৰিতভাৱে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে থিয় দিয়াৰ বাবে ধন্যবাদ জনায়। উল্লেখ্য যে যোৱা শনিবাৰে সন্ধিয়া কাশিকত্ৰাত বীৰেন বসুমতাৰী নামৰ লোকজনৰ ঘৰত অস্ত্ৰধাৰী লোকে ডকাইতিকাণ্ড সংঘটিত কৰিছিল। অস্ত্ৰধাৰী লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ দাবীত এইদৰে এবছুয়ে আজি প্ৰতিবাদ জনায়। এবছুৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীয়ে এই সন্দৰ্ভত কয় যে বিটিআৰ চুক্তিৰ জৰিয়তে স্থায়ী শান্তি প্ৰতিষ্ঠা হৈছে। ইয়াত আজিৰ তাৰিখত কোনো উগ্ৰপন্থী সংগঠন নাই। কিন্তু কিছু দুষ্ট প্ৰকৃতিৰ লোকে সমাজত অশান্তি বিয়পোৱাৰ স্বাৰ্থত এইদৰে অস্ত্ৰ হাতত লৈ ডকাইতি তথা গুলিচালনাৰ ঘটনা সংঘটিত কৰি আহিছে অশান্তি বিয়পাবলৈ। কিন্তু জিলাবাসীৰ দাবী কঠোৰ হাতেৰে এই সমূহ দমন কৰক আৰক্ষীয়ে। আমটেকাত হোৱা ঘটনাত এজন লোক গুলিবিদ্ধ হৈ আহত হোৱাৰ পাছতো লোকক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে আৰক্ষীয়ে। প্ৰতিবাদৰ অন্তত চিৰাং জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে এবছুৰ নেতৃত্বই।

## চিৰাঙৰ নেপালপাৰাত আই নৈ খহনীয়াৰ কালৰূপ



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২১ জুন ঃ** চিৰাঙৰ নেপালপাৰা গাঁৱত আই নৈৰ খহনীয়াৰ কালৰূপ ধাৰণ। ইতিমধ্যে গাঁও খনৰ ৩৫ টাতকৈয়ো অধিক গৃহ খহনীয়াত বিলীন হৈছে আই নৈৰ বুকুত। যোৱা ছয় পৃষ্ঠাত চাওক

## তেজপুৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অনিয়মীয়া কৰ্মচাৰীৰ কাণ্ড

■ আনে কৰা কামৰ বিপৰীতে জালিয়াতিৰে প্ৰমাণপত্ৰ সংগ্ৰহ কৰিলে গুৱাহাটীৰ ফাৰ্মে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২১ জুন ঃ** দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ে ৰাজ্য চৰকাৰে বাৰম্বাৰ প্ৰকাশ কৰি অহাৰ লগতে একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে এনে অভিযান চলা সত্বেও একাংশৰ কিন্তু এই পৰ্যন্ত গা লৰা নাই। শেহতীয়াকৈ তেজপুৰস্থিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এজন অনিয়মীয়া কনিষ্ঠ অভিযন্তাৰ বিৰুদ্ধে উত্থাপিত হৈছে গুৰুতৰ অভিযোগ। এই অনিয়মীয়া কনিষ্ঠ অভিযন্তাজনে এটা ঠিকাদাৰী প্ৰতিষ্ঠানক কোনো কাম নকৰাকৈয়ে প্ৰায় এক কোটি ৬২ লাখ টকাৰ কাম তেজপুৰত সম্পূৰ্ণ কৰা বুলি আৰু সেই ধন আদায় পোৱা বুলি প্ৰমাণ পত্ৰ দিয়া আৰু ইয়াৰ বাবে তেজপুৰস্থিত উত্তৰ অসম সংমণ্ডলৰ বিভাগীয় অতিৰিক্ত মুখ্য অভিযন্তাৰ স্বাক্ষৰ জাল কৰাৰ গুৰুতৰ ঘটনা পোহৰলৈ আহিছে। অভিযোগ অনুসৰি, তেজপুৰৰ ২০২১ৰ ২৬ ফেব্ৰুৱাৰীৰ ৱৰ্ক অৰ্ডাৰৰ বিপৰীতে তেজপুৰৰ কুণ্ডাৰবাৰীত জলজীৱন মিছনৰ অধীনত ৰূপায়িত প্ৰকল্পৰ ৬০ হেজাৰ লিটাৰৰ টেংকী তথা পাম্প হাউছকে ধৰি পকী পথ, দেৱাল আদি নিৰ্মাণৰ কাম যোৱা তিনি অক্টোবৰত সম্পূৰ্ণ কৰা আৰু ইয়াৰ বিপৰীতে এই কাম কৰা গুৱাহাটী মালিগাঁৱৰ সিং ইনফ্ৰা কনষ্ট্ৰাকছন নামৰ ফাৰ্মক এক কোটি ৬২ লাখ ৩৭ হেজাৰ টকা আদায় দিয়া বুলি এই ঠিকাদাৰ ফাৰ্মক যোৱা দুই ডিচেম্বৰত এখন ছয় পৃষ্ঠাত চাওক

## তেজপুৰত চাৰিলেনযুক্ত পথ নিৰ্মাণত অনিয়মৰ অভিযোগ

■ বিভিন্ন স্থানত খহি পৰিছে বালি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২১ জুন ঃ** তেজপুৰৰ নপাম হৈ চকীঘাটৰে জামুগুৰিহাট সংযোগী চাৰিলেনযুক্ত পথৰ নিৰ্মাণৰ ক্ষেত্ৰত এটাৰ পাছত আনটো অনিয়মৰ অভিযোগ উত্থাপিত হৈ আহিছে। এই পথ আৰু দলং নিৰ্মাণ তথা গাইড বান্ধ নিৰ্মাণৰ বাবে অধিগ্ৰহণ কৰা ভূমিত নিশাৰ ভিতৰতে বাসগৃহ সাজি একাংশ লোকে মধ্যভোগীৰ সহায়ত কোটি কোটি টকা আত্মসাৎ কৰা ঘটনাৰ ৰহস্যজনকভাৱে কোনো তদন্তই নোহোৱাৰ পাছত সম্প্ৰতি তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা চকীঘাট দলং নিৰ্মাণৰ ছয় পৃষ্ঠাত চাওক

## হাজোত মন্ত্ৰী পাটোৱাৰীৰ জুমুঠি দাহ কৰিলে আছুৱে

চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তাল হাজোৰ পাখামেলা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ জুন ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ বিশেষকৈ উত্তৰ হাজোৰ বান পৰিস্থিতি বৰ্তমানেও অধিক শোচনীয় হৈ আছে। বৰলীয়া, পুঠিমাৰী, পাগলাদিয়া নৈৰ ভগ্ন মথাউৰিৰে হোৱাহোৰে সোমাই থকা প্ৰলয়ংকৰী বাঢ়নী পানীয়ে বিগত পাঁচদিনে উত্তৰ হাজো অঞ্চলৰ প্ৰায় অৰ্ধশতাধিক গাঁৱৰ প্ৰায় লক্ষাধিক লোকৰ মাজত এক প্ৰলয় সদৃশ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বিশেষকৈ উত্তৰ হাজোৰ ভোমাৰবৰী, দিহিনা,



হেলেছা, কোঁৱৰপুৰ, বুল্লুট, জাপিয়া, বৰস্বৈ, তিনি নম্বৰ মনাহকুছি, শোপনিকুছি, কলিতাকুছি, বাগটা, পানীয়াপৰা, ছয় পৃষ্ঠাত চাওক

## খহনীয়াত গৃহহীন সংস্থাপনৰ ব্যৱস্থা লোৱাৰ প্ৰতিশ্ৰুতি

দক্ষিণ অভয়াপুৰী সমষ্টিৰ মালেগড়ত মন্ত্ৰী ৰঞ্জিত দাস

**অগ্ৰদূত ব্যুৰ/অগ্ৰদূত বাৰ্তা**

**বঙাইগাঁও/অভয়াপুৰী, ২১ জুন ঃ** বঙাইগাঁও জিলাৰ দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত খহনীয়াগ্ৰস্ত আৰু বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত দাসে। মন্ত্ৰী দাসে আজি নাৱেৰে মালেগড়ৰ গোবিন্দপুৰ গাঁৱৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। উল্লেখ্য যে গোবিন্দপুৰ গাঁৱত ব্ৰহ্মপুত্ৰ, আই, মানাহ আৰু বেঁকী নৈয়ে খহনীয়াৰ তাণ্ডৱ চলোৱাত যোৱা এটা পযেকৰ ভিতৰতে প্ৰায় ২৫ টা পৰিয়ালৰ ভেটিমাটি, ঘৰ-দুৱাৰ উছন হোৱাত গৃহহীন লোকসকলে আত্মীয়ৰ ঘৰত আশ্ৰয় লৈ আছে। মন্ত্ৰী দাসে উক্ত খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কালত খহনীয়া প্ৰতিৰোধৰ বাবে তৎকালীন



ব্যৱস্থা গ্ৰহণ কৰিবলৈ তাত উপস্থিত থকা বিষয়াক নিৰ্দেশ দিয়ে। ইপিনে, খহনীয়াত গৃহহীন হোৱা লোকক পুনৰ সংস্থাপনৰ বাবে ভূমি আবন্টনৰ ব্যৱস্থা কৰিবলৈ উত্তৰ শালমাৰাৰ মহকুমাধিপতি, সৃজনগ্ৰামৰ ৰাজহ চক্ৰ বিষয়াক নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে মন্ত্ৰী দাসে প্ৰায় দুই কিলোমিটাৰ ব্ৰহ্মপুত্ৰ নৈৰে ভটিয়াই গৈ পাচনীয়াৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত উক্ত অঞ্চলত ইতিপূৰ্বে জলসম্পদ বিভাগে ৰূপায়ণ কৰা ৩২ কোটিটকীয়া আঁচনি ৰূপায়ণত অবাধ দুৰ্নীতিৰ বাবে প্ৰহসনত পৰিণত হোৱা বুলি সাংবাদিকে জানিবলৈ দিয়াত এই বিষয়ে অজ্ঞতা প্ৰকাশ কৰি এই বিষয়ত তদন্তৰ ব্যৱস্থা কৰিবলৈ উপস্থিত থকা উপযুক্তক নিৰ্দেশ দিয়ে। উল্লেখ্য যে মন্ত্ৰীজনে মালেগড়ৰ দুটাকৈ বানপীড়িতৰ শিবিৰ পৰিদৰ্শন কৰে।

## দলঙৰ পৰা জাঁপ মৰা ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ২১ জুন ঃ** দলঙৰ পৰা জাঁপ দি সন্ধানহীন হোৱা গোলকগঞ্জ চিলাৰায় মহাবিদ্যালয়ৰ ছাত্ৰী শিবানী ৰায়ৰ মৃতদেহ আজি এছডিআৰএফ বাহিনীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ছয় পৃষ্ঠাত চাওক

## কলঙৰ জলপৃষ্ঠ বৃদ্ধিয়ে নগাঁও চহৰলৈ সৃষ্টি কৰিছে ভাবুকি

নগাঁৱৰ বান পৰিস্থিতি অধিক শোচনীয় ঃ আতংকিত নগাঁও চহৰবাসী



**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ জুন ঃ** নগাঁও জিলাৰ সামগ্ৰিক বান পৰিস্থিতি আজিও ভয়াবহ হৈ আছে। জিলাখনৰ কপিলী, বৰপানী, কলং নৈৰ লগতে জিলাখনৰ কাষেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদী বিপদ সীমাৰ ওপৰেৰে বৈ থকাত বান পৰিস্থিতি অধিক ভয়াবহ হৈছে। তিনিদিন ধৰি কলং নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈ থকাত কলংপৰীয়া অঞ্চলৰ বান পৰিস্থিতি বিপদজনক হৈ ছয় পৃষ্ঠাত চাওক

## গুৰুজনা-সুধাকণ্ঠৰ সন্দৰ্ভত অপমানসূচক মন্তব্যৰ অভিযোগ

অসমীয়াৰ স্বাভিমানত আঘাত হনা শিক্ষয়িত্ৰীৰ বিৰুদ্ধে কোকৰাঝাৰত গৰজি উঠিল বিভিন্ন দল-সংগঠন

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২১ জুন ঃ** শিক্ষকতাৰ দৰে পৱিত্ৰ বৃত্তিত জড়িত হৈ বিদ্যালয়ৰ মজিয়াত অসমীয়াৰ স্বাভিমানত আঘাত হানি বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমীয়া সমাজ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰে মনিষীৰ সন্দৰ্ভত এগৰাকী শিক্ষয়িত্ৰীয়ে অভব্য আৰু কটু মন্তব্য কৰা কাৰ্যত কোকৰাঝাৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শিক্ষয়িত্ৰীগৰাকীৰ এনে অভাৱনীয় কাণ্ডত জাঙুৰ খাই উঠিছে আছু, সাহিত্য সভা, শংকৰদেৱ সত্ৰ পৰিচালনা সমিতিকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষ। অসমীয়া সমাজৰ স্বাভিমানত আঘাত কৰা কোকৰাঝাৰস্থিত ডি এন হিম্মৎসিংকা হাইস্কুলৰ শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে জাঙুৰ খাই উঠা কে'বাটাও সংগঠনে উচ্চ পৰ্যায়ৰ তদন্ত কৰি কঠোৰ শাস্তি দিয়াৰ দাবীত আজি কোকৰাঝাৰৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে।

ঘটনাৰ বিৱৰণী অনুসৰি, অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ অনুযায়ী সমগ্ৰ অসমৰ লগতে কোকৰাঝাৰ চহৰৰ ডি এন হিম্মতসিংকা উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ২৪ জুনত গুণোৎসৱ আৰম্ভ হয়। এই উপলক্ষে বিদ্যালয়খনৰ শৈক্ষিকৰ দায়িত্বত থকা স্বপন ছয় পৃষ্ঠাত চাওক

■ বৰবৰী প্ৰাথমিক বিদ্যালয়ৰ পাঠদান ব্যাহত

## দীপৰ বিলৰ পানীত বুৰিল আজাৰাৰ বিভিন্ন অঞ্চল




**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২১ জুন ঃ** বৰষুণৰ পানীয়ে আজাৰা ৰাজহ চক্ৰৰ বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি কৰাৰ পাছত এইবাৰ দীপৰ বিলৰ বাঢ়নী পানীত বুৰিল আজাৰাৰ পূব দিশত থকা বিভিন্ন অঞ্চল। কে'বাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত আজাৰা অঞ্চলত হোৱা কৃত্ৰিম বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও শেহতীয়াকৈ যোৱা নিশাৰ পৰা পুনৰ ছয় পৃষ্ঠাত চাওক

## কৃষ্ণাইত ৰাষ্ট্ৰীয় পথৰ ওপৰত একাঁঠু পানী

■ চৰকাৰক ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী সচেতন মহলৰ



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২১ জুন ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ সোঁমাজেৰে পাৰ হৈ যোৱা ১৭ নম্বৰ ঘাইপথৰ শেহতীয়া অৱস্থা দেখিলে যি কোনো লোকৰে চকু কপালত উঠিব। কাৰণ কৃষ্ণাই ঘাইপথৰ ওপৰত বৰ্তমানে একাঁঠু পানী। প্ৰধানতঃ পথৰ কাষত পৰিকল্পিত নলাৰ অভাৱতে এতিয়া এজাক বৰষুণ পৰিলেই কৃষ্ণাই তিনিআলিৰ ১৭ নম্বৰ ঘাইপথ ৰূপান্তৰিত হয় জলাশয়লৈ। ইয়াৰ ফলত যমৰ যাতনা ভুগিবলগীয়া হৈছে ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ পথচাৰী। একে অৱস্থা কৃষ্ণাই বজাৰৰ ভিতৰ পথৰো। বজাৰ নহয় যেন নৰক কুণ্ডহে। এফালে গেলাপানী আনফালে পুতিদুৰ্গন্ধময় পৰিৱেশ। এই মৌলিক সমস্যাসমূহ সমাধান কৰিবলৈ অঞ্চলটোৰ স্থানীয় ৰাইজে বাৰম্বাৰ দাবী জনাই আহিছে চৰকাৰী কৰ্তৃপক্ষক। পিছে, ৰাইজৰ হেজাৰ দাবীয়েও গা লৰাব পৰা নাই প্ৰশাসন, চৰকাৰ তথা ৰাষ্ট্ৰীয় ছয় পৃষ্ঠাত চাওক

# বানপানীৰ মাজতে নৱজাতকক লৈ আলোপতিত হাহাকাৰ পৰিয়ালৰ

**আলোপতি, ২১ জুন ঃ** চাৰিওফালে কেৱল পানী আৰু পানী। বিস্তীৰ্ণ অঞ্চল ডুব গৈছে বলিয়া বানত। পথৰ ওপৰত পানী, গাড়ী-মটৰ নচলে। এই ভৰ বাৰিষাৰ মাজতে এটি নৱজাতক শিশুক লৈ হাহাকাৰ কৰিছে পৰিয়ালৰ লোকে। এই ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ আলোপতিত। আজি পুৱতি নিশা গাঁওখনৰ ছোবাহান আলীৰ কন্যা আঞ্জুৱাৰা খাতুনৰ প্ৰসৱ বেদনা আৰম্ভ হোৱাত হুৱা-দুৱা লাগে পৰিয়ালৰ মাজত। ঘৰৰ চাৰিওফালে পানী। প্ৰসৱ বেদনাত ছটফটাই থকা মহিলাগৰাকীক কোনোমতে আলোপতি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। চিকিৎসালয়তে মহিলাগৰাকীয়ে এটি পুত্ৰ সন্তান জন্ম দিয়ে যদিও শিশুটি অসুস্থ হৈ পৰে। চিকিৎসকে শিশুটিক নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ ছয় পৃষ্ঠাত চাওক



## নদীৰ খহনীয়াৰ পৰা ৰক্ষা পাবলৈ আল্লাৰ ওচৰত দোৱা-প্ৰাৰ্থনা বদৰুদ্দিন আজমলৰ



**কলগাছিয়া, ২১ জুন ঃ** জনীয়াৰ কৰাৰকুৰত এআইইউডিএফ প্ৰধান মৌলানা বদৰুদ্দিন আজমলে আজি উপস্থিত হয়। প্ৰধানমন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰীক কেৱল ফোন কৰাত সন্তুষ্ট নহয় সাংসদ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ জুন বুধবাৰ, ২০২২ পৃষ্ঠা ৫

**বিটিআৰ চুক্তি মানি ল'লে আগলৈ বিটিচি অকল বড়ো কিয়, জনজাতিসকলৰ হাতত নাথাকিবগৈ অৰ্থাৎ বিটিচি অজনজাতি লোকৰ হাতলৈ গুচি যাব। প্ৰশ্ন উটিছে, তেনে স্থলত সৰ্বসাধাৰণ বড়ো ৰাইজে ইয়াক কেনেকৈ মানি ল'ব পাৰে? কোনোবাই ক্ষন্তেকীয়া সুযোগ সুবিধা লাভৰ স্বাৰ্থত মানি ল'লেও আন কোনো সচেতন, স্বজাতিপ্ৰেমী বড়োলোকে ইয়াক মানি ল'ব নোৱাৰে। ফলত স্বাভাৱিকতে সমগ্ৰ বিটিএডি অঞ্চলত ইয়াৰ প্ৰতিবাদত বড়োসকলে পুনৰ আন্দোলনৰ পথ ল'বলৈ বাধ্য হ'ব**

# বিটিআৰ চুক্তি

## বড়ো জাতি-বিভাজনৰ চুক্তি



অৱলোকন

ড° দীননাথ বসুমতাৰী

**পৃথক** বড়ো ৰাজ্য বড়োসকলৰ অকল সপোনেই নহয়, ই হ'ল তেওঁলোকৰ আত্মা। আত্মাবিনে যেনেকৈ জীৱ বা প্ৰাণীৰ কথা কল্পনা কৰিব নোৱাৰি তেনেকৈ পৃথক ৰাজ্যৰ আকাংক্ষাক বাদ দি বড়ো ৰাইজৰ কথা ভাবিব নোৱাৰি। শোওতে, উঠোতে বহোতে, খাওতে, শয়নে সপোনে বড়োসকলে পৃথক বড়ো ৰাজ্যৰ কথাই ভাৱি থাকে। অকল চৰণ নাৰ্জাৰীৰ উচয়াচল কিম্বা বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ পৃথক বড়োলেণ্ডেই নহয়, আহোমৰ আগমনৰ আগলৈ এইখন সমগ্ৰ উত্তৰ-পূৱ ভাৰতত মুক্ত মনেৰে, কোনো অভাৱ অভিযোগ অনুভৱ নকৰাকৈ, মুকলি মনেৰে, মুকলি আকাশৰ তলত বিচৰণ কৰি অহা, এৰি অহা সেই দিনবোৰলৈ মনত পেলাই তেওঁলোকে প্ৰতিটো ক্ষণতেই হুমুনিয়াহ কাঢ়ি আহিছে। মনৰ দুখত নীৰৱে নিলগে চকুলো টুকি আহিছে। বিহু-সবাহ, উৎসৱ-পাৰ্বন উপলক্ষে একেলগ হ'লেই মনৰ দুখত হুমুনিয়াহ কাঢ়ি গায় 'বেদৰনি আলি, জৌনি ফুখ্ৰি, জাবাবী জৌবা, লৌংবাবী জৌবা, বৈফৌৰ দিনা বহা থাংখৌলৈ বাজে বহা থাংখী"।

বড়োসকল অতিজৰে পৰা স্বাধীন চেতিয়া মনৰ মানুহ। যাৰ বাবে আহোমৰ অধীনত থাকিবলৈ অস্বীকাৰ কৰি এবছৰ নহয় দুবছৰ নহয়, ৪৫০ টা বছৰ নিজ ৰাজ্য পুনৰুদ্ধাৰৰ সংগ্ৰাম কৰি আহিছে, যুদ্ধত অৱতীৰ্ণ হৈ আহিছে। বৃটিছ শাসনৰ সময়কালতো ইংৰাজে প্ৰতিষ্ঠা কৰা চাহ বাগানত বৃটিছৰ অধীনত কুলিৰ কাম কৰিবলৈ বড়ো ৰাইজে অস্বীকাৰ কৰিছিল যাৰ ফলত পশ্চিমৰ উৰিষ্যা, চোটনাগপুৰ, চাওতাল পৰগণা আদি অঞ্চলৰ পৰা শ্ৰমিক তথা কুলি আনিবলগীয়া হয়। এটা সময়লৈকে বড়ো ৰাইজক বিভ্ৰান্ত কৰি যি হাৰত ধৰ্মান্তৰিত, ভাষান্তৰিত কৰি উচ্চবৰ্ণ হিন্দুসকলে আঁতৰাই লৈ গৈছিল অথচ নিজৰ শাৰীত স্থান নিদি কোনোদিন নোহোৱা নোপোজা, নুশুনা-নেদেখা শৰণীয়া নামে এটা কৃত্ৰিম জাতিৰ সৃষ্টি কৰি তাত তেওঁলোকক সামৰি থোৱা হ'ল। গোপীনাথ বৰদলৈ চৰকাৰৰ দিনত গঠন কৰি দিয়া ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহত অনাট্ৰাইবেল লোকসকলক সংস্থাপিত কৰি, প্ৰয়োজন সাপেক্ষে সেইবোৰ সংৰক্ষণমুক্ত কৰি সন্দেহজনক লোকেৰে ভৰাই পেলাই বীৰবলে হাতেৰে স্পৰ্শ নকৰাকৈ ৰেখা চুটি কৰাৰ দৰে অজনজাতিলোকৰ সংখ্যা অবৈধ পদ্ধতিৰে বৃদ্ধি কৰি শেহতীয়াকৈ বিটিচিত জনজাতি তথা বড়োসকলক সংখ্যালঘু দেখুৱাই বিটিচি ভংগ কৰি দিয়াৰো হুংকাৰ দিয়া হ'ল। তাৰবাবে অবড়ো নামেৰে অতি সাম্প্ৰদায়িক এটা সংগঠনৰ জন্ম দিয়া হ'ল। প্ৰথমজন ৰজা মহিৰংগ দানৱ (মাইৰং ৰজা)ৰ পৰা আৰম্ভ কৰি আহোমৰ আগমন পৰ্যন্ত বিনাবাধাই মুক্ত অসমত বসবাস কৰি অহা, শাসন কৰি অহা বড়োসকলক তেওঁলোকৰ ইতিহাস সম্পৰ্কে জ্ঞান নথকাৰ সুযোগ লৈ কিম্বা ইতিহাসকে নস্যাৎ কৰি তেওঁলোকক নিজৰে মাটিৰ পৰা উচ্ছেদ কৰিবলৈ লৈছে।

তেনে এক কঠিন সন্ধিক্ষণত এবছুৱে বড়োসকলৰ আন কোনো জাতীয় সংগঠন তথা সাধাৰণ ৰাইজ, বুদ্ধিজীৱীসকলক সামান্যতমো বিশ্বাসত নলৈ, জানিবলৈ নিদিয়াকৈ একমাত্ৰ এন্‌ডিএফ্‌বিৰ চাৰিটা বিভাজিত দলসমূহক লগত লৈ, দিল্লীত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ লগত চুক্তি কৰি আহি "আজিৰ পৰা আগলৈ অসমত বড়োসকলৰ আৰু কোনোধৰণৰ আন্দোলন নাথাকে, এইখনেই বড়োসকলৰ বাবে "Comprehensive and final solution to their demands" বুলি এবছুৰ সভাপতি (সম্প্ৰতি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য) প্ৰমোদ বড়োৰ লগতে ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ উৰ্খাও গৌৰা ব্ৰহ্মই চিৰাঙৰ কাজলগাঁৱত অনুষ্ঠিত জনসভাত উদাত্ত কণ্ঠেৰে ৰাইজৰ সন্মুখত যেতিয়া ঘোষণা কৰিছিল, আদৰণি জনাই অনুষ্ঠিত কৰা জনসভাত বড়োৰাইজ হিল-দল ভাঙি, পাৰভাঙি আহি খাম, চিফুং বজাই নাচি, বাগি আনন্দ কৰিছিল, সেই সময়ত স্বাভাৱিকতে আমাৰ দৰে সাধাৰণ ৰাইজৰ মনত প্ৰশ্ন জাগিছিল, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মই দাবী কৰি অহা পৃথক বড়ো ৰাজ্য সঁচাকৈ বড়োসকলে পালে নেকি? "বিটিচিৰ চিফ্, ইএম, এম্‌চিএল্‌এ কিম্বা এম্‌এল্‌এ, এম্‌পি, মন্ত্ৰী হ'বৰ বাবে আমি আন্দোলন কৰা নাই, পৃথক বড়োভূমি নোপোৱালৈকে আমাৰ এই আন্দোলন চলি থাকিব" বুলি চিঞৰি চিঞৰি প্ৰমোদ বড়োৱে কৰি অহা আন্দোলনে সঁচাকৈ পৃথক বড়োলেণ্ড লৈ আহিল বুলি আমি জনসাধাৰণে দোধোৰ মোধোৰৰ মনেৰে, মুক্তভাৱে বিচৰণ কৰি আহিছে, বসবাস কৰি আহিছে। বড়োসকলে আনৰ মাটিৰ অধিকাৰ বিচাৰি আন্দোলন কৰা নাই। নিজৰ হেৰোৱা মাটিহে ঘূৰাই পাবলৈ আন্দোলন কৰিছে।'

দেখা যায়, সৰ্বভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সাহিত্য-সংস্কৃতি তথা শিক্ষা, খেলা, নৃত্য, গীত আদি বিভিন্ন দিশত দ্ৰুত গতিৰে সফলতা আজুৰি আনিবলৈ আৰম্ভ কৰিছিলহে মাত্ৰ, তেনে আজিলৈ এবাৰো চোৰা নাইনে? এইসকল বড়ো ৰাইজে এবছুৰ ওপৰত ইমানেই বিশ্বাস কৰি আহিছে যে এই মুহূৰ্তত সীমামূৰীয়া চীন দেশক কিম্বা বাংলাদেশক সমৰ্থন কৰি ভাৰতৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাব লাগে বুলি ক'লেও বোধহয় তেওঁলোকে তাকেই কৰিব। আইন, নথি-পত্ৰ, কাগজ-কলমতকৈ একালত উপেন্দ্ৰনাথ ব্ৰহ্মই পৰিচালনা কৰি যোৱা এবছুক অধিক বিশ্বাস কৰি আহিছিল বাবেই পাহৰি গ'ল বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ কথা যাক তেওঁলোকে নিজে এদিন বড়োফা উপাধিৰে বিভূষিত কৰিছিল। যাৰ নামেৰে তেওঁলোকে আজিও প্ৰতিবছৰে বঁটা প্ৰদান কৰি আহিছে। তেওঁলোকে এতিয়া ক'বলৈ আৰম্ভ কৰিছে, উপেন্দ্ৰনাথ ব্ৰহ্মৰ 'ডিভাইড অসম ফিফ্‌টি ফিফ্‌টি' প্ৰকৃততে এটা ভুল সিদ্ধান্ত আছিল। আজিৰ দিনত উপেন্দ্ৰনাথ ব্ৰহ্মৰ কোনো প্ৰাসংগিকতা নাই। সময় সলনি হ'ল। উপেন্দ্ৰনাথ ব্ৰহ্মৰ কথাবোৰৰো মূল্য নাইকিয়া হ'ল। এতিয়া পৃথক বড়োলেণ্ড নহয়, আমাক লাগে ৰাস্তা ঘাট, স্কুল-কলেজ-বিশ্ববিদ্যালয়, ভাল খাদ্য, চিকিৎসা, পানী যোগান, থকাৰ বাবে ভাল আবাসগৃহ। ল'ৰা-ছোৱালীয়ে নিজ মাতৃভাষাত পঢ়িব লাগে বুলি নহয়, নিজ সামৰ্থ্যমতে যিকোনো এটা ৰাজনৈতিক দলত সোমাই যাওক আৰু যিমান পাৰে ধন-সোণ সংগ্ৰহ কৰি, বিলাসী গাড়ী, প্ৰাসাদোপম অট্টালিকা সাজি, ল'ৰা-ছোৱালীক পাৰিলে বিদেশত পঢ়াই-শুনাই জীৱনটো উপভোগ কৰক। ধেমাজি, গহপুৰ, বিশ্বনাথ, তেজপুৰ বিটিচিত অন্তৰ্ভুক্ত হ'ল নে নহ'ল তাত কাৰ কি আহে আৰু যায়? সেইবোৰ ভাবি থাকি কি লাভ ওলাব? নিশ্চয় এদিন তাৰ বাবে কোনোবা নেতা, এতিয়া যেনেকৈ প্ৰমোদ বড়ো ওলাইছে। সকলোৱে ধন ঘটাৰ, ৰাজনীতি কৰাৰ সুযোগ-সুবিধা পাব লাগে। সকলোৱে গাড়ী-ঘোঁৰা, অট্টালিকা হ'ব লাগে। আমিবোৰে সেইবোৰ নোৱাৰো যেতিয়া আনে ভোগ কৰা দেখি হিংসা কৰিলেতো নহ'ব! ভগৱানে সকলোৰে কপালত ৰাজভোগ দিয়া নাই। যোগ্য ভোগ্য বসুন্ধৰা।

ইয়াৰ পিছতো দুই এজনে আজি ক'ব খোজে, যি মুহূৰ্তত একালৰ প্ৰাচীন অসমৰ একমাত্ৰ বাসিন্দা, ভূমিপুত্ৰ বড়োসকলৰ ভাষা-সাহিত্য-সংস্কৃতি সুৰক্ষাৰ বাবে ভাৰত চৰকাৰে সংবিধান সংশোধন কৰি হ'লেও পৰ্বতীয়া লেকাৰ বাবে বিশেষভাৱে সংৰক্ষিত আইনৰ আধাৰত নামনিত ষষ্ঠ অনুসূচীৰ ব্যৱস্থা কৰি ৪০ টা বিভাগ প্ৰদানেৰে পৰিসদীয় ব্যৱস্থাসম্পন্ন তথা নিৰ্বাচিত পাৰিষদৰ সহযোগত বিটিচি পৰিষদীয় সভাৰ মাধ্যমেৰে আৰু সুকীয়া প্ৰশাসন ব্যৱস্থাৰে পৰিচালিত এখন সৰু চৰকাৰ

মাজেৰে তেওঁলৈ ধন্যবাদ জনাইছিলো। তেতিয়ালৈকে আমাৰ দৰে সাধাৰণ ৰাইজে জনা নাছিলো বা ভাবিব পৰা নাছিলো সেয়া যে পূৰ্বৰ বিটিএডিকে অপৰিৱৰ্তিত ৰূপত অকল বিটিআৰ নামাকৰণ কৰি কৰা চুক্তিহে আছিল। সেয়া আছিল নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলসমূহে প্ৰচাৰ কৰা ঘোষণাপত্ৰ (Manifesto) সদৃশ এটা উন্নয়নৰ প্ৰতিশ্ৰুতিভৰা চুক্তি, ৰাজনৈতিক চুক্তি নহয়। তাৰ পিছতো ৰাইজে আশা কৰিছিল চুক্তিখন স্বাক্ষৰ কৰাৰ সময়ত যিহেতু খৰধৰ কৰিবলগীয়া হোৱা বাবে বিশেষ আলোচনা কৰা নহ'ল, গতিকে চুক্তিখন হৈ যোৱাৰ পিছত নিশ্চয় চুক্তিকাৰীসকলে ৰাইজক লৈ ইয়াৰ ওপৰত বহল ভিত্তিত আলোচনা কৰিব; কিন্তু সেয়া ৰাইজে আশাকৰা মতে আজিলৈ হৈ নুঠিল।

চুক্তি স্বাক্ষৰকাৰীসকলে 'পৃথক বড়োভূমিৰ দাবীৰে আগলৈ আৰু কেতিয়াও বড়োভূমিত আন্দোলন নহয়' বুলি ঘোষণা কৰাৰ লগে লগে এচাম বিবেকবান, সঁচা অৰ্থত প্ৰকৃত জাতিপ্ৰেমী বড়ো ৰাইজ জাঙুৰ খাই উঠে। কেইদিনমান পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই "বড়ো ভূমিত কোনো বড়ো ৰাজ্য নহয়" বুলি কৰা ঘোষণা বিভিন্ন কাকতে-পত্ৰই প্ৰকাশ পোৱাত প্ৰতিবাদৰ জ্বলা জুইত যেন ঘিউহে ঢালিছে। তেওঁলোকে স্বাভাৱিকভাৱেই প্ৰতিবাদ কৰি উঠে, বড়ো জাতিৰ, বড়ো ৰাজ্যৰ দাবীক নাইকিয়া কৰি দিয়াৰ বাবে তেওঁলোকক কোনে আৰু কেতিয়া অধিকাৰ দিলে? বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সপোনৰ পৃথক বড়োলেণ্ডক কবৰ দিবলৈ তেওঁলোক কোন? হেজাৰ হেজাৰ বড়ো ৰাইজ তথা যুৱক-যুৱতীৰ বলিদানক অপমান কৰাৰ সাহস তেওঁলোকে ক'ত পালে? এবছুৱে অকল বড়ো নহয়। এবছুৱে সকলো বড়ো জাতিক প্ৰতিনিধিত্ব নকৰে। তেওঁলোকক বড়োলেণ্ড নালাগে, সেয়া তেওঁলোকৰ কথা। তেওঁলোকৰ কথাই বড়ো জাতিৰ কথা নহয়, হ'ব নোৱাৰে। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সপোনৰ বড়োলেণ্ডক এনেদৰে কেইজনমান স্বাৰ্থান্বেষী ৰাজনীতিকৰ হাতত কবৰস্থ হ'বলৈ এৰি দিয়া নহ'ব। এতিয়াও বড়ো জাতি মৰি শেষ হৈ যোৱা নাই। পৃথক বড়োলেণ্ড দাবীৰ ক্ষেত্ৰত বড়ো সকল কাৰো কথাত আপোচ নকৰে। এবছু, ইউ.পি.পি.এল কিম্বা দুই-এজন প্ৰাক্তন এনডিএফবিৰ কোনো কৰ্মী তথা নেতাই বড়োসকলক পৃথক বড়োলেণ্ডৰ দাবীৰ পৰা আঁতৰাই ৰাখিব নোৱাৰে। বড়োলেণ্ড বড়োসকলৰ জন্মগত অধিকাৰ। এইখন অসমত বড়োসকল আহোমৰ আগমনলৈকে স্বাধীনভাৱে, কাৰো পৰা কোনো ধৰণৰ বাধা নোপোৱাকৈ মুকলি

অৱস্থাত বিটিআৰ চুক্তিয়ে ৰাজনৈতিক আৰু বহুক্ষেত্ৰত সামাজিক ভাৱেও বড়ো জাতিক সম্পূৰ্ণ দুটা শিবিৰত বিভক্ত কৰি পেলালে। যোৱা বিটিচি পৰিসদীয় নিৰ্বাচনত সম্পূৰ্ণ কৰিব নোৱাৰা কাম তাৰ ঠিক পৰৱৰ্তীকালত অৰ্থাৎ নিৰ্বাচনোত্তৰ কালত মুখ্যমন্ত্ৰীয়ে তেওঁৰ কেইজনমান মন্ত্ৰীৰ সহযোগত লিলি হোটেলত কলংকময় নাটক সংঘটিত কৰি বড়ো জাতিক পূৰ্ণ ৰূপত দুটা শিবিৰত বিভাজিত কৰি পেলালে বুলি ৰাইজে ভাৱে। নিৰ্বাচনত গৰিষ্ঠ সংখ্যক লোকে নিৰ্বাচিত কৰা দল তথা গৰিষ্ঠসংখ্যক লোকৰ মতদানক বুঢ়া আঙুলি দেখুৱাই, গৰিষ্ঠ সংখ্যক পাৰিসদক উলংঘা কৰি পৰাজিত সৰু সৰু দলবোৰক একত্ৰিত কৰি তাৰেই সুবাদত সংখ্যাগৰিষ্ঠ দেখুৱাই বিটিচিৰ শাসনভাৰ অগণতান্ত্ৰিকভাৱে দখল কৰি লয়। ড° শৰ্মাৰ এই অগণতান্ত্ৰিক কাৰ্যত সংখ্যাগৰিষ্ঠ পাৰিসদযুক্ত দলক চৰকাৰ গঠনৰ বাবে আহ্বান জনোৱাৰ পৰিৱৰ্তে সংখ্যাত তাকৰ দলবোৰক সুযোগ দি প্ৰকাৰান্তৰে ৰাজ্যপালেও ইন্ধন যোগাইছিল বুলি ৰাইজে ক'ব খোজে। তদুপৰি সংখ্যাত তাকৰ কিছুমান লোকৰ দল আৰু বিপিএফ আৰু কংগ্ৰেছ, নিৰ্দলীয় দলৰ দুই এজন পাৰিষদক নিজ ৰাজনৈতিক চাতুৰি প্ৰয়োগ কৰি নিজৰ পক্ষত নি ক'বলৈ গ'লে বড়ো জাতিটোক পূৰ্ণ ৰূপত দুটা ভাগত বিভক্ত কৰি ধ্বংসস্তূপত পৰিণত কৰি পেলালে। এই কামত ড° হিমন্ত বিশ্ব শৰ্মা সম্পূৰ্ণ ৰূপত সফল হোৱা বুলি ক'ব পাৰি। অৱশ্যে কোনোবা জাতি মৰে নে বাচে, ৰাজনীতিত এইবোৰ একো ডাঙৰ কথা নহয়।

ইমানখিনি হৈ যোৱাৰ পাছতো, আনকি স্বয়ং মুখ্যমন্ত্ৰীয়ে 'বিশ্বনাথ আৰু শোণিতপুৰ জিলাৰ এখনো গাঁও বিটিআৰত অন্তৰ্ভুক্ত কৰা নহয়' বুলি বাৰে বাৰে বিভিন্ন সভা-সমিতিত ঘোষণা কৰি অহাৰ পিছতো, তদুপৰি বিটিআৰ চুক্তিৰ তিনি নম্বৰ দফাৰ ক্ৰমিক নম্বৰ দুই আৰু ৩.৩ দফাত স্পষ্টৰূপে উল্লেখ কৰাৰ পিছতো এবছু-ইউ.পি.পি.এলৰ নেতৃবৃন্দই এই অঞ্চলসমূহৰ সৰ্বসাধাৰণ বড়ো ৰাইজক কি যাদুৰ বলেৰে বিটিআৰত অন্তৰ্ভুক্ত হ'ব বুলি মোহাচ্ছন্ন কৰি ৰাখিবলৈ সক্ষম হৈছে, ভাবিলে আচৰিত লাগে। চুক্তিৰ এইবোৰ কথা ৰাইজে

তাৰ পৰিণামস্বৰূপে চুক্তিৰ দুদিন পিছতে চুক্তিৰ সহযোগী এন.ডি.এফ.বিৰ দুটা গোটে বিশ্বাসঘাতকতাৰ অভিযোগ তুলি আঁতৰি যাবলগীয়া হয়। অভিযোগ কৰামতে, চুক্তিত স্বাক্ষৰ কৰাৰ পূৰ্বে তেওঁলোকক অন্ধকাৰত ৰাখি চুক্তিৰ চৰ্তসমূহ দেখুওৱা হোৱা নাছিল। চুক্তি সম্পন্ন হৈ যোৱাৰ পিছতহে তেওঁলোকে জানিব পাৰিলে সেয়া কিমান ত্ৰুটিপূৰ্ণ আৰু জাতিটোৰ বাবে ক্ষতিকাৰক। বৰ্তমান এবছু যে পূৰ্বৰ উপেন্দ্ৰনাথ ব্ৰহ্মৰ দ্বাৰা পৰিচালিত এবছু নহয়, বৰ্তমান এবছু যে ইউ.পি.পি.এলৰে এটা পিঠি সেই সম্পৰ্কে তেওঁলোকৰ ধাৰণাই নাছিল।

ভাবিলে আচৰিত লাগে, কিমান প্ৰতিভাসম্পন্ন বড়ো যুৱক-যুৱতীয়ে পৃথক বড়োলেণ্ডৰ দাবীত চলা আন্দোলনকালত অকালতে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছিল। কিমান সদ্যবিবাহিতা যুৱতী-গাভৰুৱে এই আন্দোলনত স্বামীক হেৰুৱাই কপালৰ সেন্দুৰ মচি অকাল বৈধব্যৰ কৰুণ জীৱন কটাবলগীয়া হ'ল। কিমান গৰীব-দুখীয়া মাতৃয়ে বুকুৰ একমাত্ৰ সন্তানক হেৰুৱাই আজিও বুকুত একুৰা জুই সাৰটি লৈ মৃত্যুৰ ক্ষণ গণি থাকিবলগীয়া হৈছে। কিমানে পুলিচ-চিআৰপি তথা দুষ্কৃতিকাৰীৰ প্ৰৰোচণাত পৰি বিনাদোষত হাত-ভৰি হেৰুৱাই লেঙেৰা-ভেঙুৰা হৈ আজিও দুঃসহ জীৱন কটাই আছে। এইবোৰৰ হিচাপ কোনে দিব? তাৰ পাছতো যদি সম্পূৰ্ণ নিজ স্বাৰ্থ পূৰণৰ বাবেই একালত বড়োলেণ্ড গঠনৰ দাবীত --'বিটিচিৰ চিফ্, ইএম, এম্‌চিএল্‌এ কিম্বা এম্‌এল্‌এ, এম্‌পি, মন্ত্ৰী হ'বৰ বাবে আমি আন্দোলন কৰা নাই, পৃথক বড়োভূমি নোপোৱালৈকে আমাৰ এই আন্দোলন চলি থাকিব' বুলি টেটু ফালি চিঞৰি চিঞৰি জনসভাত ভাষণ দি ৰাইজক মোহাচ্ছন্ন কৰা সেই নেতাসকলে আজি 'ৰৈল তোমাৰ আন্দোলন, আমি চললাম বৃন্দাবন' বুলি ছত্ৰভংগ দি গাড়ী-ঘোঁৰা, ৰাজপ্ৰাসাদ সদৃশ অট্টালিকা, অজস্ৰ ধন-সম্পত্তি কৰি ৰাজকীয় জীৱন আৰম্ভ কৰিবলৈ লয়, সেয়া বাৰু চৰম অন্যায়, প্ৰতাৰণা নহয়নে? দুদিন আগলৈকে সাধাৰণ এটা চোলা-পেন্ট কিনিবলৈ ধনৰ অভাৱ থকা এজন লোকে মাত্ৰ এটা বছৰ হওঁতে-নৌহওঁতেই ৰাজপ্ৰাসাদ সদৃশ অট্টালিকা সাজি, বিলাসী গাড়ীত উঠি বিলাসী হোটেল বাদে আন ক'তো আহাৰ গ্ৰহণ কৰি তৃপ্তি নোপোৱা হৈ উঠা নেতা-পালিনেতাসকলক আজি সৰ্বসাধাৰণ ৰাইজে চিনিবলৈ বাকী নাই। দুদিন পিছতে তেওঁলোকে

(State within state আধাৰত) গঠন কৰি দিয়া হ'ল, য'ত ৪০জনীয়া পাৰিসদৰ মুৰব্বীগৰাকীক বিটিচি প্ৰধানৰূপে ক্ষমতা প্ৰদান কৰি কেবিনেট মন্ত্ৰীৰ মৰ্যাদাসম্পন্ন কৰা হ'ল। এনেকি উপ-প্ৰধানজনকো কেবিনেট মন্ত্ৰীৰ সমকক্ষ ক্ষমতা প্ৰদান কৰা হ'ল। তাৰবাবে আৰু সুকীয়াকৈ কোনো অনুমোদন জনোৱাৰ কথাই নাথাকিল। আন কেবিনেট মন্ত্ৰীসকলৰ দৰে তেওঁলোককো ভাৰতৰ ৰাষ্ট্ৰীয় দিৱস তথা স্বাধীনতা দিৱস আৰু গণতন্ত্ৰ দিৱসৰ দিনত ৰাজহুৱা স্থানত ৰাইজৰ মাজত জাতীয় পতাকা উন্মোচন কৰাৰ ক্ষমতা প্ৰদান কৰা হ'ল। চৰকাৰী প্ৰশাসনৰ ক্ষেত্ৰতো মুৰব্বীজনক মুখ্য সচিবৰূপে গণ্য কৰা হ'ল। ই.এম সকলক ৰাজ্যিক মন্ত্ৰীৰ সমকক্ষ ক্ষমতা প্ৰদান কৰা হ'ল। কিন্তু সেই সকলোবোৰকে একেকোবে বিটিআৰ চুক্তিৰ মাজেৰে নিশাটোৰ ভিতৰতে নাইকিয়া কৰি বিটিচিৰ ভাৱমূৰ্তি অৱনমিত কৰা হ'ল। ৰাজ্যিক আইনৰ অধীনস্থ ৰাভা হাচং, তিৱা, দেউৰী, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী আদি স্বায়ত্তশাসিত পৰিষদৰ পৰ্যায়লৈ অৱনমিত কৰা হ'ল। তেওঁলোকৰ পূৰ্বৰ ক্ষমতা কাঢ়ি লোৱা হ'ল। ইয়াত প্ৰমোদ বড়ো কিম্বা হাগ্ৰামাৰ কথা নাহে। অৱশ্যে হাগ্ৰামা পুনৰ বিটিচিৰ শাসনৰ ক্ষমতাৰৈ ঘূৰি আহিলে কি কৰিলেহেঁতেন সেয়া বুজা নাযায়।

আনহাতে, বিটিআৰ চুক্তিৰ পিছত বিটিচি প্ৰধান হ'ল মুখ্য কাৰ্যবাহী সদস্য (সদস্য), পূৰ্বৰ দৰে বিটিচি প্ৰধান নহয়। সেইদৰে প্ৰধান সচিব হ'ল এতিয়া মুখ্য কাৰ্যবাহী বিষয়া। পৰিসীমাৰ ক্ষেত্ৰতো পূৰ্বৰ বিটিএডি BTAD কে অকল নামটো সলাই বিটিআৰ কৰা হ'ল, মাটি-কালিৰ পৰিমাণ অথবা ভৌগলিক পৰিসীমা কিন্তু পূৰ্বৰ বিডিএডিয়েই থাকিল। চুক্তি অনুসৰি সমগ্ৰ বিটিএডিক বৰ্তমানৰ চাৰিখন জিলাৰ পৰিৱৰ্তে মুঠ ছখনলৈ বৃদ্ধি কৰা হ'ব আৰু পৰিসদীয় সমষ্টি বৰ্তমানৰ ৪০ টাৰ ঠাইত ৬০ টা কৰা হ'ব কিন্তু সংৰক্ষণৰ ক্ষেত্ৰত পূৰ্বৰ ৩০ খনৰ সলনি জনজাতি লোকসকলৰ বাবে সাধাৰণতে যিটো হাৰত দিয়া থাকে অৰ্থাৎ ১০ শতাংশ হাৰত দিয়াৰ ব্যৱস্থা কৰা হ'ব। সেই হিচাপে জনজাতি লোকসকলে বৰ্তমান লাভ কৰি অহা ৩০ খন আসনৰ ঠাইত ১০ শতাংশ হাৰে মুঠ ছখন আসনহে লাভ কৰিব। ইয়াৰ পৰা এইটো স্পষ্ট হৈ পৰে যে এই চুক্তি মানি ল'লে আগলৈ বিটিচি অকল বড়ো কিয়, জনজাতিসকলৰ হাতত নাথাকিবগৈ অৰ্থাৎ বিটিচি অজনজাতি লোকৰ হাতলৈ গুচি যাব। প্ৰশ্ন উটিছে, তেনে স্থলত সৰ্বসাধাৰণ বড়ো ৰাইজে ইয়াক কেনেকৈ মানি ল'ব পাৰে? কোনোবাই ক্ষন্তেকীয়া সুযোগ সুবিধা লাভৰ স্বাৰ্থত মানি ল'লেও আন কোনো সচেতন, স্বজাতিপ্ৰেমী বড়োলোকে ইয়াক মানি ল'ব নোৱাৰে। ফলত স্বাভাৱিকতে সমগ্ৰ বিটিএডি অঞ্চলত ইয়াৰ প্ৰতিবাদত বড়োসকলে পুনৰ আন্দোলনৰ পথ ল'বলৈ বাধ্য হ'ব।

বড়োসকলৰ এই চুক্তিৰ প্ৰতি অসন্তুষ্টিৰ আন এটা প্ৰধান কাৰণ হ'ল গাঁও কৰ্তন। যি সময়ত পূৰ্বৰ বিটিচি চুক্তিমতে আৰু ৯৫ খন গাঁও অন্তৰ্ভুক্ত হোৱাৰ কথাহে আছিল, তেনে স্থলত আকৌ গাঁও কৰ্তনৰ কথা ক'ৰ পৰা আহিল? বিটিআৰ চুক্তিকাৰীসকলে প্ৰথমে পূৰ্বৰ পাবলগীয়া গাঁও কেইখনৰ অন্তৰ্ভুক্তিৰ কথাহে আনিব লাগিছিল বুলি ৰাইজে ভাৱে। বড়ো ৰাইজে ভালদৰেই জানে, অকল বড়ো নহয়, প্ৰতিগৰাকী সচেতন লোকে ভালদৰে জানে যে মাত্ৰ ৫০/৬০ টা বছৰ আগলৈকে এই অঞ্চলৰ জনগাঁথনি কেনে ৰূপত আছিল, যাৰ বাবে আগলৈ যিকোনো সময়ত এনে সমস্যা আহিব পাৰে বুলিয়ে ১৯৪৭তে তেতিয়াৰ গোপীনাথ বৰদলৈ চৰকাৰে জনজাতিসকলৰ সংৰক্ষণৰ বাবে সংৰক্ষিত অঞ্চল হিচাপে ঘোষণা কৰি গৈছিল; কিন্তু মাত্ৰ যোৱা কেইটামান বছৰতে সংৰক্ষণৰ সমস্ত নীতি-নিয়ম উলংঘা কৰি কি স্বদেশী কি বিদেশী সকলো ধৰণৰ অবৈধলোকে জনজাতিসকলৰ অসচেতনতাৰ সুযোগ লৈ তাত এনেদৰে অনুপ্ৰৱেশ কৰিবলৈ ল'লে, যাৰ ফলত আজিৰ সমগ্ৰ বিটিএডি অঞ্চল অবৈধ অনুপ্ৰৱেশকাৰীৰে ভৰি পৰিল। অবৈধ অনুপ্ৰৱেশকাৰী এই লোকসকলক উচ্চতম ন্যালয়ৰ পৰা উচ্ছেদ কৰাৰ বাবে বাৰে বাৰে নিৰ্দেশ দি অহাৰ পিছতো উচ্ছেদৰ সলনি ওলোটাকৈ বিটিআৰ চুক্তিৰ জৰিয়তে কৰ্তন কৰি বিটিচিক ত্ৰিপুৰাৰ ত্ৰিপুৰী কিম্বা বৰক্‌সকলৰ দৰে উপগ্ৰহীয় স্বায়ত্তশাসনলৈ লৈ যোৱাৰ বাবেহে ষড়যন্ত্ৰ কৰা হ'ল বুলি আজি ৰাইজে উপলব্ধি কৰিছে আৰু স্বাভাৱিক কাৰণতে ইয়াৰ প্ৰতিবাদ কৰিবলৈ লৈছে। কিন্তু আচৰিত হ'বলগীয়া কথাটো হ'ল, বিটিআৰ চুক্তিকাৰী এবছু, ইউ.পি.পি.এল আৰু এন্.ডি.এফ্.বিৰ নেতাসকলে এইবোৰ সমস্যা সমাধানৰ পথ বিচৰাতকৈ, ৰাইজক বিশ্বাসত লৈ আলোচনাত বহাৰ পৰিৱৰ্তে এই সমস্যাবোৰক লৈ যিসকলে প্ৰতিবাদ কৰিবলৈ লৈছে, প্ৰয়োজন সাপেক্ষে উচ্চ ন্যায়ালয়ৰ ওচৰত সুবিচাৰ বিচাৰি পি আই এল দাখিল কৰিছে তেওঁলোকৰ ওপৰতহে বিভিন্ন ধৰণে দমনমূলক, শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি আহিছে। জাতিৰ ভৱিষ্যতৰ কথা চিন্তা কৰাতকৈ ক্ষন্তেকীয়া ক্ষমতা হেৰুওৱাৰ লগে জোলোঙাৰ মেকুৰী ওলাই পৰাৰ ভয়, আতংকত যেন আতংকিত হৈ পৰিছে। ৰাইজৰ সন্মুখত তেওঁলোকক জাতিদ্ৰোহী হিচাপে চিহ্নিত কৰি ব্যক্তিগত জীৱনৰ ভাৱমূৰ্তি বিনষ্ট কৰিছে। ইয়াকে কয়— বিপদকালে হতবুদ্ধি। ইউ.পি.পি.এল আৰু এন্.ডি.এফ্.বিৰ কথা সুকীয়া, অন্ততঃ এবছুৱে এটা জাতীয় সংগঠন হিচাপে ৰাজনীতিৰ উৰ্দ্ধত গৈ অৰ্থাৎ কোনো এটা বিশেষ ৰাজনৈতিক দলৰ পক্ষপাতিত্ব কৰি নাথাকি, জাতিৰ ভৱিষ্যতৰ কথা ভাবি আৰু ৰাইজক বিশ্বাসত লৈ এতিয়াও এইবোৰ সমস্যাৰ ওপৰত সকলো দল, সংগঠন, বুদ্ধিজীৱী, সচেতন নাগৰিকক সামৰি লৈ আলোচনাত মিলিত হৈ সমস্যাৰ পথ উদ্ভাৱনত মনোযোগ দিব বুলি ৰাইজে আশা কৰে। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ৰাইজে সকলো সময়তে এবছুৰ মুখলৈ চাই থাকিব। সমস্যা থাকে আৰু প্ৰতিটো সমস্যাৰে সমাধানো আছে। লাগে মাথোঁ আশাসুধীয়া আৰু নিঃস্বাৰ্থ প্ৰচেষ্টা।

ফোন: ৯৪৩৫০২১৮৭৭



# চুটি জীৱনকালত সাফল্যৰ অভিলেখ



**'আমাৰ** বিষম পণ
পূৰ্ণ স্বাধীনতা লভিম লভিম
আগত থৈ মৰণ।
দুখৰ কৰুণ কথা
গাম জননীৰ আই ভাৰতীৰ
সন্তানৰ বীৰগাথা।'

'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী'— এই মহামন্ত্ৰত দীক্ষিত হৈ যিসকলে দেশ জননীৰ মুক্তিৰ হকে অকালতে প্ৰাণ বিসৰ্জন দিছিল তেওঁলোকৰ ভিতৰত অন্যতম আছিল '৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ

## কুশল কোঁৱৰ

### *জীৱনকাল ৩৮ বছৰ মাত্ৰ*

### (১৯০৫-১৯৪৩)

বীৰ ছহিদ কুশল কোঁৱৰ । কুশল কোঁৱৰ আছিল তুংখুঙীয়া আহোম ফৈদৰ কমলেশ্বৰ সিংহৰ বংশধৰ। তেওঁৰ পিতৃ আছিল কাঠ ব্যৱসায়ী সোণাৰাম কোঁৱৰ আৰু মাতৃ কনকেশ্বৰী। ১৯০৫ৰ চ'তৰ নদিন যোৱাত বালিজানত কুশল কোঁৱৰৰ জন্ম হয়। সোণাৰামৰ আঠজন পুত্ৰ-কন্যাৰ ভিতৰত কুশল আছিল পঞ্চম সন্তান, দ্বিতীয় পুত্ৰ। নিৰ্ভীক, নিপোটল কুশল খেল-ধেমালি, বিহু গীত, ঢোল, পেঁপা, বাঁহী আদি সকলোতে পাৰ্গত আছিল। সৰুৰে পৰাই কুশলৰ মন আছিল স্বাধীনতাকামী।

১৯১২ত কুশল কোঁৱৰে প্ৰাথমিক স্কুল আৰু ১৯১৮ত গোলাঘাট বেজবৰুৱা মধ্য ইংৰাজী স্কুলত অধ্যয়ন কৰে। ১৯২৫ত এখন প্ৰাইমাৰী বিদ্যালয় স্থাপন কৰি কুশলে তাত অবৈতনিকভাৱে শিক্ষকতাৰ কাম আৰম্ভ কৰে। এই সময়তে তেওঁ সংগ্ৰামী মনৰ সহপাঠী কেইজনমানৰ লগ লাগি স্বাধীনতা আন্দোলনত যোগ দিয়ে।

ইতিমধ্যে তেওঁ ১৯২১ৰ ২৪ ফেব্ৰুৱাৰীত মৰঙী কোঁৱৰ গাঁৱৰ প্ৰেমানন্দ দুৱৰাৰ কন্যা প্ৰভাৱতীক বিয়া কৰায়। ১৯৩৪ত তৃতীয়বাৰ মহাত্মা গান্ধী অসমলৈ আহি গোলাঘাটত পদাৰ্পণ কৰে। সেইবাৰ গান্ধীজীৰ আলপৈচানৰ দায়িত্ব লাভ কৰিছিল কুশল কোঁৱৰে। গান্ধীজীৰ সান্নিধ্যত তেওঁ অহিংসাৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হয় আৰু আমিষ আহাৰ চিৰকালৰ বাবে বৰ্জন কৰে।

ড° নীলমোহন ৰায়
ফোন: ৯৮৬৪০৬৪২৭৪

১৯৪২ত 'ভাৰত ত্যাগ আন্দোলন' ঘোষণা কৰি সেই কাৰ্যসূচীৰ সফল ৰূপ দিয়াৰ বাবে কংগ্ৰেছ নেতাসকল তৎপৰ হ'ল। হেজাৰ হেজাৰ বীৰ-বীৰাংগনাই মৃত্যু বাহিনীত নাম লগাই দেশ মাতৃৰ মুক্তিৰ বাবে জীৱন পণ কৰিলে। এই আন্দোলনত সৰুপথাৰ কংগ্ৰেছ দলৰ সম্পাদক আছিল কুশল কোঁৱৰ। কোঁৱৰে প্ৰাণোদ্দীপক, তেজোদ্দীপ্ত ভাষণ আগবঢ়ালে—'গান্ধীজীয়ে দেখুৱাই দিয়া পথেদি মানৱৰ জন্মস্বত্ব স্বাধীনতা লাভ কৰিবলৈ প্ৰতিজন মানুহেই কৰ্ম কৰা, মানুহৰ ধৰ্মৰ পৰা বিচলিত হ'লে মানুহ নৰকগামী হ'ব লাগিব। স্বাধীনতা আন্দোলন যজ্ঞত যিসকলে সাম্ৰাজ্যবাদীসকলৰ লগ হৈ প্ৰতিবন্ধকতা কৰিব তেওঁলোকক ভৱিষ্যতে ভাৰতে পৰপদলেহী বিভীষণ বুলি ঘৃণা কৰি যাব।'

'৪২ৰ ১০ ছেপ্টেম্বৰৰ ৰাতি সৰুপথাৰ ৰেল ষ্টেছনৰ ওচৰত কোনোবাই ৰেললাইন উঠাই থোৱাত মিলিটাৰী কঢ়িয়াই অনা ৰেলগাড়ীখন দুৰ্ঘটনাত পতিত হয়। বেচৰকাৰী হিচাপ মতে এই ঘটনাত প্ৰায় এহেজাৰ লোকৰ মৃত্যু হয়। ৰাতিৰ ভিতৰত সৰুপথাৰ অঞ্চলটো সশস্ত্ৰ পুলিচ-মিলিটাৰীয়ে অৱৰোধ কৰি পেলায় আৰু বহুতকে ধৰি বান্ধি নি গোলাঘাট জেলত ভৰাই দিয়ে।

ৰেলগাড়ী বগৰাবৰ বাবে লাইন উঠোৱাৰ কামত জড়িত থকাৰ সন্দেহ কৰি পুলিচে কুশল কোঁৱৰক গ্ৰেপ্তাৰ কৰে। ইংৰাজৰ পদলেহনকাৰী স্থানীয় গাঁওবুঢ়া এজনে কুশল কোঁৱৰক চিনাক্ত কৰি দিছিল। কুশল কোঁৱৰে দৃঢ়তাৰে অস্বীকাৰ কৰি কৈছিল— 'মিছা কথা, কোনো গান্ধীবাদী কংগ্ৰেছ কৰ্মীয়ে এই দুৰ্ঘটনা কৰা নাই।' কুশল কোঁৱৰক গ্ৰেপ্তাৰ কৰা বাতৰি বিজুলীসঞ্চাৰে চাৰিওফালে বিয়পি পৰিল।


১৯৪৩ৰ ১১ ফেব্ৰুৱাৰীৰ দিনা গোলাঘাটৰ লোকেল ব'ৰ্ডৰ কাৰ্যালয়ত ৰেল দুৰ্ঘটনাত অভিযুক্ত বন্দীসকলৰ বিচাৰ শিৱসাগৰ জিলাৰ ডেপুটি কমিছনাৰ মি. কেম্বেল এনড্ৰু হামফ্ৰেৰ আদালতত আৰম্ভ হ'ল। ঘৰ বিভীষণ মৌজাদাৰ ভগীৰাম গাঁওবুঢ়া প্ৰমুখ্যে ব্ৰিটিছৰ পদলেহনকাৰী দলে আহি ৰাজসাক্ষ্য দিলে। হামফ্ৰে চাহাবে তিনি দফাত বিচাৰ শেষ কৰিলে। তৃতীয় দফাত কুশল কোঁৱৰৰ লগতে আন তিনিজনৰ ফাঁচিৰ হুকুম হ'ল। পাছত কুশল কোঁৱৰৰ বাহিৰে বাকী তিনিজনক ৰাজ্যপালে মৃত্যুদণ্ডৰ পৰা ৰেহাই দিলে। মৃত্যুদণ্ডৰ পৰা ৰেহাই পাই বাকী তিনিজন জেলৰ ভিতৰৰ পৰা ওলাই আহিল। অহাৰ সময়ত কোঁৱৰক প্ৰণাম জনালে। কোঁৱৰৰ ভ্ৰাতৃ কনকেশ্বৰ কোঁৱৰে হুকহুকাই কান্দিবলৈ ধৰাত কোঁৱৰে মুখত অতি মৃদু হাঁহিৰে সান্ত্বনা দি ক'লে—'ঈশ্বৰৰ ইচ্ছা হৈছে, তোমালোকে বহু কাম কৰিব লাগিব— দেশৰ কাম, দেশৰ স্বাধীনতাৰ কাম। মোৰ বাবে দুখ নকৰিবা।'

বিদায়ৰ শেষ মুহূৰ্তত অধ্যক্ষ হেম বৰুৱাই কুশল কোঁৱৰক প্ৰণাম এটিৰে বিদায় দিওঁতে কোঁৱৰে গীতাৰ বাণী শুনালে—'জন্ম হ'লে মৃত্যু অনিবাৰ্য। মোৰ আনন্দ, ভগৱানে মোকেই বাছি লৈছে। ভগৱানে মোক ভাল পায়।'

১২ জুনৰ দিনা আবেলি কুশলৰ দুটি পুত্ৰৰ স'তে পত্নী প্ৰভাৱতীয়ে মৃত্যুপথযাত্ৰী স্বামীক শেষবাৰৰ বাবে চাই যায়। সেই হৃদয় বিদাৰক সাক্ষাৎকাৰৰ সময়ত চেলৰ লোৰ শলাকাৰ মাজেদি হাত দুখন আগবঢ়াই প্ৰভাৱতীৰ মূৰত ৰাখি কোঁৱৰে কৈছিল— 'তোমাক মই কৈছিলো'—দেশখন স্বাধীন হ'বলৈ হ'লে এদল মানুহ মৰিবই লাগিব। মই দেশৰ স্বাধীনতাৰ অৰ্থে প্ৰাণ দিম। দুখ নকৰিবা, বেজাৰ নকৰিবা। মই মৰিম, দেশ থাকিব। দেশ স্বাধীন হ'ব। তোমাক আৰু খগেন-নগেনক দেশে চাব।'


শেষ নিশা নিৰ্বিকাৰচিত্তে নিদ্ৰামগ্ন হৈ থকা কোঁৱৰক চন্তৰীয়ে জগাই দিলে। নিত্য কৰ্মৰ পাছত কোঁৱৰ চিপাহীৰ স'তে ফাঁচিকাঠৰ পিনে আগবাঢ়ি গ'ল। সহস্ৰ জনতাই উদ্বিগ্নচিত্তে, অশ্ৰুভৰা নয়নেৰে তেওঁলোকৰ প্ৰিয় নেতাক অন্তিমবাৰৰ বাবে চাবলৈ ৰৈ আছে। কোঁৱৰে সভক্তিৰে হাঁহি হাঁহি সমবেত ৰাইজক শেষ নমস্কাৰ জনাই, নিৰ্ভয়ে নিৰুদ্বিগ্নচিত্তে ফাঁচিকাঠত ভৰি দিলে। মূৰৰ পৰা ভৰিলৈ ক'লা পোছাক এটা কোঁৱৰক পিন্ধাই দিয়া হ'ল; তাৰ পাছত কোঁৱৰৰ ডিঙিত ফাঁচি-জৰী আঁৰি দিয়া হ'ল। শেষ নিশাৰ অন্ধকাৰ ভেদ কৰি নাদব্ৰহ্মত প্ৰতিধ্বনি তুলি কোঁৱৰে জীৱনৰ অন্তিমকালৰ একাকি ঘোষা 'পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে'টো গালে।

কৰ্তব্যৰত পুলিচ বিষয়াই এখন বগা কাপোৰ জোঁকাৰি ফাঁচিৰ ইংগিত দিলে। মুহূৰ্ততে কটোৱালে ফাঁচিজৰী টানিলে আৰু লগে লগেই অসম মাতৃৰ আঁচলৰ ধন আজন্ম বীৰ কুশল কোঁৱৰৰ পৱিত্ৰ আত্মাই নশ্বৰদেহ এৰি স্বৰ্গলৈ গতি কৰিলে। এই মৃত্যু মৰ্মান্তিক, অপৰাজেয়।





## এদিনত দৈনিক সংক্ৰমণ ১০ হেজাৰৰ তললৈ নামিল, ঊৰ্ধ্বমুখী সক্ৰিয় ৰোগীৰ সংখ্যা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুন ঃ** এসপ্তাহ পাছত দেশৰ ক'ভিড সংক্ৰমণ পুনৰ কিছু হ্ৰাস পালে। বিগত এদিনত দেশৰ দৈনিক সংক্ৰমণ ১০ হেজাৰৰ তললৈ নামিল। কিন্তু ক্ৰমে ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে দেশৰ সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ৯,৯২৩ জন লোক। আনহাতে, বিগত এদিনত দেশত পুনৰ ১৭ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। এই মুহূৰ্তত দেশত ৭৯,৩১৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## পিতৃৰ পৰিচয় নিবিচাৰে এলন কন্যাই, আদালতত নাম সলনিৰ আবেদন



নিউজ ব্যুৰ', টেক্সাছ, ২১ জুন ঃ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা টেছলা আৰু স্পেচএক্সৰ স্বত্বাধিকাৰী এলন মাস্কৰ ৰূপান্তৰিত কন্যাই তেওঁৰ লিংগ পৰিচয় অনুসৰি নাম সলনি কৰাৰ বাবে আবেদন জনালে। ১৮ বছৰীয়া এলন কন্যাই এই সন্দৰ্ভত সামাজিক মাধ্যমৰ জৰিয়তে এইদৰে কয়, 'পিতৃৰ স'তে মোৰ কোনো ধৰণৰ সম্পৰ্ক থাকক, সেয়া মই নিবিচাৰো।' জন্মৰ সময়ত এলন কন্যাৰ নাম ৰখা হৈছিল জেভিয়াৰ আলেকজেণ্ডাৰ। পাছত জেভিয়াৰে লিংগ সলনি কৰিছিল। ৰূপান্তৰিত এলন কন্যাই তেওঁৰ নতুন লিংগ পৰিচয় প্ৰতিফলিত কৰি নাম পৰিৱৰ্তন আৰু জন্মৰ নতুন প্ৰমাণপত্ৰ তৈয়াৰ কৰাৰ বাবে ছান্তা মণিকাৰ লছ এঞ্জেলছ কাউণ্টি ছুপিৰিয়ৰ আদালতত আবেদন জনাইছে। আবেদনপত্ৰত জেভিয়াৰে কয় যে তেওঁ জন্মৰ প্ৰমাণপত্ৰ পিতৃ এলন মাস্কৰ নাম ৰাখিব নিবিচাৰে। উল্লেখ্য যে জেভিয়াৰৰ মাতৃ জাষ্টিন উইলছনৰ স'তে বহু আগেয়ে মাস্কৰ বিবাহ বিচ্ছেদ সম্পন্ন হৈছিল। অলপতে জেভিয়াৰে ১৮ বছৰ বয়সত ভৰি দিছিল।

## বীৰভূমত একে পৰিয়ালৰে তিনি সদস্যৰ বিহপান কৰি আত্মহনন




**নিউজ ব্যুৰ' বীৰভূম, ২১ জুন ঃ** পশ্চিমবংগৰ বীৰভূমৰ মহুলা গাঁৱত একেটা পৰিয়ালৰ তিনিজন সদস্যই বিহপান কৰি আত্মহত্যা কৰিলে। বিহপানৰ পাছত যন্ত্ৰণাত ছটফটাই থকা অৱস্থাত তিনিজন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও তেওঁলোকৰ প্ৰাণৰক্ষা সম্ভৱ নহ'ল। উক্ত তিনিজন ব্যক্তিয়ে বিহপানৰ পূৰ্বে এক টোকা লিখি মৃত্যুৰ বাবে সাতজন লোকক জগৰীয়া কৰি গৈছে। মহুলা নিবাসী প্ৰশান্ত পাত্ৰ, তৃপ্তি পাত্ৰ আৰু তেওঁলোকৰ পুত্ৰই বিহপান কৰি এইদৰে আত্মহনন কৰিলে। বিবাহৰ পাছৰে পৰা পাৰিবাৰিক অশান্তিৰ কাৰণত পৰিয়ালটোৱে এই চৰম সিদ্ধান্ত গ্ৰহণ কৰা বুলি আত্মহনন টোকাত উল্লেখ কৰিছে। প্ৰশান্তৰ মাতৃয়ে পুত্ৰ আৰু বোৱাৰীক নিৰ্যাতন চলোৱাৰ কথাও উক্ত টোকাত উল্লেখ কৰা হৈছে।

## ৰুছ সাংবাদিকে ১০৩.৫ নিযুত ডলাৰত বিক্ৰী কৰিলে ন'বেল বঁটা

**নিউজ ব্যুৰ', ম'স্কো, ২১ জুন ঃ** ৰাছিয়াৰ সাংবাদিক ডিমিত্ৰি মুৰাট'ভক লাভ কৰা শান্তিৰ ন'বেল বঁটা যোৱা নিশা নিলামযোগে বিক্ৰী কৰিলে। মুৰাট'ভে প্ৰকাশ কৰা অনুসৰি, ন'বেল বঁটা নিলামত বিক্ৰী কৰি লাভ কৰা ধনৰাশি তেওঁ ইউক্ৰেইনত যুদ্ধত গৃহহাৰা হোৱা শিশুসকলৰ পুনৰ সংস্থাপনৰ বাবে ইউনিচেফক দান কৰিব। ২০২১ৰ অক্টোবৰত স্বৰ্ণপদকৰে সন্মানিত মুৰাট'ভে স্বতন্ত্ৰ ৰুছ সংবাদপত্ৰ 'ন'বায়া গেজেট' প্ৰতিষ্ঠা কৰিছিল আৰু যোৱা মাৰ্চত সংবাদপত্ৰখনৰ প্ৰকাশ বন্ধ হোৱালৈকে তেওঁ মুখ্য সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজহুৱাভাৱে মুৰাট'ভে অসন্তুষ্টি প্ৰকাশ কৰিছিল। সাংবাদিকৰ বিৰুদ্ধে ৰুছ প্ৰশাসনে গ্ৰহণ কৰা কঠোৰ পদক্ষেপ পৰিণতিতে মুৰাট'ভৰ সংবাদপত্ৰখন বন্ধ হৈছিল। মুৰাট'ভে শান্তিৰ ন'বেল বঁটা বিক্ৰীৰ জৰিয়তে ১০৩.৫ নিযুত ডলাৰ লাভ কৰিলে আৰু এই ধনৰাশি তেওঁ ইউনিচেফক শিশুৰ কল্যাণৰ বাবে দান কৰিব। মুৰাট'ভে কয় যে শৰণাৰ্থী শিশুসকলক এক উন্নত ভৱিষ্যৎ প্ৰদান কৰিবলৈ তেওঁ এই ধনৰাশি আগবঢ়াব। 'মই বিশেষভাৱে সেইসকল শিশুৰ বাবে চিন্তিত, যিসকল শিশু যুদ্ধৰ ফলত ইউক্ৰেইনত অনাথ হ'ল। আমি তেওঁলোকৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব বিচাৰো।' মুৰাট'ভে এইদৰে কয়। উল্লেখ্য যে যোৱা বছৰত ফিলিপাইন্সৰ সাংবাদিক মাৰিয়া ৰেচাৰ স'তে যৌথভাৱে মুৰাট'ভে শান্তিৰ ন'বেল বঁটা লাভ কৰিছিল। মুৰাট'ভে ২০১৪ত ৰাছিয়াই ক্ৰিমিয়া দখল কৰাৰ তীব্ৰ বিৰোধিতা কৰিছিল আৰু যোৱা ফেব্ৰুৱাৰীত ৰুছ সেনাই ইউক্ৰেইনত আক্ৰমণ কৰাত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছিল।



## ৫০ বছৰৰ অভিলেখ ভংগকাৰী বৃষ্টিপাতত বিপৰ্যস্ত চীন, ক্ষতিগ্ৰস্ত দুই লক্ষাধিক



নিউজ ব্যুৰ', বেইজিং, ২১ জুন ঃ ভয়াৱহ বানত বিপৰ্যস্ত চীন। সোমবাৰে প্ৰায় দুই লাখ লোকক উদ্ধাৰ কৰি প্ৰশাসনে নিৰাপদ স্থানত আশ্ৰয় দিয়ে। চীনৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, বানৰ ফলত দেশখনত বৰ্তমানলৈকে কমেও দুহেজাৰ কোটি টকাৰ ক্ষয়-ক্ষতি হৈছে। অৱশ্যে এতিয়ালৈকে কোনো ব্যক্তিৰ প্ৰাণহানিৰ খবৰ লাভ কৰা হোৱা নাই। মূলত পাৰ্ল নদীৰ সংলগ্ন অঞ্চলত বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। সবাতোকৈ অধিক ক্ষতিগ্ৰস্ত হৈছে চীনৰ দক্ষিণ দিশৰ গুৱাংডং আৰু গুয়াংক্সি অঞ্চল। ১৯৬১ বৰ্ষৰ পাছত এয়ে প্ৰথমবাৰৰ বাবে সৰ্বাধিক বৃষ্টিপাত হৈছে চীনত। চীনৰ বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি মে' আৰু জুনত দেশখনত প্ৰায় ৬২১ মিলিমিটাৰ বৃষ্টিপাত হৈছে। প্ৰবল বৃষ্টিপাতৰ ফলত অচল হৈছে দেশৰ যোগাযোগ ব্যৱস্থা।

### ২০১৭ৰ পৰা বৰ্তমানলৈকে ছয় লক্ষাধিক ভাৰতীয়ৰ নাগৰিকত্ব ত্যাগ

## বিগত পাঁচ বছৰত ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰা বিদেশীৰ ৮৭ শতাংশই পাকিস্তানী

**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ জুন ঃ** বিদেশীক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিলে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে। মন্ত্ৰণালয়ৰ তথ্য অনুসৰি বিগত পাঁচ বছৰত যিসকল বিদেশীক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হ'ল তাৰ মাজত আছে ৮৭ শতাংশ পাকিস্তানী। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে প্ৰকাশ কৰা অনুসৰি, যোৱা পাঁচ বছৰত মুঠ ৫,২২০ জন বিদেশীক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছিল। এইসকল লোকৰ মাজত আছে ৪,৫৫২ জন পাকিস্তানৰ নাগৰিক। মন্ত্ৰীজনে প্ৰকাশ কৰা আন এক চাঞ্চল্যকৰ তথ্য অনুসৰি ২০১৭ বৰ্ষৰ পৰা বৰ্তমানলৈকে ছয় লক্ষাধিক ভাৰতীয়ই নিজৰ নাগৰিকত্ব ত্যাগ কৰিলে। সম্প্ৰতি এক সংস্থাই তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত নাগৰিকত্বৰ প্ৰসংগত তথ্য বিচৰাত কেন্দ্ৰী গৃহ মন্ত্ৰণালয়ে এইসমূহ তথ্য দাখিল কৰিলে। মন্ত্ৰণালয়ৰ তথ্যত উল্লেখ কৰা মতে, প্ৰতি বছৰে গড়ে এক লাখ ২১ হেজাৰ ৬৩২ জন ভাৰতীয়ই নাগৰিকত্ব ত্যাগ কৰি আহিছে। আনহাতে, বিগত পাঁচ বছৰত মাত্ৰ ১,০৪৪ জন ভাৰতীয়ই নাগৰিকত্ব গ্ৰহণ কৰিলে। গৃহ মন্ত্ৰণালয়ৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা মতে, ভাৰতীয়সকলৰ সবাতোকৈ পছন্দৰ গন্তব্য দেশ হৈছে আমেৰিকা। ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰা সৰহসংখ্যক লোকে আমেৰিকাৰ নাগৰিকত্ব গ্ৰহণ কৰিছে। বিগত পাঁচ বছৰত মাত্ৰ ৭১ জন মাৰ্কিন নাগৰিকে ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰিলে। ভাৰতীয় নাগৰিকত্ব গ্ৰহণত শীৰ্ষত আছে পাকিস্তান। একেদৰে আফগানিস্তান দ্বিতীয় আৰু বাংলাদেশে তৃতীয় স্থান দখল কৰিছে।



## সংকটত ইজৰাইল, ভাঙিল মৰ্চা ঃ অক্টোবৰত হ'ব পাৰে পুনৰ নিৰ্বাচন



**নিউজ ব্যুৰ' জেৰুজালেম, ২১ জুন ঃ** মধ্যপ্ৰাচ্যৰ বিশ্বৰ একমাত্ৰ ইহুদী দেশ ইজৰাইলত পুনৰ ৰাজনৈতিক সমস্যা আৰম্ভ হ'ল। সোমবাৰে নাফতালি বেনেটৰ নেতৃত্বাধীন মৰ্চা চৰকাৰৰ মাজত হঠাৎ সমস্যাই দেখা দিয়ে। ইয়াৰ পাছতে মৰ্চাত থকা দুই দলে মৰ্চা ভংগৰ কথা ঘোষণা কৰিলে। অৱশ্যে আপাতত তত্বাৱধায়ক চৰকাৰ থাকিব আৰু অহা অক্টোবৰত দেশখনত নতুন নিৰ্বাচন অনুষ্ঠিত হ'ব পাৰে। জানিব পৰা মতে, বেনেট আৰু বিদেশ মন্ত্ৰী ইয়াইৰ লেপিডৰ মাজত বিগত নিৰ্বাচনৰ পাছতে এক চুক্তি হৈছিল। উভয়ে একেলগে অৰ্ধেক ম্যাদৰ বাবে প্ৰধানমন্ত্ৰীৰ পদত কাৰ্যনিৰ্বাহ কৰিব বুলি এই চুক্তিত উল্লেখ কৰা হৈছিল। ইয়াৰ পাছতে বেনেট আৰু লেপিডে মৰ্চা চৰকাৰ গঠন কৰিছিল। ইজৰাইলৰ আৰব পাৰ্টিয়েও এই মৰ্চাত যোগদান কৰিছিল। চুক্তিৰ অধীনত বেনেট প্ৰধানমন্ত্ৰী আৰু লেপিড বৈদেশিক মন্ত্ৰী হৈছিল। তিনি দলৰ মাজত ক্ৰমবৰ্ধমান মত প্ৰাৰ্থক্যৰ ফলত অৱশেষত বেনেট চৰকাৰৰ পতন হ'ল। অৱশ্যে চুক্তিৰ ভিত্তিত অহা মাহত বেনেটে প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰি লেপিডক নতুন প্ৰধানমন্ত্ৰী নিযুক্ত কৰাৰো সম্ভাৱনা আছে। বিগত চাৰি বছৰত ইজৰাইলত পাঁচবাৰ নিৰ্বাচন অনুষ্ঠিত হ'ল। কিন্তু এটাও নিৰ্বাচনত কোনো দলে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিব পৰা নাই।

## পেকেটজাতীয় বেনামী খাদ্যতো জি এছ টি কৰা হ'ব পাৰে বলৱৎ



নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুন ঃ চলিত মাহৰ অন্তিমভাগত জম্মু-কাশ্মীৰৰ শ্ৰীনগৰত অনুষ্ঠিত হ'ব সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) পৰিষদৰ বৈঠক। এই বৈঠকত জি এছ টিৰ একাধিক নিয়ম সলনিৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। বৰ্তমানে পেকেটত উপলব্ধ ব্ৰেণ্ডহীন অৰ্থাৎ বেনামী খাদ্যৰ ক্ষেত্ৰত জি এছ টি আৰোপ কৰা হোৱা নাই। কিন্তু অচিৰে পেকেটজাতীয় বেনামী খাদ্যতো জি এছ টি আৰোপ কৰা হ'ব পাৰে। এনে ধৰণৰ খাদ্যৰ পেকেটত পাঁচ শতাংশ জি এছ টি ধাৰ্য কৰাৰ সম্ভাৱনা আছে। একেদৰে অনলাইনৰ ক্ষুদ্ৰ বিক্ৰেতাক জি এছ টিৰ বাহিৰলৈ অনা হ'ব পাৰে। অনলাইন গেমিঙৰ ক্ষেত্ৰতো জি এছ টিৰ পৰিমাণ বৰ্তমানৰ ১৮ শতাংশৰ পৰিৱৰ্তে ২৮ শতাংশলৈ বৃদ্ধি কৰা হ'ব পাৰে।



## কন্নড় অভিনেতা সতীশ বজ্ৰৰ ৰক্তাক্ত মৃতদেহ উদ্ধাৰ

**নিউজ ব্যুৰ' বাংগালুৰু, ২১ জুন ঃ** জনপ্ৰিয় কন্নড় অভিনেতা সতীশ বজ্ৰৰ হত্যাৰ বলি হ'ল। ৩২ বছৰীয়া অভিনেতাজনৰ ৰক্তাক্ত মৃতদেহ বাসগৃহৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিলে। সতীশে বাংগালুৰুৰ আৰ আৰ নগৰত বাস কৰিছিল। প্ৰকাশিত বাতৰি অনুসৰি আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। তিনিমাহ পূৰ্বে সতীশৰ পত্নীয়ে আত্মহত্যা কৰিছিল। সতীশে বাস কৰা ঘৰটোৰ গৰাকীয়ে ফ্লেটৰ পৰা ৰক্ত নিগৰিত হোৱা প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিছিল আৰু আৰক্ষীয়ে আহি বাসগৃহৰ পৰা ৰক্তাক্ত মৃতদেহটো উদ্ধাৰ কৰে। চিচি টিভিৰ ফুটেজত আবদ্ধ হোৱা দৃশ্য অনুসৰি ঘৰত উপস্থিত হোৱাৰ সময়তে সতীশক দুজন অজ্ঞাত পৰিচয় ব্যক্তিয়ে চোকা অস্ত্ৰৰে আক্ৰমণ কৰি হত্যা কৰিছিল।

## চলিত বৰ্ষতে দেশৰ ২৫ চহৰত ৫ জি ইণ্টাৰনেট সেৱা প্ৰৱৰ্তন

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুন ঃ** ২০২২ বৰ্ষৰ অন্তিমভাগত ভাৰতৰ একাধিক চহৰত আৰম্ভ কৰা হ'ব ৫ জি ম'বাইল ইণ্টাৰনেট সেৱা। ইয়াৰ বাবে অধিক ধন ব্যয় কৰিব নালাগিব উপভোক্তাই। গ্ৰাহকক এনে সুখবৰ দিলে কেন্দ্ৰীত তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। কেন্দ্ৰীয় মন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি চলিত বৰ্ষৰ অন্তিমভাগত দেশৰ ২০ৰ পৰা ২৫ খন চহৰত ৫ জি সেৱা আৰম্ভ কৰা হ'ব। মন্ত্ৰীজনে লগতে কয় যে এই সেৱাৰ ব্যয় বিশ্ব বজাৰৰ তুলনাত ভাৰতত যথেষ্ট কম হ'ব। উল্লেখ্য যোৱা বুধবাৰে কেন্দ্ৰৰ চৰকাৰে স্পেকট্ৰাম নিলাম আয়োজনৰ বাবে অনুমতি দিছিল। জুলাইত ৫ জি স্পেকট্ৰামৰ নিলাম অনুষ্ঠিত হ'ব। প্ৰাথমিকভাৱে দিল্লী, মুম্বাই, কলকাতা, গুৰুগ্ৰাম, পুনে, বাংগালুৰু, চণ্ডীগড়, চেন্নাই, লক্ষ্ণৌ, হায়দৰাবাদ, জামনগৰ, আহমেদাবাদ আৰু গান্ধীনগৰত ৫ জি সেৱা প্ৰৱৰ্তন কৰা হ'ব। ভাৰতত ৫ জি সেৱাৰ ন্যূনতম ব্যয় ১৫৫ টকাৰ পৰা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ৫ জি সেৱাৰ অধীনত গ্ৰাহকসকলে বৰ্তমানৰ তুলনাত ১০ গুণ অধিক গতিসম্পন্ন ইণ্টাৰনেট সেৱা লাভ কৰিব।




## দিল্লীৰ বিদ্যালয়ত যোগাসন প্ৰশিক্ষণ দিব কেজৰিৱাল চৰকাৰে



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি ত্যাগৰাজ ষ্টেডিয়ামত যথেষ্টসংখ্যক লোকৰ স'তে যোগাসন অনুশীলন কৰে। দিল্লীবাসীক বিনামূলীয়াকৈ যোগ শিক্ষা প্ৰদানৰ প্ৰতিশ্ৰুতি দি মুখ্যমন্ত্ৰীজনে কয় যে তেওঁৰ চৰকাৰে বিদ্যালয়ত যোগ প্ৰশিক্ষণ দিব বিচাৰে। যোগ অনুশীলনত অংশ লৈ কেজৰিৱালে কয় যে দিল্লী চৰকাৰে সকলো লোকে দৈনিক যোগাসন কৰাটো বিচাৰে। মুখ্যমন্ত্ৰীজনে কয়, 'যদি শিশুসকলক যোগাসনৰ অভ্যাস কৰোৱা হয়, তেন্তে আজীৱন তেওঁলোকৰ জীৱনত এই অভ্যাস থাকি যাব। আমাৰ উদ্দেশ্য শিশুক যোগাসনৰ শিক্ষা প্ৰদান কৰা আৰু কেনেকৈ বিদ্যালয়ত যোগাসনৰ প্ৰশিক্ষণ আৰম্ভ কৰিব পাৰি সেই কথা আমি চিন্তা-চৰ্চা কৰিছো।'

## চিকিৎসালয়ৰ পৰা ঘৰলৈ উভতিল ছোনিয়া



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জুন ঃ** ছাৰ গংগাৰাম হাস্পতালৰ পৰা ঘৰলৈ উভতি যোৱা অনুমতি লাভ কৰিলে কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীয়ে। কংগ্ৰেছ নেত্ৰীগৰাকীক চিকিৎসকে সম্প্ৰতি বিশ্ৰামত থকাৰ পৰামৰ্শ দিছে। উল্লেখ্য যে ক'ভিডত সংক্ৰমিত হোৱা গান্ধীক যোৱা ১২ জুনত নাকৰ পৰা ৰক্তক্ষৰণ হোৱাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। যোৱা নিশা চিকিৎসকে তেওঁক ঘৰলৈ যাবলৈ অনুমতি দিয়ে। প্ৰকাশিত বাতৰি অনুসৰি, সম্প্ৰতি গান্ধীৰ শাৰীৰিক অৱস্থা স্থিতিশীল।

## প্ৰেমজনিত কাৰণত টেলিভিছনৰ জনপ্ৰিয় ওড়িয়া অভিনেত্ৰী ৰশ্মিৰেখাৰ আত্মহত্যা

**নিউজ ব্যুৰ', ভুবনেশ্বৰ, ২১ জুন ঃ** টেলিভিছনৰ জনপ্ৰিয় ওড়িয়া অভিনেত্ৰী ৰশ্মিৰেখা ওজাই আত্মহত্যা কৰিলে। ২৩ বছৰীয়া অভিনেত্ৰীগৰাকীৰ মৃতদেহ ভুবনেশ্বৰৰ নয়াপালি অঞ্চলৰ এটা ভাড়াঘৰত উদ্ধাৰ হ'ল। অভিনেত্ৰীগৰাকীয়ে চিলিং ফেনত চিপ লৈ আত্মহনন কৰে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। ৰশ্মিৰেখাৰ আত্মহত্যাৰ কাৰণ জানিব পৰা হোৱা নাই যদিও প্ৰাথমিক অনুসন্ধানত অভিনেত্ৰীগৰাকীৰ পিতৃয়ে অভিযোগ কৰা অনুসৰি, প্ৰেমজনিত কাৰণত তেওঁ আত্মহত্যা কৰিবলৈ বাধ্য হ'ল। ৰশ্মিৰেখাই সন্তোষ নামৰ এজন যুৱকৰ স'তে একেটা ঘৰতে মুক্ত সহবাস কৰিছিল। আৰক্ষীয়ে লগতে জনোৱা অনুসৰি, অভিনেত্ৰীয়ে আত্মহননৰ পূৰ্বে লিখা এক টোকা লাভ কৰা হৈছে যদিও উক্ত টোকাত তেওঁ মৃত্যুৰ বাবে কোনো ব্যক্তিক জগৰীয়া কৰা নাই।






## ভাৰত-টাইৱানৰে সংঘাতৰ মাজতে অত্যাধুনিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষা চীনৰ

**নিউজ ব্যুৰ', বেইজিং, ২১ জুন ঃ** ভাৰত আৰু টাইৱানৰ স'তে সংঘাত অব্যাহত থকাৰ সময়তে অত্যাধুনিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক উৎক্ষেপণ কৰিলে চীনে। চীনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ইণ্টাৰকণ্টিনেণ্টেল বেলিষ্টিক ক্ষেপণাস্ত্ৰ (আইচিবিএম) প্ৰতিৰোধৰ বাবে এই প্ৰতিৰক্ষা ব্যৱস্থাৰ পৰীক্ষা সম্পন্ন কৰা হ'ল। এই পৰীক্ষা সম্পূৰ্ণ সফল আছিল বুলিও চীনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে সদৰী কৰিছে। কেৱল প্ৰতিৰক্ষাৰ স্বাৰ্থতে এই অত্যাধুনিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষা কৰা বুলিও বেইজিঙে দাবী কৰিছে। যোৱা বছৰৰ ফেব্ৰুৱাৰীৰ পাছত এয়ে প্ৰথম চীনে এনে ধৰণৰ ক্ষেপণাস্ত্ৰৰ পৰীক্ষা সম্পন্ন কৰিলে।

## অধিক ধ্বংসাত্মক আক্ৰমণ চলাব পাৰে ৰাছিয়াই, আশংকা জেলেন'স্কিৰ

**নিউজ ব্যুৰ', কীভ, ২১ জুন ঃ** ইউৰোপৰ প্ৰায়বোৰ শক্তিধৰ দেশে ইতিমধ্যে ইউক্ৰেইনৰ সমৰ্থনত থিয় দিছে। জাৰ্মানী, ইটালী, ব্ৰিটেইন, ফ্ৰান্স সকলোৱে ইতিমধ্যে স্পষ্ট কৰি কৈছে যে তেওঁলোকে অবিলম্বে ইউৰোপীয় সংঘ (ই ইউ)ত যোগদানৰ বাবে ইউক্ৰেইনে অনুমতি লাভ কৰাটো বিচাৰিছে। আৰু মাত্ৰ কেইটামানদিনৰ ভিতৰতে ইউক্ৰেইনৰ ই ইউত যোগদানৰ সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। এনে পৰিস্থিতিতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেন'স্কিয়ে ৰাছিয়াই অধিক ভয়াৱহ আক্ৰমণ ইউক্ৰেইনত চলাব বুলি আশংকা ব্যক্ত কৰিলে। জেলেন'স্কিয়ে কয় যে ৰাছিয়াই এনে এক বিধ্বংসী আক্ৰমণ সংঘটিত কৰিব পাৰে, যি কল্পনাতীত। যুদ্ধৰ আৰম্ভণিৰ পৰাই ম'স্কোৱে সকীয়নি দি আহিছে যে যি দেশে ইউক্ৰেইনৰ সমৰ্থনত থিয় দিব, সেই দেশে মূল্য আদায় দিব লাগিব। ইউক্ৰেইনক ইউৰোপীয় সংঘত অন্তৰ্ভুক্ত কৰিলে শংকিত ৰাছিয়াই কীভৰ বিৰুদ্ধে অধিক আক্ৰমণাত্মক ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা আছে। জেলেন'স্কিয়ে এই ক্ষেত্ৰত অধিক শংকা প্ৰকাশ কৰি এখন সংবাদমেলত এইদৰে কয়, 'আগন্তুক এসপ্তাহত ইউক্ৰেইনৰ বাবে কিছু ভাল সিদ্ধান্ত লোৱা হ'ব পাৰে। সমগ্ৰ ইউৰোপৰ স্বাৰ্থত এক ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰা হ'ব পাৰে। আমি নিশ্চিত, ইয়াৰ ফলত ৰাছিয়াৰ আক্ৰমণৰ গতিও এই সপ্তাহত অধিক বৃদ্ধি পাব পাৰে। আমিও ইয়াৰ বাবে সাজু হৈছো।'




## আৰ জে ডিৰ বাহুবলী বিধায়ক অনন্ত সিঙক ১০ বছৰৰ কাৰাদণ্ড



নিউজ ব্যুৰ', পাটনা, ২১ জুন ঃ ঘৰত অবৈধভাৱে এ কে-৪৭ ৰাইফল ৰখাৰ অভিযোগত দোষী সাব্যস্ত হোৱা বিহাৰৰ ম'কামাৰ আৰ জে ডিৰ বাহুবলী বিধায়ক অনন্ত সিঙক আজি আদালতে অস্ত্ৰ আইনৰ অধীনত ১০ বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। পাটনাৰ এম পি-এম এল এ আদালতে সিঙক এই দণ্ড বিহিলে। উল্লেখ্য যে বিধায়কজনৰ বাসগৃহৰ পৰা আৰক্ষীৰ তালাচীত এ কে-৪৭ ৰাইফল আৰু অন্যান্য জব্দ কৰা হৈছিল। বিশেষ আদালতে যোৱা ১৪ জুনত সিঙক এই গোচৰত দোষী সাব্যস্ত কৰিছিল। ২০১৯ৰ পৰা সিং কাৰাগাৰত বন্দী হৈ আছে।

## কাশ্মীৰত আৰক্ষীৰ দুই তালাচী অভিযানত চাৰি সন্ত্ৰাসবাদী নিহত



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২১ জুন ঃ** সন্ত্ৰাস দমনত পুনৰ বৃহৎ সফলতা লাভ কৰিলে কাশ্মীৰ আৰক্ষীয়ে। আজি পুৱাতে সেনা আৰু আৰক্ষীৰ অভিযানত ধৰাশায়ী হ'ল চাৰিজন সন্ত্ৰাসবাদী। নিহত সন্ত্ৰাসবাদীকেইজনৰ মাজত এজন জইচ-এ-মহম্মদৰ সদস্যও আছে। যোৱা নিশাৰে পৰা নিৰাপত্তা বাহিনীয়ে বাৰামুলাৰ ছ'প'ৰ আৰু পুলৱামাৰ একাধিক অঞ্চলত সন্ত্ৰাসবাদীৰ সন্ধানত তালাচী অভিযান চলাইছিল। আজি পুৱাতে প্ৰথমে ছ'প'ৰ অঞ্চলত সন্ত্ৰাসবাদীৰ স'তে হোৱা সংঘৰ্ষত সেনাৰ গুলিত জইচৰ এজন সদস্য নিহত হয়। একেটা সংঘৰ্ষত আন এজন সন্ত্ৰাসবাদীও ধৰাশায়ী হয়। ইফালে, দক্ষিণ কাশ্মীৰৰ পুলৱামাতো আৰক্ষীৰ গুলিত প্ৰাণ হেৰুৱালে দুজন সন্ত্ৰাসবাদীয়ে।

## ছিৰিয়াত সামৰিক ঘাটিত সন্ত্ৰাসবাদীৰ আক্ৰমণত ১৩ জনৰ মৃত্যু

**নিউজ ব্যুৰ', ডামাস্কাছ, ২১ জুন ঃ** উত্তৰ কোৰিয়াত কালি সেনাৰ এক ঘাটিত সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণৰ ঘটনাত ১৩ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ মাজত ১১ জন সৈনিক আছে। তদুপৰি বোমা আক্ৰমণৰ ঘটনাত আন দুজন লোক আহত হয়। ছিৰিয়াৰ চৰকাৰী টেলিভিছন চেনেলৰ বাতৰি অনুসৰি, দেশখনৰ ৰক্কা প্ৰদেশত সন্ত্ৰাসবাদী সংগঠন ইছলামিক ষ্টেট (আইছিছ)-এ এই ভয়াৱহ আক্ৰমণ সেনাৰ ঘাটিক লক্ষ্য হিচাপে লৈ সংঘটিত কৰিলে। সন্ত্ৰাসবাদীয়ে মেচিনগানৰে গুলিবৰ্ষণ কৰাৰ লগতে বোমা দলিয়ায়ো আক্ৰমণ চলাইছিল।



## নলবাৰীত যুৱ-ছাত্ৰ পৰিষদৰ ৰাভা দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী চহৰ সমিতিয়ে কালি ৰাভা দিৱস পালন কৰে। সংগঠনটোৱে নলবাৰী সৰিয়হতলিৰ গোপাল থানত বিভিন্ন কাৰ্যসূচীৰে ৰাভা দিৱস উদ্‌যাপনৰ যো-জা কৰিছিল যদিও সমগ্ৰ জিলাখন বানপানীৰ কবলত থকা বাবে উক্ত কাৰ্যসূচী বাতিল কৰি এন টি ৰোডস্থিত জিলা সমিতিৰ কাৰ্যালয়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি বিপ্লৱী শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী চহৰ সমিতিৰ সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি বৰ্মনে আঁত ধৰা অনুষ্ঠানত কলাগুৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি নলবাৰী জিলা সমিতিৰ উপদেষ্টা গৌতম কুমাৰ শৰ্মা, সাধাৰণ সম্পাদক কৌশিক বৰ্মন, নলবাৰী চহৰ সমিতিৰ সভাপতি নয়ন শৰ্মাই বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনৰ ওপৰত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সংগঠনটোৰ বহুকেইগৰাকী বিষয়ববীয়া আৰু কৰ্মকৰ্তা উপস্থিত থাকে।

## বিষ্ণুপ্ৰসাদ ৰাভা 'সৈনিক শিল্পী' হিচাপেহে স্বীকৃতি পোৱা উচিত ঃ ড° অৱনী কুমাৰ দাস

### ■ সাতপখলীত বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস উদ্‌যাপন



**ছয়গাওঁ, ২১ জুন ঃ** 'অসমীয়া জাতিৰ সৰ্বকালৰ অন্যতম কীৰ্তিমান সন্তান বিষ্ণুপ্ৰসাদ ৰাভাক প্ৰকৃতাৰ্থত 'সৈনিক শিল্পী' হিচাপেহে স্বীকৃতি দিয়া উচিত। 'কলাগুৰু' উপাধিটোৱে তেওঁৰ দৰে মহান আৰু কালজয়ী সত্তাক সম্পূৰ্ণ প্ৰতিনিধিত্ব কৰিব নোৱাৰে দক্ষিণ কামৰূপৰ ৰামপুৰ মৌজাৰ অন্তৰ্গত সাতপখলীৰ পঁপুৰ সাংস্কৃতিক গোষ্ঠীয়ে বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উপলক্ষে আয়োজন কৰা আলোচনাচক্ৰত আলোচকৰূপে অংশগ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ দাসে কালি এনেদৰে মন্তব্য কৰে। সাংবাদিক বিমল শৰ্মাই সঞ্চালনা কৰা 'সাম্প্ৰতিক সময়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰাসংগিকতা কিমান সম্ভৱ' শীৰ্ষক আলোচনাচক্ৰত ভাগ লৈ অধ্যাপক ড° দাসে বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰাজনৈতিক-সাংস্কৃতিক দৰ্শন জনসাধাৰণে ভালদৰে উপলব্ধি কৰিব নোৱাৰাৰ ফলত আমাৰ ৰাজ্য তথা দেশত যে ধনী-দুখীয়াৰ ব্যৱধান বাঢ়ি গৈ আছে সেই সম্পৰ্কেও বিশ্লেষণ দাঙি ধৰে। সাতপখলীৰ ৯৫ নম্বৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আয়োজন কৰা আলোচনাচক্ৰখনত বক্তব্য ৰাখি সাতপখলী-তেজপুৰ গাঁও পঞ্চায়তৰ সভাপতি জোন কুমাৰ দাসে গণশিল্পী বিষ্ণুপ্ৰসাদ ৰাভা যে আমাৰ অসমীয়া জাতিৰ সৰ্বকালৰ শ্ৰেষ্ঠ পুৰুষ হ'বৰ যোগ্য সেই সম্পৰ্কে পৰ্যালোচনা দাঙি ধৰে। তদুপৰি সাতপখলীৰ গৌৰৱ তথা আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ আৰেন সাউদে বিষ্ণুপ্ৰসাদ ৰাভা মজদুৰ-কৃষক-শ্ৰমিকৰ যে যথাৰ্থতে মহানায়ক আছিল সেই সম্পৰ্কে চমুকৈ বক্তব্য দাঙি ধৰে। তদুপৰি আলোচনাচক্ৰত সাতপখলী গাঁও উন্নয়ন সমিতিৰ সভাপতি জগদীশ প্ৰসাদ দাস, অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক যোগেন্দ্ৰ ঠাকুৰীয়া, সাতপখলী নৱোদয় ক্লাবৰ সভাপতি কামেশ্বৰ দাসেও চমুকৈ বক্তব্য ৰাখে। আলোচনাচক্ৰৰ মাজতে অনাতাঁৰ শিল্পী হৰেন কলিতা, অঞ্জলী দাস মালী, শিশুশিল্পী দীক্ষিতা দাসে বিষ্ণুপ্ৰসাদ ৰাভাৰ দ্বাৰা ৰচিত গীত পৰিৱেশন কৰে। সঞ্চালক বিমল শৰ্মাই পৰৱৰ্তী বৰ্ষৰ পৰা সাতপখলী পঁপুৰ সাংস্কৃতিক গোষ্ঠীয়ে বিষ্ণুপ্ৰসাদ ৰাভাক 'সৈনিক শিল্পী' ৰাভা উল্লেখেৰে নতুন কাৰ্যক্ৰমণিকা ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। সভাৰ মাজতে সাতপখলীৰ সাহিত্যানুৰাগী তথা নীৰৱ কবি খুদিৰাম দাসে বিষ্ণুপ্ৰসাদ ৰাভাক লৈ লিখা কবিতা এটা পাঠ কৰে । ইয়াৰ পূৰ্বে পুৱাৰ ভাগত পঁপুৰ সাংস্কৃতিক গোষ্ঠীৰ পতাকা উত্তোলন কৰে সভাপতি শৈলেন মালীয়ে আৰু উত্তোলনস্থলীত চমুকৈ বক্তব্য ৰাখে উপদেষ্টা চবিন দাসে। গছপুলি ৰোপণ কৰে প্ৰধান শিক্ষক বিমল কলিতা, কামেশ্বৰ দাস আৰু দীপক ঠাকুৰীয়াই।

## আমবাগানত পি এম কিষাণ আঁচনি ৰূপায়ণক লৈ কৃষি বিষয়াৰ ক্ষেত্ৰভিত্তিক অনুসন্ধান

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২০ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ৰূপায়ণ হৈ অহা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি (পি এম কিষাণ) নামৰ আঁচনিখনৰ ৰূপায়ণৰ বিষয়ে যোৱা ১৮ জুনত কলিয়াবৰ মহকুমা কৃষি বিষয়া বিষ্ণু ৰঞ্জন শইকীয়াই আমবাগান কৃষি চক্ৰৰ অন্তৰ্গত কে'বাখনো গাঁৱত ক্ষেত্ৰভিত্তিক অনুসন্ধান চলায়। মহকুমা কৃষি বিষয়াই শিঙিমাৰী, শালপাৰা আৰু মাগুৰমাৰী গাঁও পঞ্চায়তৰ কে'বাখনো গাঁৱত প্ৰৱেশ কৰি অভিলাষী পি এম কিষাণ আঁচনিখন কিদৰে ৰূপায়ণ কৰা হৈছে, তাৰ ওপৰত কৃষকসকলৰ মতামত গ্ৰহণ কৰে। পি এম কিষাণ আঁচনিৰ হিতাধিকাৰীয়ে আধাৰ লিংক আৰু ই-কে ৱাই চি সম্পন্ন কৰিবলৈ সক্ষম হৈছে নে নাই সেই বিষয়ে কৃষকক প্ৰশ্ন সোধে বিষয়াজনে। তদুপৰি কৃষি বিভাগে নিয়োজিত কৰা স্থানীয় গ্ৰাম সেৱকজনে আধাৰ লিংক আৰু ই-কে ৱাই চি সম্পন্ন কৰাৰ ক্ষেত্ৰত কৃষক ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিছে নে নাই তাৰ ওপৰত মতামত গ্ৰহণ কৰে। কৃষক ৰাইজে গ্ৰামসেৱকজনে যথোপযুক্ত সেৱা আগবঢ়াই আছে বুলি মহকুমা কৃষি বিষয়াৰ সন্মুখত প্ৰকাশ কৰে।

## মৈত্ৰেয়ী শাখা সাহিত্য সভাৰ কলাগুৰু ৰাভা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ জুন ঃ** নলবাৰী জিলা সাহিত্য সভাৰ অন্তৰ্গত কেৱল মহিলাৰ দ্বাৰা গঠিত মৈত্ৰেয়ী শাখা সাহিত্য সভাৰ উদ্যোগত কালি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন কৰা হয়। নলবাৰীত বান সৃষ্ট ভয়াৱহ পৰিৱেশৰ বাবে প্ৰযুক্তি মুক্তধাৰাৰ গুগল মিটৰ জৰিয়তে এই দিৱস পালন কৰা হয়। অনুষ্ঠানত মৈত্ৰেয়ী শাখা সাহিত্য সভাৰ সভাপতি দীপামণি গোস্বামীয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি জ্বলাই আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদনেৰে মুকলি কৰে। অনুষ্ঠানৰ আঁত ধৰে মৈত্ৰেয়ী শাখা সাহিত্য সভাৰ সম্পাদক কবিতা ডেকা তালুকদাৰে। নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই পৰিচালনা কৰা এই অনুষ্ঠানত নিৰুপমা হালৈ, নিৰুপমা দেৱী, সেউতি দেৱী, শেৱালি কাকতি, চুনুমা বৈশ্য, কবিতা ডেকা তালুকদাৰ, দীপামণি গোস্বামী প্ৰমুখ্যে কে'বাগৰাকীয়ে বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনৰ বিষয়ে আলোকপাত কৰাৰ লগতে ৰচিত কবিতা আবৃত্তি বিষ্ণুপ্ৰসাদ ৰাভা সংগীত পৰিবেশন কৰি কলাগুৰুজনালৈ শ্ৰদ্ধা জ্ঞাপন কৰে। অসম সংগীতৰ বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ কাৰ্যসূচী সামৰা হয়।

## কলেজত প্ৰৱেশ কৰি অধ্যাপিকাক মাৰধৰ কৰিলে প্ৰাক্তন স্বামীয়ে

### ■ ধুবুৰীৰ আলমগঞ্জ ৰঙামাটি মহাবিদ্যালয়ত অঘটন

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২১ জুন ঃ** ধুবুৰী জিলাৰ আলমগঞ্জ ৰঙামাটি ডিগ্ৰী কলেজৰ অসমীয়া বিভাগৰ এগৰাকী অধ্যাপিকাক কালি মাৰধৰ কৰে তেওঁৰ প্ৰাক্তন স্বামী আয়ুব আলীয়ে। তাৰ পাছতে প্ৰাক্তন স্বামী আৰু অধ্যাপিকাৰ মাজত দুৰ্বাদল কাজিয়া আৰম্ভ হয়। ঘটনাৰ বিৱৰণি মতে, ডিগ্ৰী কলেজখনৰ ৪৪ বছৰীয়া এগৰাকী অধ্যাপিকাক পলুৱাই নি বিহুৰ বতৰত পলায়ন কৰিছিল একেখন মহাবিদ্যালয়ৰ আৰবী বিষয়ৰ প্ৰবক্তা ফৰহাদ আলীয়ে। অভিযোগ অনুসৰি, ঐতিহ্যবাহী মহাবিদ্যালয়খনৰ আৰবী বিষয়ৰ প্ৰবক্তা ফৰহাদ আলীৰ লগত একেখন মহাবিদ্যালয়ৰ অধ্যাপিকা নুৰনেহাৰৰ আছিল অবৈধ প্ৰেমৰ সম্পৰ্ক। তাৰ পাছতে দুয়ো বিবাহ পাশত আৱদ্ধ হয়। উল্লেখ্য যে অধ্যাপিকা নুৰ নেহাৰৰ আছে তিনিগৰাকী কন্যা। আনহাতে, প্ৰবক্তা ফৰহাদ আলীৰ প্ৰথমা পত্নীৰ স'তে বিবাহ বিচ্ছেদৰ পাছত আছে এগৰাকী কন্যা। এখন চৰকাৰী শিক্ষানুষ্ঠানৰ অধ্যক্ষ আয়ুব আলীৰ পত্নী আছিল নুৰনেহাৰ। নুৰনেহাৰৰ আছে তিনি গৰাকীকৈ কন্যা। এখন ভৰপুৰ সংসাৰ এৰি থৈ প্ৰবক্তা ফৰহাদৰ লগত অধ্যাপিকা নুৰনেহাৰে বিবাহ পাশত আৱদ্ধ হোৱাৰ পাছত জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। অলপতে অধ্যাপিকা নুৰনেহাৰৰ পিতৃ পৰিয়ালে চাপ সৃষ্টিৰে প্ৰবক্তা ফৰহাদৰ স'তে আদালতৰ জৰিয়তে বিবাহ বিচ্ছেদ ঘটায় যদিও প্ৰবক্তা ফৰহাদৰ লগত সম্পৰ্ক অটুট ৰাখে অধ্যাপিকা নুৰনেহাৰে। ধুবুৰীস্থিত পিতৃ গৃহৰ পৰা অধ্যাপিকাগৰাকীয়ে আলমগড় ৰঙামাটি মহাবিদ্যালয়খনত আহি ছাত্ৰ-ছাত্ৰীক দিয়ে পাঠদান। কালি অধ্যাপিকা নুৰনেহাৰৰ প্ৰাক্তন স্বামী তথা এখন চৰকাৰী বিদ্যালয়ৰ অধ্যক্ষজনে আলমগড় ৰঙামাটি মহাবিদ্যালয়ত উপস্থিত হৈ কলেজখনৰ অধ্যক্ষক সাক্ষাৎ কৰি ঘটনাটো অৱগত কৰে। সেই সময়ত অধ্যাপিকা নুৰনেহাৰে প্ৰতিবাদ কৰাত তেওঁৰ প্ৰাক্তন স্বামী আয়ুব আলীয়ে অধ্যাপিকাগৰাকীক ৰাজহুৱা স্থানত বেয়াকৈ মাৰধৰ কৰে। তাৰ পাছতেই প্ৰাক্তন স্বামীৰ লগত দুৰ্বাদল কাজিয়াৰ সৃষ্টি হয়। বিয়লি দুই বজাত এই অপ্ৰীতিকৰ ঘটনাটো সংঘটিত হোৱাৰ পাছত অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইপিনে, অধ্যাপিকা নুৰনেহাৰৰ লগত বিবাহ বিচ্ছেদ হোৱা নাই বুলি প্ৰবক্তা ফৰহাদে জানিবলৈ দিয়ে।

## গম্ভীৰ মেধি স্কুলৰ হীৰক জয়ন্তী মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২১ জুন ঃ** বস্ত্ৰ নগৰী শুৱালকুছিৰ অন্যতম প্ৰাথমিক শিক্ষানুষ্ঠান গম্ভীৰ মেধি প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তী মহোৎসৱ উদ্‌যাপনৰ আয়োজন কৰিছে। বৰ্ষজোৰা মহোৎসৱৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ তৰুণ চন্দ্ৰ দাসক সভাপতি নৃপেন্দ্ৰ কুমাৰ দাস (মণ্টু)ক কাৰ্যকৰী সভাপতি, ভৱেশ দাসক উপ-সভাপতি, চানু বৈশ্যক সম্পাদিকা, দশৰথ দাস আৰু মিতালী দাসক সহকাৰী সম্পাদকৰূপে লৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰাৰ লগতে নখন উপ-সমিতি গঠন কৰে। তৰুণ চন্দ্ৰ দাসৰ সভাপতিত্বত স্থানীয় সৰস্বতী বিবাহ ভৱনত অনুষ্ঠিত হীৰক জয়ন্তীৰ ৰাজহুৱা সভাত বৰ্ষজোৰা বিভিন্ন অনুষ্ঠানৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক-শৈক্ষিক-শাৰীৰিক উৎকৰ্ষ সাধনৰ অনুষ্ঠানৰ বিশেষ গুৰুত্ব দিয়া হয়। লগতে গম্ভীৰ মেধি স্কুলৰ সৰ্বদিশ সামৰি এখন মুখপত্ৰ প্ৰকাশৰ ব্যৱস্থা লোৱা হয়। সভাত স্কুলৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী-অভিভাৱক-মাতৃগোটৰ সদস্যাকে ধৰি বহুসংখ্যক গুণী-জ্ঞানী ব্যক্তি উপস্থিত থাকে। সভাৰ আৰম্ভণিৰ পূৰ্বে মনদ্বীপ বৈশ্যই এটি বৰগীত পৰিৱেশন কৰে।

## ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত উদ্বোধনী অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২১ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ আগশাৰীৰ শিক্ষানুষ্ঠান ড° বিৰিঞ্চি কুমৰ বৰুৱা মহাবিদ্যালয়ৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত যোৱা ১৭ জুনত এখন উদ্বোধনী সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকা, উপাধ্যক্ষ ড° কমল শইকীয়া উপস্থিত থাকে। সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ত নতুনকৈ স্থাপন কৰা কাপোৰৰ ভঁৰাল, কম্পিউটাৰ লেব, লাইব্ৰেৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উন্নয়ন পুঁজিৰে নিৰ্মাণ কৰা চাইকেল ষ্টেণ্ডৰ উদ্বোধন কৰে বিধায়ক গোস্বামীয়ে। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° দাসে। মহাবিদ্যালয়ৰ তৰফৰ পৰা বিধায়কজনলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয় আৰু স্মাৰকপত্ৰ পাঠ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° কমল শইকীয়াই। আন্তঃগাঁথনি উন্নয়নৰ স্বাৰ্থত স্মাৰকপত্ৰখন পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাই বিধায়ক গোস্বামীক প্ৰদান কৰে। সভাত বিধায়কজনে কয় যে বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত তিনিখন মহাবিদ্যালয়ৰ ভিতৰত প্ৰথম স্থানত থকা মহাবিদ্যালয়খনেই হৈছে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়। ১২৮৬গৰাকী ছাত্ৰ-ছাত্ৰী থকা মহাবিদ্যালয়খনত স্থাপন হোৱা কাপোৰৰ ভঁৰালটোৱে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় দৰিদ্ৰ লোকক সহায় কৰিব। ভাষণ প্ৰসংগত তেওঁ মহাবিদ্যালয়খনত থকা অস্থায়ী শিক্ষকৰ পদসমূহক এটা পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ বিষয়াৰ লগত আলোচনা কৰিব বুলি মন্তব্য কৰে। সভাত তেওঁ কয় যে বঢ়মপুৰ সমষ্টিত এতিয়াও গৰু গোহালীৰ দৰে বিদ্যালয় আছে। ৭০গৰাকী ছাত্ৰ-ছাত্ৰী থকা এনে বিদ্যালয় বৰষুণ পৰি পঢ়াৰ পৰিৱেশ ব্যাঘাত জন্মাইছে। এনে বিদ্যালয় সমষ্টিৰ চুকে-কোণে ঘূৰোতে দেখা গৈছে। এনে বিদ্যালয়সমূহৰ আন্তঃগাঁথনি আৰু পৰিৱেশ উন্নীতকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকা, উপাধ্যক্ষ কমল শইকীয়া, সমাজকৰ্মী প্ৰফুল্ল শইকীয়া, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সভাপতি উৎপল বৰাই ভাষণ প্ৰদান কৰে। সভাৰ আঁত ধৰে অধ্যাপিকা পূৰ্ণলতা গোহাঁয়ে।

## মুছলপুৰত ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২১ জুন ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বাগ্‌সা জিলাৰ সদৰ মুছলপুৰতো বাস্কা আঞ্চলিক সাহিত্য সভাৰ উদ্যোগত আৰু আকাশ জাতীয় বিদ্যালয়ৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয় । কাৰ্যসূচী অনুযায়ী পুৱা ন বজাত পতাকা উত্তোলন কৰে বাস্কা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰাজমোহন পাঠকে। ইয়াৰ পাছত বিষ্ণু ৰাভাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জিতেন তালুকদাৰে। দিনৰ ১১ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিষ্ণু ৰাভা সংগীত পৰিৱেশন, কবিতা আবৃত্তি, আৰু নৃত্য প্ৰদৰ্শন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত দীক্ষা কলিতা নামৰ এগৰাকী বিশেষভাৱে সক্ষম ছাত্ৰীয়ে বিষ্ণু ৰাভাৰ বিষয়ে ইংৰাজীত ভাষণ প্ৰদান কৰি ৰাইজক আপ্লুত কৰি তোলে। দুপৰীয়া ১২ বজাৰ পৰা বাগ্‌সা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰাজমোহন পাঠকৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বাগ্‌সা আঞ্চলিক সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ব্ৰজমোহন কলিতাই । ভাষণত তেওঁ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অসমীয়া জাতিৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বিষয়ে বিতং ব্যাখ্যা দাঙি ধৰে। আনহাতে, সভাত মুখ্য অতিথিৰূপে উপস্থিত থকি বিশিষ্ট লেখক তথা নেপালী সাহিত্য পৰিষদৰ প্ৰাক্তন সম্পাদক বদ্ৰীনাথ গুৱাগায়ী বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত অসমীয়া জাতিৰ প্ৰতি আগবঢ়োৱা অৱদানৰ সম্পৰ্ক বিশদভাৱে বিশ্লেষণ আগবঢ়ায়। বাগ্‌সা আঞ্চলিক সাহিত্য সভাৰ সম্পাদক নিৰঞ্জন পাঠকে আঁত ধৰা উক্ত মুকলি সভাত বাগ্‌সা আঞ্চলিক সাহিত্য সভাৰ প্ৰাক্তন সম্পাদকদ্বয় ক্ৰমে নিকুঞ্জ কলিতা, অচ্যুত ডেকা, প্ৰাক্তন সাংস্কৃতিক সম্পাদক তথা অনাতাঁৰ শিল্পী হৰেন্দ্ৰ নাথ কলিতাকে ধৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



বঙাইগাঁৱত পৌৰসভাই চলোৱা উচ্ছেদ অভিযানৰ দৃশ্য।

## শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ জুন ঃ** অসম ব্ৰাহ্মণ সমাজৰ অন্তৰ্গত শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশনখন কালি দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰৰ হিন্দু ধৰ্মসভা নামঘৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। এই উদ্দেশ্যে পুৱা ব্ৰাহ্মণ সমাজৰ কেন্দ্ৰীয় নেতা গণেশ শৰ্মাই বিষ্ণু পূজা আৰু গোবিন চন্দ্ৰ বৰঠাকুৰে বৈদিক তৰ্পণেৰে দিনজোৰা কাৰ্যসূচীৰে আৰম্ভ কৰে। শিক্ষাবিদ জগত বৰঠাকুৰে স্মৃতিচাৰণ কৰাৰ পাছতেই ব্ৰাহ্মণ সমাজৰ সভাপতি উপেন কুমাৰ বৰঠাকুৰে পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আনুষ্ঠানিক পাতনি মেলে। ব্ৰাহ্মণ সমাজৰ সভাপতি উপেন কুমাৰৰ পৌৰোহিত্যত আয়োজিত আৰু জয়ন্ত বৰঠাকুৰ, আদিত্য ভট্টাচাৰ্যই আঁত ধৰা অধিৱেশনৰ আদৰণি ভাষণ প্ৰদান কৰে সুৰ বৰবৰাই। দিনজোৰা কাৰ্যসূচীৰ আৰম্ভণিতেই প্ৰয়াত ব্যক্তিসকলৰ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা জনোৱাৰ পাছতেই ব্ৰাহ্মণ সমাজৰ তৰফৰ পৰা কৃতীমান শিক্ষকৰ বঁটা প্ৰাপক কৃষ্ণ শৰ্মা ,উত্তম কুমাৰ বৰুৱা আৰু অচিন্ত্য বৰঠাকুৰক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাৰ লগত সংগতি ৰাখি বিগত সময়ত শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজৰ উদ্যোগত সম্পন্ন হোৱা বিভিন্ন সামাজিক কামৰ লগতে ২১জন যুৱকৰ উপনয়নৰ উপৰি আন আনুষংগিক কাৰ্য সম্পন্ন হোৱা কাৰ্যসূচীৰ খতিয়ান আৰু ভৱিষ্যৎ দিনৰ পৰিকল্পনাৰ কথা সম্পাদকীয় প্ৰতিবেদনত উল্লেখ কৰে। আনহাতে, দিনজোৰা কাৰ্যসূচীৰ আটাইতকৈ গুৰুত্বপুৰ্ণ প্ৰস্তাৱসমূহ হ'ল সমাজৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰ্থিক সাহায্য প্ৰদান, আৰ্তজনক সহায়ৰ হাত আগবঢ়োৱা, ব্ৰাহ্মণ সমাজৰ স্থায়ী কাৰ্যালয়ৰ বাবে ভূমিৰ আৱন্টন বিচাৰি চৰকাৰৰ ওচৰত আবেদন জনোৱা আৰু জিলাখনত সৰ্বমুঠ কিমানটা ব্ৰাহ্মণ পৰিয়াল আছে সেয়া পিয়ল আকাৰে এক পৰিসংখ্যা যুগুত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইফালে, কালিৰ দিনজোৰা কাৰ্যসূচীৰ অন্তত কেন্দ্ৰীয় পৰ্যবেশক গণেশ শৰ্মাৰ পৰ্যবেক্ষত সাধাৰণ সভাই ব্ৰাহ্মণ সমাজৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে। সভাই সৰ্বসন্মতিক্ৰমে আগন্তুক দুবছৰৰ বাবে উপেন কুমাৰ বৰঠাকুৰক সভাপতি, জয়ন্ত বৰঠাকুৰক কাৰ্যকৰী সভাপতি, ব্ৰজেন ফুকন আৰু উত্তম কুমাৰ বৰুৱাক উপ-সভাপতি, অৱনী কুমাৰ গোস্বামীক সাধাৰণ সম্পাদক, আদিত্য ভট্টাচাৰ্য, উজ্জ্বল চক্ৰৱৰ্তীক সহকাৰী সম্পাদকৰূপে লৈ এখন শক্তিশালী জিলা সমিতি গঠন কৰে। সেইদৰে একেটা অনুষ্ঠানতেই সুৰ বৰবৰাক সভানেত্ৰী, মৃদুলা বৰঠাকুৰক কাৰ্যকৰী সভানেত্ৰী, ৰিণু শৰ্মা আৰু মিনু শৰ্মাক উপ-সভানেত্ৰী আৰু নিৱেদিতা ভাগৱতীক সাধাৰণ সম্পাদিকাৰূপে লৈ শিৱসাগৰ জিলা মহিলা ব্ৰাহ্মণ সমাজৰ নতুন সমিতিখনো আজিৰ সাধাৰণ সভাই গঠন কৰি দিয়ে। আমোলাপট্টী হিন্দু ধৰ্ম সভা নামঘৰত কালি আয়োজিত নৱম দ্বি-বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচীত অধ্যাপক ড° পঞ্চানন বৰঠাকুৰ, শিক্ষাবিদ ড° প্ৰকাশ কটকী, জগত বৰঠাকুৰ, গোবিন চন্দ্ৰ বৰঠাকুৰ, ৰবীন বৰঠাকুৰ, ৰণ্টু বৰঠাকুৰ, যুগ পুৰোহিতৰ লগতে জিলাখনৰ সহস্ৰাধিক কৰ্মকতা উপস্থিত থাকে।

## শিৱসাগৰৰ বানপীড়িতৰ কাষত বিধায়ক অখিল গগৈ

### খাদ্য সামগ্ৰী বিতৰণ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ জুন ঃ** যোৱা প্ৰায় ১৫ দিন ধৰি ৰাজ্যখনত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ নদীৰ লগতে ইয়াৰ উপনৈসমূহৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত সমগ্ৰ ৰাজ্যখনৰ লগতে শিৱসাগৰ জিলাখনৰো বিভিন্ন অঞ্চল বানত প্লাৱিত হৈ পৰিছে। এই বানৰ প্ৰকোপৰ ফলত ইতিমধ্যে গৃহহাৰা হৈছে শ শ পৰিয়াল। পোহনীয়া জীৱ-জন্তুৰ লগতে বানাক্ৰান্তই একেলগে মথাউৰি আদিত থাকি এক দুৰ্বিষহ জীৱন অতিবাহিত কৰিবলগীয়াত পৰিছে। শিৱসাগৰ জিলাৰ শিৱসাগৰ বিধানসভা সমষ্টিৰ নৈপৰীয়া জনসাধাৰণৰ এই একেই অৱস্থা। সমষ্টিটোৰ নৈপৰীয়া অঞ্চল দিচাংমুখ গাঁও পঞ্চায়তৰ বানত আক্ৰান্ত লোকৰ কালি সমস্যাৰ বুজ লয় সমষ্টিটোৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। কালি পুৱাৰ ভাগতে বিধায়কজনে দিচাংমুখৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰে। সংবাদ মাধ্যমৰ আগত সভাপতিজনে উল্লেখ কৰে যে সম্প্ৰতি বিধানসভা সমষ্টিটোৰ অন্তৰ্গত বহু অঞ্চল বানত আক্ৰান্ত হোৱাৰ লগতে ১০ খন গাঁৱত খাদ্য যোগান ধৰিবলগীয়া পৰিৱেশৰ সৃষ্টি হৈছে। ইতিমধ্যে বানত আক্ৰান্ত হোৱা এই গাঁওসমূহলৈ প্ৰশাসনৰ তৰফৰ পৰা খাদ্য যোগান ধৰিবৰ বাবে শিৱসাগৰ জিলা উপায়ুক্তৰ লগতে চক্ৰ বিষয়াক নিৰ্দেশ দিয়াৰ ফলশ্ৰুতিত কালিৰেই পৰা সংশ্লিষ্ট গাঁওসমূহৰবানাক্ৰান্তক খাদ্য যোগান ধৰাৰ ব্যৱস্থা শিৱসাগৰ জিলা প্ৰশাসনে আৰম্ভ কৰিছে বুলি বিধায়কজনে উল্লেখ কৰে। ইয়াৰ লগতে বিধায়কজনে কয় যে ইতিমধ্যে বানত আক্ৰান্ত হৈ খাদ্য সংকটত পৰা দিচাংমুখ গাঁও পঞ্চায়তৰ আঠখন গাঁও আৰু শান্তিপুৰ গাঁও পঞ্চায়তৰ দুখন গাঁৱত খাদ্যৰ যোগান ধৰিবলগীয়া হৈছে। প্ৰত্যেকখন গাঁৱৰ বানপীড়িতৰ কাষলৈ যোৱাৰ চেষ্টা কৰা হৈছে। যাতে বানত আক্ৰান্ত প্ৰতিটো পৰিয়ালে খাদ্য সামগ্ৰী লাভ কৰিবলৈ সক্ষম হয় তাৰ ওপৰত বিধায়কজনে গুৰুত্ব প্ৰদান কৰিছে। বৰ্তমান ৰাইজৰ দলৰ কৰ্মীসকলে বানপীড়িতৰ কাষত থিয় দি সমস্যাৰ বুজ লৈছে। ইতিমধ্যে দিচাংমুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত লিগিৰিবাৰী এন চি, (বাহিৰ লিগিৰিবাৰী-টিযংৰবস্তী-জাহাজঘাট, অফলা এনচি, আলিছিগা, জগৰাহাবি, মামল, গড়ভগা, চৰাইপৰা, বলমা আদি গাঁৱৰ লগতে শান্তিপুৰ গাঁও পঞ্চায়তৰ ফুকনফদীয়া আৰু গোৱালগাঁৱত স'ৰাগুৰিত খাদ্য সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে বুলি বিধায়ক গগৈয়ে জানিবলৈ দিয়ে।

## লোহাৰী কছাৰী গাঁৱত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২১ জুন ঃ** সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন তিনিচুকীয়া জিলা সমিতিৰ সৌজন্যত উদ্যোগ নগৰ আঞ্চলিক সমিতিৰ উদ্যোগত বৃহত্তৰ লোহাৰী কছাৰী গাঁৱৰ ৰাইজৰ সহযোগত লোহাৰী কছাৰী আদৰ্শ গাঁও খেলপথাৰত দুদিনীয়াকৈ দ্বিতীয় বাৰ্ষিক সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা দিৱস কাৰ্যসূচীৰ আয়োজন কৰে। কাৰ্যসূচী অনুসৰি, পুৱা পতাকা উত্তোলন কৰে মটক যুৱ-ছাত্ৰ সন্মিলন জিলা সভাপতি জিন্তু বৰগোহাঁয়ে, স্মৃতি তৰ্পণ কৰে সাধাৰণ সম্পাদক সঞ্জয় গগৈয়ে, বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক দেৱজিৎ বৰুৱাই আৰু তাৰ পাছতে স্থানীয় বয়োজ্যেষ্ঠ সন্মানীয় ব্যক্তিৰ হতুৱাই গছপুলি ৰোপণ কৰাৰ পাছতে কণকণ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰে । দুদিনীয়াকৈ আয়োজন কৰা উক্ত অনুষ্ঠানৰ জৰিয়তে সমূহ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে উদ্যোক্তা মণ্ডলীয়ে। ইফালে, তিনিচুকীয়া কচুজান শিশু উন্নয়ন সমিতিৰ উদ্যোগত আৰু কচুজান আঞ্চলিক যুৱক সংঘৰ সহযোগত এদিনীয়াকৈ কচুজান প্ৰেক্ষাগৃহত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰে। কলাগুৰুজনাৰ ৫৩ সংখ্যক মৃত্যু দিৱস উপলক্ষে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাক স্মৰণ কৰাৰ লগতে শ্ৰদ্ধাৰে সোঁৱৰে আৰু বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰে ।

## বিভিন্ন সাহিত্য প্ৰতিযোগিতাত দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সফলতা

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২১ জুন ঃ** ডিমৌ শিক্ষাখণ্ডৰ অন্তৰ্গত দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে ৰাভা দিৱস উপলক্ষে বিভিন্ন স্থানত আয়োজিত বিভিন্ন সাহিত্য আৰু সংগীত প্ৰতিযোগিতাত উল্লেখ্য পাৰদৰ্শিতা প্ৰদৰ্শন কৰি সমগ্ৰ দিচাং ৰজাবাৰী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে । চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ মাজত আয়োজন কৰা আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতাত দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে অংশগ্ৰহণ কৰি তৃতীয় আৰু চতুৰ্থ স্থান দখল কৰাৰ লগতে দলগতভাৱে তৃতীয় স্থান দখল কৰে। এই প্ৰতিযোগিতাত দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল প্ৰতিভা কুৰ্মী, হেমাংগিনী পৰজা, জেবিন বেগম আৰু প্ৰিন্সিপিয়া চাংমায়ে। আনহাতে, কৈবৰ্তদলনীত ৰাভা দিৱস উপলক্ষে আয়োজিত আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতাতো দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে দ্বিতীয় স্থান দখল কৰে। উক্ত অনুষ্ঠানত আয়োজিত ৰাভা সংগীত প্ৰতিযোগিতাৰ প্ৰথম তিনিওটা স্থান দখল কৰে দিচাং ৰজাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ে ।কুইজ আৰু ৰাভা সংগীত প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীকেইগৰাকী হ'ল গৰিমা কৰ্মকাৰ, বিষ্ণজ্যোতি নায়ক আৰু প্ৰাৰম্ভিকা মিলি। বিদ্যালয়খনৰ এনে সফলতাত সচেতন মহলে সন্তোষ প্ৰকাশ কৰি বিদ্যালয়খনৰ প্ৰধান শিক্ষক কেশৱ দেউৰী, সহকাৰী প্ৰধান ৰাজেন চাংমাইৰ লগতে বিদ্যালয়ৰ কুইজ আৰু সংগীত প্ৰশিক্ষক আৰু তত্ত্বাৱধায়ক মমী তামুলী, হোমেন ৰাজবংশী, বলোভদ্ৰ গগৈ আৰু মৃদুল ৰাজবংশীক কৃতজ্ঞতা জ্ঞাপন কৰে ।

## নাহৰকটীয়া লংজং গাঁৱত টিংখং বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ সজাগতা সভা



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২১ জুন ঃ** জয়পুৰ উন্নয়ন খণ্ডৰ বালিমৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত লংজং গাঁৱত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ডিএফএল প্ৰকল্পৰ টিংখং বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ উদ্যোগত যোৱা ১৬ জুনত বিত্তীয় সাক্ষৰতাৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত টিংখং বিত্তীয় সাক্ষৰতা কেন্দ্ৰৰ হৈ কেন্দ্ৰ ব্যৱস্থাপক কপিল হাজৰিকা, জয়পুৰ ক্ষেত্ৰ সমন্বয়ক মল্লিকা গগৈ, ডাটা এণ্ট্ৰি অপাৰেটৰ গৌৰৱ আৰন্ধৰাৰ লগতে চিএফএল প্ৰকল্পৰ উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক ব্যৱস্থাপক দুলন বৰুৱা উপস্থিত থাকে। সভাৰ মূল উদ্দেশ্য আছিল ৰাইজৰ মাজত বেংকৰ সামাজিক সুৰক্ষা আঁচনিৰ লগতে সঞ্চয়, ডিজিটেল বেকিং আৰু বিত্তীয় প্ৰৱঞ্চনা প্ৰতিৰোধৰ ওপৰত ৰাইজক সজাগ কৰা আৰু বিত্তীয় কেন্দ্ৰসমূহত ৰাইজক অন্তৰ্ভুক্তি কৰা। সভাত লংজং গাঁৱৰ প্ৰায় ৩০জন লোক উপস্থিত থাকে।

# হোজাইত নাও দুৰ্ঘটনাত সন্ধানহীন তিনি

*এক পৃষ্ঠাৰ পৰা* পাছৰে এই চাৰি শিশু সন্ধানহীন হৈ আছিল। আজি প্ৰথমে হোজাইৰ যোগীজান ৰাজবাৰীত উদ্ধাৰ হয় নাও দুৰ্ঘটনাত সন্ধানহীন আঠ বছৰীয়া মহিৰা বেগমৰ মৃতদেহ। দুপৰীয়াৰ ভাগত পুব নভঙাত জেনিফা বেগম (৬) আৰু বিয়লি ভাগত আমিৰুল ইছলাম (১০) নামৰ আন দুটি শিশুৰ মৃতদেহ হয়। উল্লেখ্য যে ১৭ জুনৰ নিশা কপিলীৰ পানীয়ে সংহাৰী ৰূপ ধাৰণ কৰাত হোজাইৰ ৰাইকাটা ইছলামপুৰৰ পৰা একাধিক পৰিয়ালে নাৱেৰে নিৰাপদ ঠাইলৈ আহিছিল। সেই অৱস্থাতে ৰাইকাটা কছাৰী গাঁৱৰ থাউচেন্নে ইটাভাটাৰ সমীপত নাওখন দুৰ্ঘটনাগ্ৰস্থ হৈছিল। নাওখনত শিশুসহ মুঠ ২৮জন যাত্ৰী আছিল। ইয়াৰে ২৪জনক এছডিআৰএফৰ দলে উদ্ধাৰ কৰিছিল যদিও চাৰিটা শিশু সন্ধানহীন হৈ আছিল। এই নাও দুৰ্ঘটনাত আজি মৃতদেহ উদ্ধাৰ হোৱা মহিৰা, জেনিফা আৰু আমিৰুলৰ উপৰি প্ৰায় এবছৰীয়া শিশু ছেহনাজ বেগম সন্ধানহীন হয়। এছডিআৰএফদলে সন্ধানহীন শিশুক বিচাৰি অভিযান চলায় যদিও বিফল হয়। আজি পানী কমাত উল্লেখিত অঞ্চলত জেনিফা, মহিৰা আৰু আমিৰুলৰ মৃতদেহ উপঙি থকা অৱস্থাত উদ্ধাৰ হয় যদিও ছেহনাজ এতিয়াও সন্ধানহীন হৈ আছে। হোজাই আৰক্ষীয়ে উদ্ধাৰ হোৱা মৃতদেহ তিনিটা মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰিছে।

# অনলাইন শ্বপিঙৰ ৮১ লাখ টকা প্ৰৱঞ্চনাৰে

*এক পৃষ্ঠাৰ পৰা* আহিছে। গ্ৰাহকক সংশ্লিষ্ট সামগ্ৰী যোগান ধৰি লাভ কৰা সমুদায় ধন এমাজনকে ধৰি কে’বাটাও প্ৰতিষ্ঠানে মহানগৰীৰ গীতানগৰত থকা ৰেডিয়েণ্ট কেছ মেনেজমেণ্ট প্ৰাইভেট লিমিটেড নামৰ বিত্তীয় কোম্পানীটোৰে জমা ৰাখিছিল। এই কোম্পানীটোৰ পৰাই এমাজনৰ ৮১ লাখ টকা আত্মসাৎ হোৱাৰ অভিযোগ উত্থাপন হৈছে। সম্প্ৰতি ঘটনাৰ সংক্ৰান্তত গীতানগৰ আৰক্ষীয়ে ১৭৯/২০২২ নম্বৰত এক গোচৰ ৰুজু কৰি বিত্তীয় কোম্পানীটোৰ পৰিচালকসহ তিনিজনক আটক কৰি মাৰাথন জেৰা অব্যাহত ৰাখিছে। আটকাধীন লোক তিনিজন হৈছে ক্ৰমে বিত্তীয় কোম্পানীটোৰ পৰিচালক তথা নুনমাটিৰ কেন্দুগুৰিৰ নেপাল দাসৰ পুত্ৰ নিৰ্মাণ দাস (৩০) আৰু কোম্পানীটোৰ দুই কৰ্মচাৰী সূৰুয দাস আৰু অঞ্জন পাল। তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰিছে যে পৰিচালক দাসে ইতিমধ্যে ৭০ লাখ টকা আত্মসাৎ কৰাৰ কথা জেৰাত স্বীকাৰ কৰিছে।

ইফালে, অনলাইন ব্যৱসায়িক কোম্পানীৰ অভিযোগৰ ভিত্তিত চলোৱা এই অভিযানৰ সন্দৰ্ভত চান্দমাৰিৰ সহকাৰী আয়ুক্ত কংকন কুমাৰ নাথে সদৰী কৰা অনুসৰি, এমাজনকে ধৰি অনলাইন ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে গ্ৰাহকৰ পৰা যি ধন লাভ কৰে, সেই ধন আন এটা বিত্তীয় কোম্পানীক জমা দিয়ে। সেই ধন কোম্পানীটোৱেহে বেংকত জমা দিয়ে। এমাজনকে ধৰি অন্যান্য কে’বাটাও প্ৰতিষ্ঠানৰ টকা জমা লৈছিল এই ৰেডিয়েণ্ট নামৰ কোম্পানীটোৱে। আটকাধীন নিৰ্মল এই ৰেডিয়েণ্ট নামৰ কোম্পানীটোৰ মহানগৰ শাখাৰ পৰিচালকৰ দায়িত্বত আছিল আৰু ২০২১ৰ পৰা তেওঁ সংশ্লিষ্ট প্ৰতিষ্ঠানৰ জমাকৃত টকাসমূহ বেংকত জমা দিয়াৰ পৰিৱৰ্তে আন কৰ্মচাৰীৰ একাউণ্টত জমা ৰাখিছিল বুলি আৰক্ষী বিষয়াজনে কয়। সমান্তৰালভাৱে এই ঘটনাত আৰু কোনো লোক জড়িত আছে নেকি এই দিশত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে আৰু আত্মসাৎ হোৱা ধন উদ্ধাৰৰ বাবে চেষ্টা অব্যাহত ৰখাৰ কথা তদন্তকাৰী আৰক্ষীয়ে সদৰী কৰিছে।

# বানাক্ৰান্তই সাহায্য লাভ নকৰাৰ অভিযোগ

*এক পৃষ্ঠাৰ পৰা* কৃষিভূমি অঞ্চল প্লাৱিত হৈছে। তদুপৰি ৩৪,১০২৩ টা পশুধন বানৰ কৱলত পৰিছে। সোমবাৰে জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ছিপাঝাৰ সমষ্টিৰ বিভিন্ন বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। সেই সময়তে পৰ্যাপ্ত সাহায্য লাভ কৰা নাই বুলি বানাক্ৰান্তই মন্ত্ৰীজনক অভিযোগ কৰে। ইয়াৰ পাছতে মন্ত্ৰীজনে উপায়ুক্তৰ কাৰ্যালয়ত বান পৰিস্থিতিৰ সন্দৰ্ভত পৰ্যালোচনা সভাত মিলিত হয় আৰু বানাক্ৰান্তসকলৰ মাজত অধিক ক্ষিপ্ৰতাৰে সাহায্য সামগ্ৰী বিতৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত সাংসদ দিলীপ শইকীয়া, মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমান আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ইপিনে, এনডিআৰএফ আৰু এছডিআৰএফৰ দ্বাৰা অবিৰতভাৱে সাহায্য অভিযান অব্যাহত আছে। ভগা মথাউৰিসমূহ মেৰামতিৰ কাম চলাই থকাও পৰিলক্ষিত হৈছে। জিলাখনত স্থাপন কৰা ১৬ টা সাহায্য শিবিৰ আৰু ৮৩ টা সাহায্য বিতৰণ কেন্দ্ৰৰ যোগেদি বানাক্ৰান্তসকলক সাহায্য প্ৰদান কৰা হৈছে যদিও সেয়া পৰ্যাপ্ত নোহোৱাৰ অভিযোগ উত্থাপন কৰিছে বানাক্ৰান্তই। প্ৰশাসনে সদৰী কৰা মতে, সোমবাৰলৈকে জিলাখনত বানাক্ৰান্ত লোকসকলৰ মাজত চাউল ২২৪৩.০০ কুইণ্টল, দাইল ৪০৬.২৭ কুইণ্টল, নিমখ ১২৫.৩০ কুইণ্টল, মিঠাতেল ১১৯৪৯.০০ লিটাৰ বিতৰণ কৰা হৈছে। তদুপৰি শিশু খাদ্যও বিতৰণ কৰা হৈছে। টাৰ্পোলিন, মম আৰু বিস্কুটো যোগান ধৰা হৈছে বুলি প্ৰশাসনে সদৰী কৰিছে। ইয়াৰ উপৰি ১৪১৩ কুইণ্টল পশুখাদ্য বিতৰণ কৰা হয়।

ইপিনে, এতিয়াও দৰঙত জলবন্দী হৈ থকা পিপৰা দোকান, ছোটো নগাঁও, পটল সিংপাৰা, সৰুথেকাৰাবাৰী আদি অঞ্চলৰ বন্যাৰ্তৰ মাজত পানী বটলকে ধৰি কেতবোৰ লঘু অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে গৰিয়া মৰিয়া দেশী জাতীয় [illegible]

# জনজাতি বেষ্টনীত বেদখল উচ্ছেদ-ৰাজধানী

[illegible]

# পুনৰ দুটাকৈ মৃতদেহ উদ্ধাৰ, পানীত

[illegible]

# বিগত বৰ্ষৰ মে’ৰ পৰা আৰক্ষীৰে

*এক পৃষ্ঠাৰ পৰা* বিভাগে এক শপতনামাযোগে উক্ত তথ্য সদৰী কৰে। আবেদনখনত অভিযোগ কৰা হয় যে অসম আৰক্ষীয়ে ভুৱা ‘এনকাউণ্টাৰ’ৰ জৰিয়তে অভিযুক্তক গুলীয়াই আহিছে। তেনে প্ৰতিটো ঘটনাৰ পাছত আৰক্ষীয়ে দাবী কৰি আহিছে যে অভিযুক্তই পলাবলৈ চেষ্টা কৰাত তেওঁলোকে গুলীয়াবলৈ বাধ্য হয়। আনকি বহু সময়ত অভিযুক্তই আৰক্ষীৰ পৰা অস্ত্ৰ কাঢ়ি ল’ব বিচৰাৰ দাবীও কৰা হয়। তেনে দাবীক সন্দেহজনক আখ্যা দি প্ৰতিটো ঘটনাৰ চিবিআই অথবা আৰক্ষীৰ বিশেষ গোট অথবা অন্য ৰাজ্যৰ আৰক্ষীৰ দ্বাৰা ন্যায়ালয়ৰ পৰ্যবেক্ষণত তদন্ত কৰাৰ দাবী জনোৱা হয় আবেদনত। তদন্তৰ জৰিয়তে ভুৱা ‘এনকাউণ্টাৰ’বোৰ চিনাক্ত কৰি তাৰ বলি হোৱা লোকৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ আবেদনো কৰা হৈছে। উক্ত আবেদনৰ শুনানিৰ অংশ হিচাপে ন্যায়ালয়ৰ নিৰ্দেশত আজি চৰকাৰৰ গৃহ বিভাগৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই দাখিল কৰা শপতনামাত লগতে উল্লেখ কৰা হয় যে আৰক্ষীৰ জিম্মাত থকা অৱস্থাত মৃত্যু হোৱা একাংশই আৰক্ষীৰ পৰা আগ্নেয়াস্ত্ৰ কাঢ়ি লৈ পলাবলৈ চেষ্টা কৰিছিল। আন একাংশৰ পলাবলৈ চেষ্টা কৰাৰ সময়ত আৰক্ষীৰ বাহনৰ খুন্দাত মৃত্যু হয়। আহতসকলক ভৰিতহে গুলীওৱা হয় বুলিও শপতনামাত উল্লেখ কৰা হৈছে।

আবেদনত এইদৰেও উল্লেখ কৰা হৈছে যে আৰক্ষীয়ে ‘এনকাউণ্টাৰ’ৰ নামত আইন আৰু সমতাৰ বিধিও উলংঘা কৰিছে। আৰক্ষীক হত্যাৰ অনুজ্ঞাপত্ৰ দিয়া হোৱা নাই। আবেদনখনৰ পৰৱৰ্তী শুনানিৰ দিন অহা ২৯ জুলাই ধাৰ্য কৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখ্য যে অধিবক্তা জোৰাদ্দাৰে একেটা অভিযোগ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগকো দাখিল কৰিছে। অভিযোগপত্ৰত উল্লেখ কৰা হৈছে যে ‘এনকাউণ্টাৰ’ৰ বলি হোৱা সকলৰ হাতত অস্ত্ৰ নাছিল। তেওলোকৰ হাতত হেণ্ডকাফো আছিল।

# সাহায্য বিচাৰি হাহাকাৰ

*এক পৃষ্ঠাৰ পৰা* চিকিৎসা, খাদ্য সকলোতে একে পৰিস্থিতি চলি আহিছে। এনে অব্যৱস্থাৰ বাবেই এইবাৰো শিবিৰে শিবিৰে হাহাকাৰৰ সৃষ্টি হৈছে।

শিবিৰবোৰত এইবাৰ বিতৰণ কৰা খাদ্য সামগ্ৰীৰ ভিতৰত আছে চিৰা, গুড়, চাউল, দাইল, নিমখ আৰু মিঠাতেল। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ তথ্য অনুসৰি কালি পৰ্যন্ত বানাক্ৰান্তৰ মাজত ১৫,২৮৪.৩৯ কুইণ্টল চাউল, ৩১৮০.৭৫ কুইণ্টল দাইল, ৯১৫.৫ কুইণ্টল নিমখ আৰু ৫৭,৭৫৮.৬৭ লিটাৰ মিঠাতেল বিতৰণ কৰা হয়। বিভাগটোৰ সূত্ৰই কৰা মন্তব্য অনুসৰি বানাক্ৰান্তৰ সংখ্যাৰ বিপৰীতে এই পৰিমাণ মুঠেই পৰ্যাপ্ত নহয়। এই কথাৰ প্ৰতিফলন ঘটিছে শিবিৰে শিবিৰে। চলিত বানত ৰাজ্যৰ সৰ্বাধিক ক্ষতিগ্ৰস্ত জিলাবোৰৰ ভিতৰত অন্যতম হ’ল বৰপেটা। জিলাখনৰ বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰত ১৭০ টা পৰিয়ালৰ শিশু-মহিলাসহ ৬৬২ জন লোক আছে। তাৰে ৪৮ টি ছবছৰৰ তলৰ শিশু। যোৱা ১৮ জুনৰ পৰা আৰম্ভ হোৱা বৃহৎ শিবিৰটোত কালিহে এটা দমকল সংস্থাপন কৰা হয়। এই শিবিৰটোৰ নাতিদূৰত অৱস্থিত ৫০৩ নম্বৰ বিলৰতাৰীহাটী প্ৰাথমিক বিদ্যালয়ৰ শিবিৰটোত আজিহে দমকল বহুওৱা হয়। তাৰ বিপৰীতে জিলাখনত স্থাপন কৰা ছশতকৈ অধিক শিবিৰৰ বেছিভাগতে এই সুবিধা পাবলৈ নাই। বঙাইগাঁও, দৰং, বাগ্‌সা আদিকে ধৰি বানাক্ৰান্ত সকলো জিলাতে এই অভাৱ দৃষ্টিগোচৰ হৈছে। বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় লৈ থকা বৰপেটা পৌৰসভাৰ এক নম্বৰ ৱাৰ্ডৰ বাসিন্দা শৰ্মিলা দাসে অভিযোগ কৰে যে পাঁচজনীয়া এটা পৰিয়ালক খোৱাপানীৰ নামত মাত্ৰ এক লিটাৰ পানীহে যোগান ধৰা হৈছে। চাউল, দাইল আদি কোনোবাই পাইছে যদি কোনোবাই পোৱা নাই। আনহাতে, যোগান ধৰা চাউল, দাইলো মাত্ৰ দুজন লোকৰ জোখাৰেহে দিয়া হৈছে। প্ৰসংগক্ৰমে উল্লেখ্য যে স্বয়ং শাসক দলৰ নেতায়ে কালি জিলাখনত চলি থকা অব্যৱস্থাৰ বাবে প্ৰশাসনক অভিযোগ দাখিল কৰে। তেনেদৰে দৰঙতো সাহায্য বিতৰণত যথেষ্ট খেলিমেলি হোৱাৰ অভিযোগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলাখনৰ উপায়ুক্তক ভৰ্ৎসনা কৰে।

আতুৰত পৰা লোকক একাংশ লোকে নিজাববীয়াকৈও আশ্ৰয়ৰ ব্যৱস্থা কৰি দিছে। বানৰ প্ৰকোপত সকলো এৰি পলাবলৈ বাধ্য হোৱা তেনে বহু লোকৰ তথ্য প্ৰশাসনৰ হাততো নাই। সেয়েহে তেওঁলোক চৰকাৰী নামমাত্ৰ সাহায্যৰ পৰাও বঞ্চিত হৈছে। আনহাতে, বহু লোকে বানৰ মাজতো শিবিৰৰ পৰিৱৰ্তে নিজৰ ঘৰতে আশ্ৰয় লৈ আছে। তেনে লোকে সাহায্য পাবলৈ প্ৰশাসনে ঢুকিয়েই পোৱা নাই। ফলত অনাহাৰে দিন কটাবলগীয়া হৈছে সেইসকল লোকে। চিকিৎসা সেৱায়ো তেওঁলোকক ঢুকি নাপায়।

### বান সাহায্য নাপাই ক্ষুব্ধ হৈ পৰিছে বানাক্ৰান্ত

**শালবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** বাগ্‌সাত ৰূপহী, পল্লা আৰু বজালীত পহুমাৰা নৈৰ জলপৃষ্ঠ হ্ৰাস পোৱাত বান পৰিস্থিতি কিছু উন্নত হৈছে। জিলা দুখনৰ ভালেমান অঞ্চলৰ পানী শুকাবলৈ লৈছে যদিও শুকমানাহ, মাজগাঁও দাঁতিৰবৰী, হাঠিনাপুৰ গাঁও পঞ্চায়ত অঞ্চলৰ লগতে কঁঠালমূৰীঘাট অঞ্চলৰ ভালে সংখ্যক গাঁৱৰ বানাক্ৰান্তই নিজগৃহলৈ প্ৰত্যাবৰ্তন কৰিব পৰা নাই। বহু গৃহহাৰা লোকে এতিয়াও পথৰ ওপৰত, ওখ ঠাইত, আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। সমষ্টিটোৰ বানাক্ৰান্তসকলে ছদিন ধৰি পানীত ককবকাই থকা সত্ত্বেও চৰকাৰীভাৱে কোনো সাহায্য প্ৰদান নকৰাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ মতে, মাত্ৰ কেইটামান আশ্ৰয় শিবিৰৰ বাহিৰে বাকী হেজাৰ হেজাৰ বানাক্ৰান্ত চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হৈ আছে। অৱশ্যে পশু খাদ্য হিচাপে চাপৰ আৰু তিৰপাল কালিৰে পৰা বিতৰণ কৰি আছে। সৰুপেটা ৰাজহ চক্ৰৰ অন্তৰ্গত বানাক্ৰান্তৰ বাবে পৰ্যায়ক্ৰমে গাঁওবুঢ়াৰ জৰিয়তে চাউল, দাইল, মিঠাতেল আৰু নিমখ বিতৰণৰ ব্যৱস্থা কৰিছে। ইপিনে, সাতদিন ধৰি বহু বানাক্ৰান্তই এমুঠি চাউলৰ পৰা বঞ্চিত হৈ ক্ষুব্ধ হৈ পৰিছে। একাংশ বানাক্ৰান্তই ৰাজনৈতিক নেতা পালিনেতাই বানৰ খবৰ ল’বলৈ আহি ফটো উঠা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে। তদুপৰি একাংশ লোকে বিশুদ্ধ খোৱাপানী যোগানৰ নামত বানাক্ৰান্তৰ লগত ফটো উঠি সেই ফটো ফেচবুকত আপডেট দিয়াকলৈও সমালোচনা আৰম্ভ হৈছে। সম্প্ৰতি বহু সংখ্যক গাঁৱৰ পানী শুকাবলৈ লৈছে। কিন্তু বানৰ কৱলত পৰা অঞ্চলসমূহত এক দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হৈছে। এনে অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত গৰু-ছাগলীৰ লগত সহবাস কৰি দিন পাৰ কৰিব লগা হৈছে। মেধিকুছি, চাৰালপাৰা আদি অঞ্চলৰ বহু পৰিয়াল ঘৰৰ ভিতৰত দুফুট পৰ্যন্ত ওপৰলৈ পলস পৰাত বহু বানাক্ৰান্তই নিজৰ ঘৰলৈ কেতিয়ালৈকে যাব পাৰিব তাৰ কোনো নিশ্চয়তা নোহোৱা হৈছে।

# বানবিধ্বস্ত অঞ্চলত মৃতদেহ

*এক পৃষ্ঠাৰ পৰা* মৃতদেহ। এনে হৃদয়বিদাৰক দৃশ্যই আজি বহুতৰে দুচকু সজল কৰিলে মঙলদৈ আৰু হাজোত।

অবিশ্বাস্য হ’লেও সত্য যে মঙলদৈ বিধান সভা সমষ্টিৰ ৰঙামাটি মৌজাৰ অন্তৰ্গত সৰু থেকেৰাবাৰী, বৰ থেকেৰাবাৰী অঞ্চলত এতিয়া মৃতদেহ সৎকাৰ কৰিবলৈ মাটিৰ অভাৱ হৈছে। কিয়নো চাৰিওফালে কেৱল পানী, পানী আৰু পানী। এনে পৰিস্থিতিত অঞ্চলটোত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱা দুটাকৈ মৃতদেহ সৎকাৰ কৰিবলৈ আনিবলগীয়া হয় মঙলদৈ চহৰৰ ভেবাৰঘাট শ্মশানত। প্ৰাপ্ত তথ্য মতে, আজি বিয়লি তিনি বজাত সৰু থেকেৰাবাৰী গাঁৱৰ নিবাসী ৰামধন ডেকা (৮০)ৰ বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। গাঁওবুঢ়া বাবুল চন্দ্ৰ ডেকাই এই বিষয়ে উৰ্দ্ধতন কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰাত মঙলদৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুকুট কাকতিৰ নেতৃত্বত এছডিআৰএফৰ জোৱানে নৌকা লৈ গৈ মৃতদেহটো উদ্ধাৰ কৰে। মৃতদেহটো ৰঙামাটি-কুৰুৱা মথাউৰিলৈ আনি উক্ত স্থানত সৎকাৰ কৰিবলৈ ঠাই নথকাত মৃতদেহটো সন্ধিয়া মঙলদৈ ভেবাৰঘাটৰ শ্মশানলৈ গাড়ীৰে অনা হয়। কিন্তু দৰিদ্ৰ পৰিয়ালটোৰ হাতত মৃতদেহ সৎকাৰ কৰিবলৈ ধন নথকাত মঙলদৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কাকতিয়ে নিজৰ পকেটৰ পৰা দুহেজাৰ টকা প্ৰদান কৰি মানৱতাৰ নিদৰ্শন দাঙি ধৰে। আনহাতে, বৰ থেকেৰাবাৰী নিবাসী মুক্তিযোদ্ধা প্ৰয়াত মহেশ্বৰ বৰাৰ পত্নী সুমিত্ৰা বৰা (৭৯)ৰ ১৯ জুনৰ বিয়লি চাৰি বজাত মৃত্যু হয়। যদিও অঞ্চলটোৰ চাৰিওফালে বানপানীয়ে আবৰি থকাত সেইদিনা পৰিয়ালে মৃতদেহ সৎকাৰ কৰিব নোৱাৰিলে। কালি প্ৰশাসনৰ লগত যোগাযোগ কৰিও বিফল হৈ অৱশেষত ৰাইজৰ সহযোগত পুৱা ১০ বজাত কলগছৰ ভুৰত মৃতদেহ মথাউৰিলৈ আনি ব্যক্তিগত গাড়ীৰে মঙলদৈ ভেবাৰঘাট শ্মশানলৈ আনি সৎকাৰ কৰে।

ইপিনে, কামৰূপ জিলাৰ হাজোতো আজি অনুৰূপ ধৰণৰ হৃদয়বিদায়ক দৃশ্যই সকলোকে ব্যথিত কৰি তোলে। হাজোৰ জাপিয়াত খগেন দাস নামৰ লোকজনৰ মৃতদেহ কলৰ ভুৰত কঢ়িয়াই অনা দৃশ্য আছিল অতিকৈ কৰুণ। মৃত লোক এজনৰ নিথৰ দেহটো পানীৰ পৰা ওখ ঠাইলৈ নিবৰ বাবে নাও এখনো দিব নোৱাৰিলে হাজোৰ প্ৰশাসনে। হাজোৰ চক্ৰ বিষয়া, হাজোৰ বিধায়িকাক বাৰে বাৰে ফোন কৰিও নাপালে এখন নাওঁ। উপায়ান্তৰ হৈ কলৰ ভুৰ সাজি গাঁওখনৰ কেইজনমান যুৱকে পাঁচ কিলোমিটাৰ দূৰৰ ওখ ঠাইলৈ নিব লগা হ’ল মৃতদেহটো। যি দৃশ্যই হাজোত উদ্ধাৰ অভিযানৰ নামত হাজোৰ চক্ৰ বিষয়াজনৰ গাফিলতিকে প্ৰমাণ কৰিলে বুলি ৰাইজে মন্তব্য কৰিছে। উল্লেখ্য যে জাপিয়া অঞ্চলত বানে কালৰূপ ধাৰণ কৰিছে। বুৰাই পেলাইছে সকলো লোকৰ ঘৰ-দুৱাৰ, বাট-পথ সকলো। তেনে এক সময়ত ঘৰৰ বাৰাণ্ডাৰ পৰা পৰি কৰুণ মৃত্যুক সাৱটি ল’ব লগা হয় এইজন দুৰ্ভগীয়া লোকজনে। মৃত্যুৰ পাছত মৃতদেহটো সৎকাৰ কৰিবলৈ নাই কোনো ওখ ঠাই। অথচ বাৰম্বাৰ অনুৰোধ জনোৱা সত্ত্বেও স্থানীয় প্ৰশাসন অথবা হাজোৰ বিধায়িকাগৰাকীয়ে নাও এখন যোগাৰ কৰি নিদিলে বুলি ৰাইজে অভিযোগ কৰিছে। উদ্ধাৰ অভিযান, বানাক্ৰান্তক জৰুৰী সহায় কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কঠোৰ নিৰ্দেশ দিয়াৰ পাছতো হাজোৰ চক্ৰ বিষয়াজনে ইয়াক আওকাণ ৰা বুলি ৰাইজে কয়।

# ৰাষ্ট্ৰপতি পদত দ্ৰৌপদী মুৰ্মু বিজেপিৰ

*এক পৃষ্ঠাৰ পৰা*

### যশৱন্ত সিন্‌হাই বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী

নৰেন্দ্ৰ মোদী চৰকাৰৰ চোকা সমালোচক প্ৰাক্তন বিজেপি সিন্‌হাক আজি বিৰোধীয়ে উমৈহতীয়া প্ৰাৰ্থীৰূপে ঘোষণা কৰে। এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰৰ দিল্লীৰ বাসগৃহত আজি দিনৰ ভাগত ১৮ টা মিত্ৰদলৰ বৈঠকত এই সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণৰ পাছত কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেসহ নেতাসকলে সংবাদমেলত ইয়াক সদৰী কৰে। বিজেপিৰ বিৰুদ্ধে ধৰ্মীয় নিৰপেক্ষ শিবিৰৰ সৰ্বসন্মত প্ৰাৰ্থী যশৱন্ত সিন্‌হা হ’ব বুলি ঘোষণা কৰা হয়। কংগ্ৰেছৰ যোগাযোগ বিভাগৰ মুৰব্বী জয়ৰাম ৰমেশে বিৰোধীৰ যৌথ বিবৃতি পাঠ কৰি কয়, ‘আগন্তুক ৰাষ্ট্ৰপতি নিৰ্বাচনত আমি উমৈহতীয়া প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ সিদ্ধান্ত লৈছো আৰু অধিক ক্ষতি কৰি থকাৰ পৰা মোদী চৰকাৰক ৰোধ কৰিবলৈ আগবাঢ়িছো। আমি এক বৈঠকত যশৱন্ত সিন্‌হাক উমৈহতীয়া প্ৰাৰ্থীৰূপে ঘোষণা কৰি তেওঁক ভোট দিবলৈ সকলোকে আহ্বান জনালো।’ এই যৌথ বিবৃতিৰ জৰিয়তে বিজেপি আৰু সহযোগী দলৰ পৰাও সিন্‌হাৰ প্ৰাৰ্থিত্বক সমৰ্থন জনাবলৈ আহ্বান জনোৱা হয় আৰু কোৱা হয় দেশে যাতে বিবাদহীনভাৱে এজন যোগ্য ৰাষ্ট্ৰপতি নিৰ্বাচন কৰিব পাৰে তাৰ বাবে সমৰ্থন জনাব লাগে।

সিন্‌হাৰ হৈ প্ৰচাৰ অভিযান গতিশীল কৰি তুলিবলৈ এক সমিতিও গঠন কৰা হয়। এই কথা সদৰী কৰি ৰমেশে কয়, ‘এয়া পৰিতাপৰ বিষয় যে মোদী চৰকাৰে সৰ্বসন্মত ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী বাছনিৰ বাবে কোনো গুৰুত্বপূৰ্ণ প্ৰচেষ্টা হাতত নল’লে।’ তেওঁ কয় যে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনক লৈ আগন্তুক মাহবোৰত বিৰোধীৰ ঐক্য অধিক দৃঢ় হ’ব। তৃণমূল নেতা সিন্‌হাই আজি পুৱাভাগত সামাজিক মাধ্যমযোগে ইংগিত দি কয় যে বিৰোধীৰ বৃহত্তৰ ঐক্যৰ স্বাৰ্থৰ বাবে কাম কৰিবলৈ তেওঁ দল ত্যাগ কৰিব লাগিব। টুইটাৰত তেওঁ কয়, ‘টি এম চিত মোক জনোৱা সন্মানৰ বাবে মই মমতাৰ প্ৰতি কৃতজ্ঞ। এতিয়া বৃহত্তৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ হকে কাম কৰাৰ সময় সমুচিত হৈছে। মই বিৰোধীৰ বৃহত্তৰ ঐক্যৰ বাবে কাম কৰিবলৈ দলৰ পৰা পদত্যাগ কৰিব লাগিব।’

উল্লেখ্য যে আজি প্ৰাৰ্থী বাছনিৰ বৈঠকত পাৱাৰৰ বাসগৃহত উপস্থিত আছিল চি পি আই (এম) নেতা সীতাৰাম য়েছুৰিকে ধৰি আগশাৰীৰ নেতৃবৃন্দ। সিন্‌হাক বাছনিৰ পূৰ্বে পশ্চিমবংগৰ ৰাজ্যপাল গোপালকৃষ্ণ গান্ধী, পাৱাৰ আৰু জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ফাৰুক আব্দুল্লাই ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্বৰ প্ৰস্তাৱ নাকচ কৰিছিল। মন কৰিবলগীয়া যে প্ৰাক্তন আমোলা যশৱন্ত সিন্‌হাই ১৯৮৪ত জনতা দলত যোগদান কৰি সক্ৰিয় ৰাজনীতিত পদাৰ্পণ কৰে। ইয়াৰ পাছত তেওঁ বিজেপি শিবিৰত যোগ দিয়ে আৰু এসময়ত তেওঁ দলৰ মুখপাত্ৰ আছিল। বাজপেয়ী কাৰ্যকালত বিত্ত আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্বও চম্ভালিছে। ২০১৪ত অৱশ্যে নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহৰ হাতত বিজেপিৰ বাঘজৰী পৰাৰ পাছৰে পৰা তেওঁৰ দলটোৰ স’তে সম্পৰ্কৰ অৱনতি ঘটিবলৈ ধৰে। মোদী-শ্বাহৰ আমোলত বিজেপিৰ চিন্তাধাৰা গণতন্ত্ৰৰ বিৰোধী বুলি বহুবাৰ মুকলি অভিযোগ কৰি আহিছে সিন্‌হাই। অৱশেষত ২০১৮ত তেওঁ দলত্যাগ কৰে আৰু ২০২১ৰ মাৰ্চত তৃণমূলত যোগ দিয়ে। তেওঁৰ পুত্ৰ জয়ন্ত সিন্‌হা অৱশ্যে এতিয়াও বিজেপিৰ নেতা আৰু ঝাৰখণ্ডৰ হাজেৰিবাগ লোকসভা সমষ্টিৰ সাংসদ।

### দ্ৰৌপদী মুৰ্মু বিজেপিৰ পছন্দৰ প্ৰাৰ্থী

ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল দ্ৰৌপদী মুৰ্মুক আজি বিজেপিয়ে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে ঘোষণা কৰে। ওড়িছাৰ আদিবাসী নেত্ৰী ৬৪ বছৰীয়া মুৰ্মু দেশৰ ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ’লে এনে পদ শুৱনি কৰা প্ৰথমগৰাকী আদিবাসী মহিলাৰূপে বিবেচিত হ’ব। আজি সন্ধিয়া বিজেপিৰ সংসদীয় সমিতিৰ বৈঠকৰ পাছতে প্ৰাৰ্থীগৰাকীৰ নাম ঘোষণা কৰা হয়। দলৰ ৰাষ্ট্ৰীয় মুৰব্বী জে পি নড্ডাই জনোৱা মতে, এই পদৰ বাবে দলে আজিৰ বৈঠকত ২০ টা নাম আলোচিত হয় যদিও পূব ভাৰতৰ পৰাই প্ৰাৰ্থী নিৰ্বাচনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ২০১৭ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পূৰ্বেও এই পদৰ প্ৰাৰ্থীৰূপে শক্তিশালী দাবীদাৰ আছিল মুৰ্মু। অৱশ্যে সেই সময়ত বিহাৰৰ ৰাজ্যপালৰূপে কাৰ্যনিৰ্বাহ কৰি থকা বৰ্তমানৰ ৰাষ্ট্ৰপতি ৰামনাথ ক’বিন্দ আছিল এজন দলিত লোক। ওড়িছাৰ পৰা দুবাৰকৈ বিধায়ক নিৰ্বাচিত হোৱা মুৰ্মু নবীন পাটনায়কৰ কেবিনেটত মন্ত্ৰীও আছিল।

# ৯০ হেজাৰ শিশুলৈ পাঁচশ পেকেট খাদ্য

*এক পৃষ্ঠাৰ পৰা* ৰাজহ চক্ৰৰ প্ৰায় পাঁচ লাখ লোক আক্ৰান্ত হৈছে যদিও ইয়াৰ বিপৰীতে সাহায্য শিবিৰ স্থাপন কৰা হৈছে মাত্ৰ ৫৬ টা। আনহাতে, ৯১ টা বান সাহায্য শিবিৰৰ জৰিয়তে বানাক্ৰান্তক বান সাহায্য বিতৰণ কৰা হৈছে যদিও সি মুঠেই পৰ্যাপ্ত নহয় বুলি বানাক্ৰান্ত ৰাইজে অভিযোগ তুলিছে। আশ্ৰয় শিবিৰৰ অভাৱত হেজাৰ হেজাৰ বানাক্ৰান্তই বিভিন্ন পথৰ দাঁতিত পলিথিনৰে তম্বু তৰি তাতেই আশ্ৰয় লৈ থকা পৰিলক্ষিত হৈছে, য’ত নাই বিশুদ্ধ খোৱাপানী, শৌচাগাৰৰ সুবিধা। ১৫ জুনৰ পৰা আৰম্ভ হোৱা বান পৰিস্থিতিৰ বাবে কামপুৰত ঘৰ এৰিব লগা হৈছে ৯০ হেজাৰ ৫৬৪ টাকৈ শিশুৰে। একেদৰে ৰহাত বানৰ দ্বাৰা আক্ৰান্ত হৈছে ৪০,৭১৪ টা শিশু। নগাঁও সদৰত আক্ৰান্ত হৈছে ১৬ হেজাৰ ৭১৮ টিকৈ শিশু। জিলাখনত এই বেলি সোমবাৰ পৰ্যন্ত বানৰ কৱলত পৰিছে সৰ্বমুঠ এক লাখ ৪৯ হেজাৰ ৬২২ টিকৈ শিশু। এই শিশুসকলৰ বাবে নগাঁও জিলা প্ৰশাসনে কি কৰিছে সেয়াহে চিন্তনীয় বিষয়। বানাক্ৰান্ত এই বৃহৎ সংখ্যক শিশু জিলা প্ৰশাসনে স্থাপন কৰা আশ্ৰয় শিবিৰতে নাই। পৰিয়ালৰ স’তে কোনো আছে পথৰ কাষত, কোনো আছে বানৰ মাজৰ ওখ স্থানত।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে সতৰ্ক কৰি দিছে ৰাজ্যৰ সকলো উপায়ুক্তক শিশু খাদ্য যোগান ধৰাৰ ক্ষেত্ৰত কৃপনালি নকৰিবলৈ। সাহায্য প্ৰদানৰ বাবে চৰকাৰৰ ধনৰ অভাৱ নাই বুলি স্পষ্ট কৰি দিছে। সাহায্য প্ৰদানত হেমাহি নকৰিবলৈ কঠোৰ বানী শুনাইছে মুখ্যমন্ত্ৰীয়ে। তাৰ পাছতো নগাঁৱত শিশু খাদ্য প্ৰদানত বিষয়াৰ কৃপনালি। এক লাখ ৪৯ হেজাৰ ৬২২ টা শিশুৰ বাবে নগাঁও জিলা প্ৰশাসনে শিশু খাদ্য কি দিছে জানিলে চকু কপালত উঠিব। সোমবাৰৰ দিনটোত কামপুৰৰ বানাক্ৰান্ত ৯০ হেজাৰ ৫৬৪ টা শিশুৰ বাবে দিয়া হৈছে ২৫০ পেকেট পনীয়া আৰু ২৫০ পেকেট নিমখীয়া শিশু খাদ্য। নগাঁও সদৰৰ ১৩ হেজাৰ ৫১২ শিশুৰ বাবে ৩,১৬২ পেকেট পনীয়া আৰু ৪,৫৪২ পেকেট নিমখীয়া শিশু খাদ্য। দুৰ্ভাগ্যজনক বিষয় এই যে সোমবাৰৰ দিনটোত ৰহাৰ ৩৯ হেজাৰ ২৪ টা শিশুৰ বাবে কোনো শিশু খাদ্য প্ৰদান কৰা নাই নগাঁও জিলা প্ৰশাসনে। ১৯ জুনত কামপুৰলৈ আগবঢ়োৱা হৈছিল এহেজাৰ পেকেটকৈ পনীয়া আৰু নিমখীয়া শিশু খাদ্যৰ পেকেট। ৰহালৈ ৫৩৪ পেকেটকৈ পনীয়া আৰু নিমখীয়া খাদ্য। ১৮ জুনত কামপুৰলৈ বুলি দিছিল ৫০০ পেকেটকৈ নিমখীয়া খাদ্য আৰু পনীয়া খাদ্য। ১৬ আৰু ১৭ জুনত কোনো খাদ্য পেকেট যোগান ধৰা হোৱা নাছিল।

আনহাতে, আজিৰ দিনটোত কামপুৰ ৰাজহ চক্ৰত ১৭১০.৯৭ কুইণ্টল চাউল, ৩২৬.৬৮ কুইণ্টল দাইল, ৯৮ কুইণ্টল নিমখ, ৰহা ৰাজহ চক্ৰত ৪৪১.৭৯ কুইণ্টল চাউল, ৭৯.৪৬ কুইণ্টল দাইল, ২৩.৮৪ কুইণ্টল নিমখ, কলিয়াবৰ ৰাজহ চক্ৰত ৬৯.৪০ কুইণ্টল চাউল, ১৩.৭৫ কুইণ্টল দাইল আৰু ৪.১৩ কুইণ্টল নিমখ বান সাহায্য হিচাপে দিয়া হৈছে বুলি জিলা প্ৰশাসনৰ তথ্যত প্ৰকাশ। ইপিনে, আজিৰ দিনটোত কামপুৰ আৰু কলিয়াবৰ ৰাজহ চক্ৰত কোনো শিশু আহাৰ যোগান ধৰা হোৱা নাই। দিনটোত নগাঁও ৰাজহ চক্ৰৰ বান দুৰ্গত শিশুৰ বাবে ১০,৬৮০ পেকেট পনীয়া আহাৰ আৰু সম পৰিমাণৰ গোটা আহাৰৰ পেকেট, ৰহা ৰাজহ চক্ৰৰ বাবে ২০৪.৮০ পেকেট পনীয়া আহাৰ আৰু ১,০২৪ পেকেট গোটা আহাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি চৰকাৰী তথ্যত প্ৰকাশ। উল্লেখ্য যে নগাঁও জিলাত দুৰ্যোগ প্ৰশমন বিভাগটোৰ দায়িত্ব আছে জিলা উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈৰ হাতত। নগাঁৱৰ প্ৰলয়ংকৰী বানৰ সময়ত মন্ত্ৰী, বিধায়ক বান চাবলৈ গ’লে তেওঁলোকৰ লগত যায় উন্নয়ন আয়ুক্ত উদয়াদিত্য গগৈ। আন সময়ত উপায়ুক্ত কাৰ্যালয়ৰ পৰা ফোনতে প্ৰলয়ংকৰী বান পৰ্যবেক্ষণ কৰে বিষয়াজনে। প্ৰশাসনৰ সূত্ৰই জনোৱা মতে, শিশু খাদ্য প্ৰদানৰ বাবে চক্ৰ বিষয়াৰ পৰা ৰিকুউজেচন পাব লাগে উপায়ুক্তই। সেই মৰ্মে সামগ্ৰী যোগান ধৰা হয়। প্ৰশ্ন হৈছে দুৰ্যোগ প্ৰশমন বিভাগে প্ৰস্তুত কৰা প্ৰতিবেদন মতে নগাঁৱত বানাক্ৰান্ত শিশু আছে এক লাখ ৪৯ হেজাৰ ৬২২ জন। তাৰ পাছত বিগত পাঁচদিনে শিশুৰ বাবে যথোপযুক্ত খাদ্য যোগান নধৰাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে।

ইপিনে, জিলাখনৰ প্ৰায় পাঁচ লাখ বানাক্ৰান্তৰ অধিকাংশ লোকেই বান সাহায্যৰ নামত একোৰেই লাভ কৰা নাই বুলিও অভিযোগ উঠিছে। প্ৰয়োজনীয় আশ্ৰয় শিবিৰৰ অভাৱত কোনো ওখ ঠাই, পথৰ দাঁতিত পলিথিনৰে তম্বু তৰি কোনোমতে আশ্ৰয় লৈ থকা বানাক্ৰান্তৰ ভিতৰৰ বৃদ্ধ আৰু গৰ্ভৱতী মহিলা, প্ৰসূতি মাতৃ সকলৰো দুৰ্গতিৰ সীমা নোহোৱা হৈছে। স্মৰ্তব্য যে নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰ অঞ্চলত ১৭ টা, নগাঁও ৰাজহ চক্ৰ অঞ্চলত ২৬ টা আৰু ৰহা ৰাজহ চক্ৰ অঞ্চলত ১৩ টা ৰিলিফ কেম্প স্থাপন কৰা হৈছে।

# সৰুতেই যোগাভ্যাস কৰালে সন্তান

*এক পৃষ্ঠাৰ পৰা* এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আজি ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত কেন্দ্ৰীয় যোগ দিৱস পালন কৰা হয়। এই যোগ দিৱসতে অংশ লৈ মুখ্যমন্ত্ৰীয়ে পুনৰ কয়, ‘যোগে প্ৰাণৰ সঞ্চাৰ কৰে, মন আৰু শৰীৰ সন্তুলিত কৰি সকলোকে আধ্যাত্মিকভাৱে সবল কৰি সকলো দিশতে ইতিবাচক দৃষ্টিভংগীৰ উন্মেষ সাধন কৰে।’ তেওঁ কয় যে যোগ হ’ল শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক যোগসূত্ৰ স্থাপনৰ এক মাধ্যম। আধুনিক সভ্যতাৰ বিভিন্ন মানসিক চাপসমূহৰ স’তে সহজতে মোকাবিলা কৰাত যোগে উত্তম প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলাত সহায় কৰে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয়, ‘যোগ আৰু সুখৰ মাজত এক অপূৰ্ব সম্বন্ধ আছে। মানুহ সুখী হোৱাৰ ক্ষেত্ৰত যোগে বিধান দিয়ে। যোগ হৈছে এক বিজ্ঞান। সেইবাবে বিশ্বব্যাপী সাৰ্বজনীনতা সম্ভৱ হৈ পৰিছে।’

কে’বা হেজাৰ লোকৰ স’তে যোগাসন কৰাৰ পূৰ্বে নিজৰ ভাষণত ৰাজ্যৰ বানত সৰ্বস্বান্ত হোৱা লোকসকলৰ প্ৰতি সশ্ৰদ্ধ নিবেদনেৰে মুখ্যমন্ত্ৰীয়ে কয়, ‘আমি সেইসকল ৰাইজৰ কাষত সদায়ে আছো আৰু যৎপৰোনাস্তি সহযোগিতা আগবঢ়োৱাৰ চেষ্টা কৰিছো।’ সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ ৭৫টা স্থানত যোগ দিৱস পালন কৰা বুলি উল্লেখ কৰি যোগৰ আঠটা গুৰুত্বপূৰ্ণ অংগৰ কথা বিস্তৃতভাৱে উল্লেখ কৰি তেওঁ কয়, ‘যোগৰ এই আঠটা অংগই ভাৰতীয় সভ্যতা আৰু সংস্কৃতিক স্বীকৃতি প্ৰদান কৰিছে। ভাৰতীয় সভ্যতা-সংস্কৃতি জ্ঞানৰ মাৰ্গ দৰ্শনৰে সমগ্ৰ বিশ্ববাসীক পথ প্ৰদৰ্শন কৰাতো এতিয়া সৰ্বজনবিদিত। সুস্থ আৰু সবল মানসিকতাৰে মানুহে কিদৰে নিজৰ জীৱনক ধনী কৰিব পাৰে, সেই দৰ্শন সনাতন সভ্যতাই দি আহিছে।’ বেদ-উপনিষদ ইত্যাদি ভাৰতীয় প্ৰাচীন মহাকাব্যত যোগ আৰু ধ্যানে কিদৰে মানুহৰ মন আৰু শৰীৰত কিদৰে প্ৰভাৱিত কৰিব পাৰে, তাৰ সুন্দৰ নিৰ্দশন দেখুৱাই গৈছে বুলি মন্তব্য কৰি ড° শৰ্মাই কয়, ‘যোগে শৰীৰ, মন, চিন্তা, কৰ্ম, প্ৰবৃত্তি আৰু মিলনৰ সাৰ্থক, স্বৰূপ প্ৰকাশ কৰে। ৰোগ, মানসিক চিন্তা, হতাশাৰ পৰা মুক্তি পোৱাৰ অন্যতম উপায় হৈছে যোগ। যোগ হৈছে অভ্যাস। একে সময়তে আমাৰ আভ্যন্তৰীণ শক্তিক ই উদ্দীপ্ত কৰে আৰু চঞ্চল মনক ই স্থিৰ কৰে। ভাগৱতত কোৱা হৈছে যোগ হৈছে আত্মাৰ যাত্ৰা। আত্মাৰ মাজেৰে আত্মালৈ গতি।’ আজি বিজ্ঞানসন্মত যোগৰ প্ৰয়োজনীয়তা বিশ্ববাসীয়ে উপলব্ধি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে পুনৰ কয় যে বস্তুবাদী পৃথিৱীত বৰ্তমানে যিমান কামৰ হেঁচা পৰিছে, তাৰ ফলত বহু হতাশাৰ সৃষ্টি হয় আৰু এনে হতাশাৰ পৰা মুক্তি পাবলৈ যোগৰ বিকল্প নাই। মুখ্যমন্ত্ৰীয়ে লগতে সকলোকে নিৰোগী হৈ থকাৰ বাবে যোগাভ্যাস কৰিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে। ইপিনে, ৰাজ্যত মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে সংগ্ৰামত যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সাম্প্ৰতিক সময়ত ৰাজ্য চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে যুঁজ দি আহিছে। সেই যুঁজত চামিল হৈ এখন ড্ৰাগছ মুক্ত সমাজ গঢ়াৰ বাবে অভিভাৱকসকলে নিজৰ সন্তানৰ সন্মুখত নিয়মীয়াভাৱে যোগৰ অনুশীলনৰ অভ্যাস গঢ়ি তোলাৰ আদৰ্শ স্থাপন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয়, ‘অভিভাৱকে সন্তানক সৰুতেই যদি যোগাভ্যাস কৰায়, তেন্তে কেতিয়াও সন্তান বিপথে পৰিচালিত হ’ব নোৱাৰে।’ তেওঁ লগতে কয় যে ভাৰতীয় সংস্কৃতিৰ শক্তিশালী এই সম্পদৰ গুৰুত্ব বিশ্বজুৰি তুলি ধৰাৰ দায়িত্ব উঠি অহা প্ৰজন্মই বহন কৰিব লাগিব। যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীসকলক যোগক জীৱনৰ অংগৰূপে গ্ৰহণ কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। তেওঁ কয়, ‘নতুন প্ৰজন্মৰ মানসিক-শাৰীৰিক বিকাশৰ বাবে যোগৰ বিকল্প নাই। যোগ মানৱতাৰ এক অদ্ভুত ঔষধ, যাৰ বাবে সমগ্ৰ বিশ্বতে এতিয়া যোগাভ্যাস বহুল চৰ্চা হৈছে।’ তেওঁ কয় যে নতুন প্ৰজন্মক সুস্থভাৱে গঢ় দিব নোৱাৰিলে এখন শক্তিশালী ৰাষ্ট্ৰ আৰু এখন শক্তিশালী ৰাজ্য গঠন কৰিব নোৱাৰি। ইয়াৰ বাবে যুৱ প্ৰজন্মৰ মানসিক আৰু শাৰীৰিক বিকাশ সাধন কৰিব লাগিব। তেতিয়াহে উন্নয়নৰ প্ৰক্ৰিয়াটো অধিক ত্বৰাম্বিত হ’ব। মুখ্যমন্ত্ৰীয়ে লগতে কয়, ‘ইতিমধ্যে ক্ৰীড়া মন্ত্ৰণালয়ে যোগৰ স’তে সংযোগ সাধন কৰিছে। শিক্ষা মন্ত্ৰণালয়ে বিদ্যালয়ৰ পাঠ্যক্ৰমত যোগৰ মহত্ত্ব প্ৰদান কৰিছে। শিশু অৱস্থাৰ পৰাই যোগ সম্পৰ্কত প্ৰগাঢ় ধাৰণা উন্মেষ কৰিব লাগিব। সকলোকে যোগাভ্যাস কৰাৰ লগতে দীঘলীয়া উশাহ লোৱাৰ আহ্বান জনাই কয় ড° শৰ্মাই যে চুটি উশাহ লোৱা বাবে কুকুৰৰ আয়ুস কম আৰু কাছৰ দীঘল উশাহৰ বাবে আয়ুস দীঘল। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা তৎপৰতাৰ বাবেই এতিয়া যোগে বিশ্বব্যাপী গুৰুত্ব লাভ কৰিছে। আনহাতে, আয়ুষ মন্ত্ৰণালয়ে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে সমগ্ৰ দেশতে যোগক অধিক জনপ্ৰিয়কৰণৰ বাবে ১০০ দিনীয়া কাৰ্যসূচী লোৱা পদক্ষেপ নিতান্তই প্ৰশংসনীয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি বিশ্ব সম্প্ৰদায়ে যোগৰ গুৰুত্ব আৰু মহত্ত্বক উপলব্ধি কৰাৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত যোগক অধিক গুৰুত্ব প্ৰদানৰ সময় আহি পৰিছে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক যোগক জনপ্ৰিয়কৰণৰ দিশত লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

অসম চৰকাৰ আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আয়োজিত আজিৰ এই যোগ দিৱসত মুখ্যমন্ত্ৰীৰ লগতে উপস্থিত থাকে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক পৰিক্ৰমা তথা উদ্যোগ মন্ত্ৰী মন্ত্ৰী বিমল বড়া, বিধায়ক প্ৰশান্ত ফুকন, চক্ৰ গগৈ, পোনাকণ বৰুৱা, তৰংগ গগৈ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম চৰকাৰৰ কে’বাজনো উচ্চ পদস্থ বিষয়া, সেনা আৰু চিআৰপিএফৰ বিষয়া সকল। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মিছন সঞ্চালক ড° এম এছ লক্ষ্মীপ্ৰিয়াই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানতে তিনিটাকৈ বৃহৎ মণ্ডপত ছাত্ৰ ছাত্ৰী, সাধাৰণ লোক, দলীয় কৰ্মকতা, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, আৰক্ষী, চিআৰপিএফকে ধৰি কে’বা সহস্ৰাধিক লোকে যোগ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

Institute of Banking Personnel Selection

Ministry of Home Affairs
Government of India

LIC

# হাউলী মৌজা অঞ্চলত মৰা মানাহ বেদখল

## ■ উচ্ছেদৰ দাবীত বৰনগৰ চক্ৰ বিষয়াক স্মাৰকপত্ৰ প্ৰদান স্থানীয় ৰাইজৰ



*বানে প্লাৱিত কৰা কলগাছিয়াত এইদৰে নাও বাই যাতায়াত।*

অগ্ৰদূত বাৰ্তা

**হাউলী, ২১ জুন ঃ** বিগত কিছুদিন ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে হাউলীৰ অঞ্চলত সৃষ্টি হৈছে কৃত্ৰিম বান। কৃত্ৰিম বান হাউলী পৌৰসভাৰ প্ৰায় আটাইকেইটা ৱাৰ্ডৰ লগতে বিটিএডিৰ এলেকা জলমগ্ন হৈ পৰিছে। ইয়াৰ উপৰি হাউলী থানাৰ আৰক্ষী জোৱানৰ আৱাস গৃহ, চতুৰ্থ অসম আৰক্ষীৰ বাহিনীৰ মুখ্য কাৰ্যালয় ছাউনী, চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান, চৰকাৰী কাৰ্যালয়, হাউলী ৰাস মন্দিৰ, মদন মোহন কীৰ্তনঘৰ চোতাল এতিয়া পানীৰ তলত। হাউলী চহৰ এলেকাৰ উপৰি গাঁও পঞ্চায়ত আৰু বিটিচি প্ৰশাসনৰ অন্তৰ্গত অঞ্চল কৃত্ৰিম বানৰ কবলত। বৃহত্তৰ হাউলী অঞ্চলৰ এই কৃত্ৰিম বানৰ মূল কাৰণ হৈছে হাউলী মৌজাৰ লগতে কিছু অংশ ঘিলাঝাৰী মৌজাৰ মাজেৰে বৈ যোৱা মৰামানাহ নৈ। এই মৰামানাহ নৈত একাংশ লোকে ব্যাপক ভাৱে বেদখল কৰাৰ ফলতে এই বৃহত্তৰ অঞ্চলটো জলমগ্ন হৈ পৰিছে। এই মৰা মানাহ নৈত হোৱা বেদখল উচ্ছেদ আৰু কৃত্ৰিম বানৰ সমস্যা সমাধানৰ দাবীত বৰনগৰ চক্ৰ বিষয়াক হাউলী বৰবাৰীঝাৰ, শিমলাঝাৰ, হালাপাকুৰী গাঁৱৰ স্থানীয় ৰাইজে পৃথকে পৃথকে এখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰে। বৰবাৰীঝাৰ আৰু শিমলাঝাৰ গাঁৱৰ ৰাইজে প্ৰদান কৰা স্মাৰক পত্ৰত উল্লেখ কৰাৰ মতে, বিগত কে'বাদিন হোৱা নেৰানেপেৰা বৰষুণৰ ফলত উক্ত গাঁও দুখনৰ ভালেসংখ্যক ঘৰ-বাৰী, খেতি-পথাৰ, পুখুৰী আদিৰ লগতে কে'বাটাও পথ কৃত্ৰিম বানত প্লাৱিত হৈছে। ইয়াৰ ফলত সাধাৰণ কৃষক ৰাইজ আৰ্থিকভাৱে ক্ষতিগ্ৰস্ত হৈছে। স্মাৰকপত্ৰত উল্লেখ কৰাৰ মতে, হাউলী বি এইছ কলেজৰ সমীপৰ ময়ূৰ ৰেষ্টুৰেণ্ট আৰু ৰেষ্টুৰেণ্টৰ কাযত এক দুষ্ট চক্ৰই মৰা নৈ সম্পূৰ্ণৰূপে বিলুপ্ত কৰি অট্টালিকা নিৰ্মাণ কৰিব লৈছে। যাৰ ফলত মৰা মানাহেৰে পানী যোৱাত বাধাৰ সৃষ্টি হৈছে। ইয়াৰ উপৰি স্মাৰকপত্ৰ উল্লেখ কৰা অনুসৰি বৰবাৰীঝাৰ, শিমলাঝাৰ, মৌটুপুৰী, হালাপাকুৰী গাঁৱৰ মাজেৰে বৈ যোৱা মৰা মানাহ নদীৰ এক বৃহৎ অংশত একাংশ সুবিধাবাদী লোকে নিজৰ মুনাফা লাভৰ স্বাৰ্থত ৰাইজৰ কথা নাভাৱি স্থায়ীভাৱে পকীঘৰ সজোৱাৰ লগতে পুখুৰী বনাই সম্পূৰ্ণ ৰূপে পাৰ বান্ধ নিৰ্মাণ কৰিছে। ফলত মৰা বিস্তীৰ্ণ অঞ্চলৰ পানী ওলাই যাব নোৱাৰি অঞ্চলটো বানত প্লাৱিত হৈ পৰিছে। এই মৰা মানাহ নদীত হোৱা বেদখল অতি শীঘ্ৰে উচ্ছেদ কৰি কৃত্ৰিম বানৰ সমস্যা সমাধান কৰাৰ দাবীত বৰনগৰ চক্ৰ বিষয়াক স্মাৰকপত্ৰ প্ৰদান কৰে স্থানীয় ৰাইজে। প্ৰশাসনৰ একাংশ বিষয়াক মেনেজ কৰি চৰকাৰী নৈ দখল কৰা দুষ্ট চক্ৰৰ বিষয়ে অনাগত দিনত বৰনগৰ চক্ৰ বিষয়াই কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব সেয়া হ'ব লক্ষ্যণীয়।

## গড়গড়ী প্ৰাথমিক বিদ্যালয়ত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২১ জুন ঃ** অসম সাহিত্য সভাৰ দৰং জিলাৰ অন্যতম শাখা সাহিত্য উদ্যোগত গড়গড়ী গাঁও সভাৰ ব্যৱস্থাপনাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৩ সংখ্যক বিষ্ণু ৰাভা দিৱস আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নিৰ্মলপ্ৰভা বৰদলৈৰ ৮৯ সংখ্যক ওপজা দিন পালন কৰা হয়। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰে গড়গড়ী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিলীপ কুমাৰ শৰ্মাই। গছপুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী নগেন ভট্টাচাৰ্য, কমিন বৰুৱা আৰু মনোজ বৰুৱাই। অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে নৰৰূপ শাখা সাহিত্য সভাৰ সভাপতি শ্ৰীৰাম বৰুৱাই। বিষ্ণুপ্ৰসাদ ৰাভা প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে বিশিষ্ট সমাজকৰ্মী দীনেশ ডেকা আৰু ড° নিৰ্মলপ্ৰভা বৰদলৈৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে নৰৰূপ শাখা সাহিত্য সভাৰ উপ-সভাপতি অজিত বণিয়াই। বিষ্ণু ৰাভাৰ দিৱস উপলক্ষে সাধাৰণ জ্ঞান, বক্তৃতা, কবিতা, চিত্ৰাংকন, বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰতিযোগিতা সঞ্চালকৰ আসন অলংকৃত কৰে কৃতী শিক্ষক গিৰিশ চমুৱাই। চিত্ৰাংকন প্ৰতিযোগিতা পৰিচালনা কৰে অমৰজ্যোতি ৰাজবংশীয়ে সাধাৰণ জ্ঞান প্ৰতিযোগিতা পৰিচালনা কৰে ভূপেন চহৰীয়া আৰু উপেন শইকীয়াই। গীত, কবিতা, বক্তৃতা প্ৰতিযোগিতাৰ পৰিচালনা কৰে বিয়ন বড়া, প্ৰসন্ন ডেকা, দীপক চহৰীয়া, মহেন্দ্ৰ বৰুৱা, ৰন্তিৰাম বৰুৱাই। মুকলি সভা আৰু বঁটা বিতৰণী সভাৰ সভাপতিৰ আসন অলংকৃত কৰে শাখাৰ সভাপতিয়ে। শাখাৰ সম্পাদক ৰামচন্দ্ৰ ডেকাই সভাৰ আৰম্ভণি ভাষণ আগবঢ়াই গড়গড়ী গাঁও সভাৰ সম্পাদক শ্ৰীমন্ত বৰুৱাই। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী মিঠু বড়োৱে।

## বানাক্ৰান্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ সজল ফাউণ্ডেছনৰ



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২১ জুন ঃ** ধাৰাসাৰ বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ পাছত ভূটানৰ পানী এৰি দিয়াৰ ফলত অসম-বংগ সীমান্তৰ বৃহত্তৰ অঞ্চলৰ নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাত বহু অঞ্চল পানীত বুৰ গৈছে। যাৰ ফলত ৰাইজৰ জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰে বৈ যোৱা সোণকোষ নৈৰ দুয়োপাৰত অৱস্থিত গাঁওসমূহত দেখা দিছে প্ৰৱল বান। বিশেষকৈ চৰ অঞ্চলৰ ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। সোণকোষ নদীৰ বাঢ়নী পানীত ৰাইজৰ যাতায়াত ব্যৱস্থাত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। এনে সময়ত কালি বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ পাৰিষদ সজল কুমাৰ সিংহই বানাক্ৰান্ত ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। সজল ফাউণ্ডেছনৰ তৰফৰ পৰা শিমুলটাপু ব্লক চৰ, গৰুমাৰা চৰত বসবাস কৰা দুই শতাধিক বানাক্ৰান্ত পৰিয়ালৰ মাজত চাউল, দাইল, সৰিয়হৰ তেল, নিমখ, আলু, পিঁয়াজ, চয়াবিন, বিস্কুট, চেনি আদি লাগতিয়াল খাদ্য সামগ্ৰীসমূহ বিতৰণ কৰা হয়। কাৰ্যসূচীত সজল ফাউণ্ডেছনৰ মুখ্য পৰিচালন সঞ্চালক সজল কুমাৰ সিংহৰ উপৰি সংস্থাটোৰ সভাপতি-সম্পাদক ক্ৰমে সুধা ৰায় আৰু প্ৰদীপ ৰায়, শিমুলটাপু ভিচিডিচিৰ সভানেত্ৰীৰ লগতে অঞ্চলটোৰ বিজেপিৰ বহু নেতা-কৰ্মী উপস্থিত থাকে।

## মাধপুৰ আশ্ৰয় শিবিৰত ষ্টাৰ চিমেণ্ট কোম্পানীৰ খাদ্য সামগ্ৰী বিতৰণ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২১ জুন ঃ** বাগ্‌সাৰ শালবাৰীৰ নিকটৱৰ্তী বজালীৰ অন্তৰ্গত ১০৮৮/২ নম্বৰ মাধপুৰ এল পি স্কুলত আশ্ৰয় গ্ৰহণ কৰি থকা অঞ্চলটোৰ বানপীড়িত দুখীয়া প্ৰায় দুশ ৰাইজক ষ্টাৰ চিমেণ্ট কোম্পানীৰ তৰফৰ পৰা বিনামূলীয়াকৈ লঘু খাদ্য হিচাপে এক পেকেটকৈ শ্লাইজ, এক পেকেট বিস্কুট আৰু এবটলকৈ বিশুদ্ধ খোৱাপানী বিতৰণ কৰা হয়। খাদ্য সামগ্ৰী বিতৰণ অনুষ্ঠানত উপস্থিত থাকে ১১৫ নম্বৰ ধুমাৰপথাৰ গাঁও পঞ্চায়তৰ সচিব মহিম বসুমতাৰী, বজালী চক্ৰ বিষয়া কাৰ্যালয়ৰ কাননগো, সমাজকৰ্মী শৰৎ স্বৰ্গীয়াৰী, লাট গাঁওবুঢ়া সদানন্দ স্বৰ্গীয়াৰী, মাধপুৰ গাঁৱৰ সভাপতি, সম্পাদক আৰু ষ্টাৰ চিমেণ্ট কোম্পানীৰ বহুকেইজন জ্যেষ্ঠ বিষয়ববীয়া। উল্লেখ্য যে মাধপুৰ গাঁৱৰ বাট-পথ, ঘৰ-দুৱাৰ, খেতি-বাতি, পোহনীয়া জীৱ-জন্তু, মাছ পালন কৰা বহু পুখুৰী আদিৰ বিস্তৰ ক্ষয়-ক্ষতি হয় ৰূপহী আৰু পহুমাৰা নদীৰ বাঢ়নী পানীৰ ফলত। ইফালে, বজালীৰ কঠালমূৰী হাইস্কুলত আশ্ৰয় গ্ৰহণ কৰি থকা বানপীড়িত ৰাইজক বজালী জিলা প্ৰশাসনৰ তৰফৰ পৰা কালিৰে পৰা কোনো ধৰণৰ ৰেছনপাতি, পশুখাদ্য আদি নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে বানাক্ৰান্ত ৰাইজে।

## চতিয়াৰ কৰৈয়নীৰ পাৰিজাত শিশু বিদ্যাপীঠত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২১ জুন ঃ** সদ্যঘোষিত ২০২১-২২ হাইস্কুল শিক্ষান্ত পৰীক্ষাত দক্ষিণ চতিয়াৰ কৰৈয়নীত অৱস্থিত ৰাজহুৱাভাৱে পৰিচালিত ব্যক্তিগত খণ্ডৰ বিদ্যালয় পাৰিজাত শিশু বিদ্যাপীঠত কালি এইবাৰ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক এক সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে অঞ্চলটোৰ বহু শিক্ষিত আৰু সমাজকৰ্মী ব্যক্তিসকলৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকবৃন্দ। সভাখনত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ সভাপতি চৈয়দুৰ ৰহমানে। তাৰ পাছত এইবাৰ সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। এইবাৰ এই বিদ্যালয়খনৰ পৰা সৰ্বমুঠ ২৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু এশ শতাংশই উত্তীৰ্ণ হৈছে। ইয়াৰে পৰীক্ষাৰ্থী ২৮ গৰাকীৰ ভিতৰত এজন ছাত্ৰই ডিষ্টিংছন, ছজন ছাত্ৰই ষ্টাৰ মাৰ্ক আৰু দুটা-তিনিটাকৈ লেটাৰসহ প্ৰথম বিভাগত ১২ জন ছাত্ৰ-ছাত্ৰী আৰু দ্বিতীয় বিভাগত নগৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হৈ বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে।

## মণিকাঞ্চন যোগ বিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২১ জুন ঃ** মৰিগাঁও জিলাৰ বৃহত্তৰ জাগী ভকতগাঁও অঞ্চলক সামৰি ২০২১তে প্ৰতিষ্ঠা লাভ কৰা মণিকাঞ্চন যোগ বিদ্যালয়ৰ উদ্যোগত মৰিগাঁও জিলা নেহেৰু যুৱ কেন্দ্ৰ আৰু কে'বাটাও ক্ৰীড়া সংগঠনৰ সহযোগত জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা হয় অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ। কাৰ্যসূচী অনুসৰি আজি পুৱা বিশ্ব হিন্দু মহাসংঘৰ ৰাজ্যিক সাংগঠনিক সম্পাদক ক্ষীৰোদ গোস্বামীয়ে এগছি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। মৰিগাঁও জিলা নেহৰু যুৱ কেন্দ্ৰৰ গাণনিক তথা স্বেচ্ছাসেৱক ধনঞ্জয় তালুকদাৰে কাৰ্যসূচী উদ্বোধন কৰা অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে অংশ গ্ৰহণ কৰি যোগৰ তাৎপৰ্য আৰু প্ৰাসংগিকতাৰ ওপৰত বক্তব্য প্ৰদান কৰে যোগ শিক্ষক ৰীণা ভৌমিক আৰু বিশিষ্ট লেখক ৰাজুমণি শইকীয়াই। মণিকাঞ্চন যোগ বিদ্যালয়ৰ সভাপতি নিৰ্মল চন্দ্ৰ বৰুৱা, উপ-সভাপতি পুলকেশ কৌশিক আৰু যোগ শিক্ষক নৱজ্যোতি ডেকা উপস্থিত থকা যোগ দিৱসৰ আনুষ্ঠানিক কাৰ্যসূচী পৰিচালনা কৰে মণিকাঞ্চন যোগ বিদ্যালয়ৰ মুখ্য প্ৰশিক্ষক অনন্ত বৰা আৰু সহযোগী প্ৰশিক্ষক নিপুমণি বৰাই। অনুষ্ঠানৰ আঁত ধৰে মণিকাঞ্চন যোগ বিদ্যালয়ৰ স্বেচ্ছাসেৱক জয়ন্ত শইকীয়াই। অনুষ্ঠানৰ শেষত অতিথিসকলৰ হাতেৰে প্ৰশিক্ষাৰ্থীসকলক অংশগ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

## ফেচুৱালত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২১ জুন ঃ** উচ্চ মাধ্যমিক বিদ্যালয় শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাবলৈ ফেচুৱালৰ নৰেন চুতীয়া সোঁৱৰণী জাতীয় বিদ্যালয়ত এখন সভা ২০ জুনত আয়োজন কৰা হয়। নৰেন চুতীয়া সোঁৱৰণী জাতীয় বিদ্যালয়ৰ শৈক্ষিক সমিতিৰ সভাপতি ক্ষেত্ৰধৰ শৰ্মাই সভাপতিত্ব কৰা সভাখনত প্ৰাক্তন শিক্ষক নিৰু বৰা, ডাঃ উমাৰাজ বৰা, প্ৰাক্তন শিক্ষয়িত্ৰী চিত্ৰা ভৰালী, ৰঞ্জিত বৰাই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। ফেচুৱাল অঞ্চলৰ মুঠ ১৫ জন সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। সভাখন আঁত ধৰে বিদ্যালয়ৰ শিক্ষক অনুপ লাহনে। আৰ্থ-সামাজিক দিশত পিছ পৰা অঞ্চলৰ পৰা শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰীসকলে দেখুওৱা আশাপ্ৰদ ফলাফলে ৰাইজৰ মাজত আনন্দৰ জোৱাৰ তুলিছে।

## বঙাইগাঁৱৰ তিনি স্থানত তিনি বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২১ জুন ঃ** বেদ-বেদান্তৰ দিনৰে পৰা 'যোগ'-এ ভাৰতীয় সংস্কৃতিত বিশেষ উল্লেখযোগ্য স্থান দখল কৰি আহিছে। মানুহৰ আধ্যাত্মিক আৰু শাৰীৰিক দুয়োটা দিশতে 'যোগ'ৰ আছে উল্লেখযোগ্য ভূমিকা। সেয়ে আজি ২১ শতিকাতো যোগৰ এই ভূমিকা সকলোৱে একেমুখে স্বীকাৰ কৰে। আৰু সেইবাবেই ভাৰতৰ লগতে আন আন দেশেও সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস চৰকাৰীভাৱে পালন কৰে। ২১ জুনতো প্ৰতি বছৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰা হয়। এইবেলি ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে উদ্‌যাপিত 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি অসমৰ ৭৫টা স্থানত বিশিষ্ট ব্যক্তিৰ উপস্থিতিত উলহ-মালহেৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। বঙাইগাঁও জিলা প্ৰশাসন তথা উত্তৰ শালমাৰা মহকুমা প্ৰশাসনৰ উদ্যোগত বঙাইগাঁও গান্ধী ময়দান, উত্তৰ শালমাৰা মহকুমাত অভয়াপুৰীত আৰু বিদ্যাপুৰৰ ৰাজবাৰীত ক্ৰমান্বয়ে বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আয়ুক্ত সচিব আকাশ দীপৰ উপস্থিতিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ মূল কাৰ্যসূচী 'সমূহীয়া যোগ' অনুষ্ঠান পুৱা সাতৰ পৰা আঠ বজালৈ অনুষ্ঠিত কৰা হ'ব। পতঞ্জলি যোগ সমিতিয়ে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত জিলা প্ৰশাসনক সহায়-সহযোগিতা আগবঢ়াব। অষ্টম শ্ৰেণীৰ পৰা তাৰ ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়েও যোগ দিৱসত অংশগ্ৰহণ কৰিব। বঙাইগাঁও জিলাৰ উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত পৰ্যায়তো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হ'ব। জিলা প্ৰশাসনে বঙাইগাঁৱৰ সমূহ ৰাইজক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

## বঙাইগাঁও জিলা সাহিত্য সভাৰ বিষ্ণু ৰাভা দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা,

**অভয়াপুৰী, ২১ জুন ঃ** কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ স্মৃতি দিৱস, সাঁকোমূৰাৰ দীনবন্ধু উচ্চ বিদ্যালয়ত কালি বঙাইগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু শংকৰঘোলা শাখা সাহিত্য সভাৰ সহযোগত তথা দীনবন্ধু উচ্চ বিদ্যালয়ৰ সৌজন্যত উদ্‌যাপন কৰা হয়। কাৰ্যসূচীৰ প্ৰথমে পুৱা ৮-৪০ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে অঞ্চলটোৰ প্ৰবীণ নাগৰিক তৰুণ কৃষ্ণ দাসে। ইয়াৰ পাছত স্মৃতি তৰ্পণৰ আৰম্ভ কৰে শংকৰঘোলা শাখা সাহিত্য সভাৰ সভাপতি উমেশ চন্দ্ৰ ৰায়ে। দিনৰ ১১ বজাৰ পৰা আৰম্ভ হোৱা স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰে বঙাইগাঁও জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি বিক্ৰম মেধিয়ে। বঙাইগাঁও জিলা সাহিত্য সভাৰ সম্পাদক বিনোদ কুমাৰ বৰ্মনে সভাৰ আঁত ধৰি অতিথিবৃন্দক আদৰণি জনাই সভাৰ উদ্দেশ্য বাখ্যা কৰে। উমানন্দ ৰায় আৰু বিজয় ৰায়ৰ পৰিচালনাত এক উদ্বোধনী গীত পৰিৱেশন কৰা হয়। সভাত ৰাভাৰ জীৱন, দৰ্শন, তথা সামগ্ৰিক দিশত আলোকপাত কৰি দীনবন্ধু উচ্চ বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিনয় দাস, ঘৰশীয়া সত্ৰৰ মঠঘৰীয়া প্ৰণয় কুমাৰ ৰায়, কালীন্দ্ৰ শৰ্মা, উমেশ চন্দ্ৰ ৰায় আদি বক্তাই ভাষণত ৰাভাৰ আদৰ্শ অনুসৰণ কৰিবলৈ সমাজ তথা ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সভাত গীত-মাতেৰে ৰাভাৰ স্মৃতি অধিক জীপাল কৰি তোলে বিভিন্ন সংগীত শিল্পীয়ে। শংকৰঘোলা আঞ্চলিক আক্ৰাছুৰ সভাপতি ভূপেন ৰায়, প্ৰাক্তন শিক্ষক উমানন্দ ৰায়, শিল্পী দীনবন্ধু দাস, প্ৰসন্ন কুমাৰ দাস আদিয়ে সুমধুৰ গীত পৰিৱেশন কৰে। তদুপৰি কৌতুক শিল্পী লক্ষীকান্ত কলিতাই কৌতুক পৰিৱেশন কৰি অনুষ্ঠানটো হাস্যৰসৰ কৰি তোলে। ছাত্ৰীসকলৰ পৰা হেচৰিনা মোমিন, মনিলা মোমিন, ৰঞ্জনা ৰায়, সংগীতা ৰায়, পিকুমণি ৰায়, মিনাক্ষী ৰায়, পৰিস্মিতা ৰায়ে গীত পৰিৱেশন কৰে। সভাৰ শেষত শংকৰঘোলা শাখা সাহিত্য সভাৰ সম্পাদক কল্যাণ ৰায়ে শলাগ জ্ঞাপন কৰে। অসম সংগীত পৰিৱেশন কৰি সভাৰ সামৰণি পৰে।

## আজাৰাত গীতে-মাতে কলাগুৰুলৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২১ জুন ঃ** আজাৰা ৰাজহ চক্ৰৰ অঞ্চলৰ আজাৰা বন্ধু মিলন নাট্য সমিতি আৰু আজাৰা জয়া সমূহীয়া কেন্দ্ৰৰ যুটীয়া উদ্যোগত কালি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু তিথিত গীতে-মাতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। আজাৰা বন্ধু মিলন নাট্য মন্দিৰত অনুষ্ঠিত অনুষ্ঠানৰ আৰম্ভণিতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে ক্ৰমে বন্ধু মিলন নাট্য সমিতিৰ সভাপতি, উপ-সভাপতি তথা জয়া সমূহীয়া কেন্দ্ৰৰ সভাপতি ৰঞ্জিত মেধি আৰু ভৱেন চন্দ্ৰ মেধিয়ে। ইয়াৰ পাছতে বিষ্ণুপ্ৰসাদ ৰাভাৰ বিভিন্নজনে গীত, গীতৰ আধাৰত নৃত্য কবিতা আবৃত্তি কৰাৰ লগতে স্বৰচিত কবিতাৰে সৈনিক শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়। অনুষ্ঠানত কে'বাগৰাকী বক্তাই বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি বক্তব্য ৰাখে। আনফালে, অঞ্চলটোৰ ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰাজধৰ বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে অন্যান্য বিদ্যালয়তো বিভিন্ন কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয়।

## গুঁইজানৰ অমিন্দ্ৰ দাস নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২১ জুন ঃ** তিনিচুকীয়াৰ গুঁইজান আৰক্ষী চকীৰ অন্তৰ্গত গুঁইজান বজাৰৰ অমিন্দ্ৰ দাস (৫৫) নামৰ এজন লোক নিৰুদ্দেশ হৈ আছে। দেওবাৰে সন্ধিয়া প্ৰায় পাঁচ বজাত কাকো একো নোকোৱাকৈ ঘৰৰ পৰা হঠাৎ ওলাই যায় আৰু তাৰ পাছত আজি পৰ্যন্ত একো খবৰ পোৱা নাই বুলি জানিব দিয়ে পৰিয়ালৰ লোকে। ইফালে, পৰিয়ালৰ লোকে সকলোফালে খবৰ কৰিও কোনো সন্ধান নোপোৱাত সোমবাৰে গুঁইজান আৰক্ষী চকীত পৰিয়ালে নিৰুদ্দেশ সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰাৰ লগতে কোনোবাই যদি অমিন্দ্ৰ দাসৰ খবৰ লাভ কৰে তেন্তে গুঁইজান আৰক্ষী চকীত নতুবা ৯৯৫৭৫৪৬৪৫৩ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালবৰ্গই।

## হাওৰাঘাটত বিস্তৃত কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস পালন



অগ্ৰদূত বাৰ্তা

**হাওৰাঘাট, ২১ জুন ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে কাৰ্বি আংলং জিলাৰ হাওৰাঘাটতো উদযাপন কৰা কলাগুৰু 'বিষ্ণুপ্ৰসাদ ৰাভা' দিৱস। হাওৰাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে স্মৰণ কৰা হয় সুন্দৰৰ পূজাৰী জনাক। পতাকা উত্তোলন, ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণৰ লগতে সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকা আৰু হাওৰাঘাট শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি কমৰেড ক্ষুদ্ৰ বৰাৰো আৱক্ষ মূৰ্তিত পুষ্প অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। ইপিনে, বিষ্ণু ৰাভা দিৱস উপলক্ষে এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, গীত-নৃত্যৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। বিয়লি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বঁটা বিতৰণী আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ কৰা হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কে'বাজনো কৃতীমানক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে কাৰ্বি আংলং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বাপুৰাম টেৰণ।

### ■ চেলেংহাটত ৰাভা দিৱস উদ্‌যাপন

## প্ৰতিযোগিতা-কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন

অগ্ৰদূত বাৰ্তা

**চেলেংহাট, ২১ জুন ঃ** সমগ্ৰ অসমৰ লগতে কালি চেলেংহাটটো বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন কৰা হয়। যোৰহাট জিলাৰ চেলেংহাটৰ বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক অনুষ্ঠান আৰু চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয়। টীয়কৰ সাংবাদকৰ্মী স্মৃতিপ্ৰিয়া লাহনে আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষা নৱনীতা গগৈয়ে। ইয়াৰ পাছতে এই দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকন আৰু ৰাভা সংগীত প্ৰতিযেগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে ঘন গগৈ, পংকজ বৰুৱা, প্ৰশান্ত বৰুৱা আৰু নিপেন গগৈ। প্ৰতিযোগিতাসমূহৰ চেলেংহাট কেন্দ্ৰৰ পৰা এইবছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা মুঠ ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষা নৱনীতা গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিষ্ণুজ্যোতি সাংস্কৃতিক গোষ্ঠীৰ সভাপতি মদন মোহন পাগবন্ধাই আঁত ধৰা সম্বৰ্ধনা সভাত যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক অনুপম গগৈ, শিক্ষক পবিত্ৰ গগৈ, মায়াশ্ৰী গগৈ, বিদ্যুৎ গগৈ, সমাজকৰ্মী তুষাৰ পাল, চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়া, চিকিৎসক দেৱাশীষ দত্তকে ধৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## নাহৰকটীয়াৰ চাচনী দাহাল গাঁৱত বিনামূলীয়া চকু চিকিৎসা সম্পন্ন



অগ্ৰদূত বাৰ্তা


**নাহৰকটীয়া, ২১ জুন ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) আৰু সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু) নাহৰকটীয়া আঞ্চলিক সমিতি তথা ডিব্ৰুগড়ৰ লায়ন কে কে চহৰীয়া চকু চিকিৎসালয় যৌথ উদ্যোগত নাহৰকটীয়াৰ চাচনী নলামুখ দাহাল গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত কালি এক বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। উক্ত শিবিৰত ডিব্ৰুগড় লায়ন কে কে চহৰীয়া চকু চিকিৎসালয়ৰ চিকিৎসক অৱনী বৰা, যতীন গগৈ, বিনোদ গগৈ আৰু চাচনী চিকিৎসালয় চিকিৎসক প্ৰবীণ কোঁৱৰে চিকিৎসা সেৱা আগবঢ়ায়। অৰ্ধশতাধিকৰো অধিক চকুৰ ৰোগীয়ে চকু চিকিৎসা গ্ৰহণ কৰা এই শিবিৰত আগছু ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সম্পাদক পুষ্কৰ শৰ্মা, আছা নাহৰকটীয়া আঞ্চলিক সমিতিৰ সম্পাদক মিখেল পুৰ্তী, প্ৰচাৰ সম্পাদক সুনীল বাৰা, আগছু নাহৰকটীয়া আঞ্চলিকৰ ভাৰপ্ৰাপ্ত সভাপতি সুৰুজ নেৱাৰ, সম্পাদক বিনোদ ছেত্ৰী, গোৰ্খা, সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি বিষ্ণু ছেত্ৰী, নাহৰকটীয়াৰ যুৱ সমাজসেৱক শৰৎ চাৰিঙীয়া ফুকন, নলামুখ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজিত গগৈ, আশাকৰ্মী ৰাধা থাপা, ভিডিপি সভাপতি ৰুদ্ৰ বাবাদুৰ ছেত্ৰীৰ লগতে বহুকেইজন আছা, আগছুৰ বিষয়ববীয়া উপস্থিত থাকে।

## হাজোত বানপীড়িতক উদ্ধাৰ-খাদ্য বস্তু যোগান ধৰাত সম্পূৰ্ণ ব্যৰ্থ প্ৰশাসন

### ■ আছুৰ অভিযোগ স্মাৰকপ্ৰত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**হাজো, ২১ জুন ঃ** কামৰূপ জিলাৰ হাজোৰ বিভিন্ন ঠাইত বানপানীয়ে জুৰুলা কৰি থকাৰ সময়ত, দিহিনা, একাদি, বাগতা, জাপীয়া, হীৰাজেনী আদি গাঁওসমূহত বানপানীয়ে কাল ৰূপ ধাৰণ কৰাত বহুতো লোক মৃত্যুৰ স'তে যুঁজি থাকিবলগীয়া হৈছে। কিন্তু কামৰূপ জিলা প্ৰশাসনে এই গাঁওসমূহৰ লোকসকলক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ আনি খাদ্য বস্তু যোগান ধৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। হাজোত ছাত্ৰ সন্থাৰ এটা সঁজাতী দলে বানপীড়িত লোকসকলৰ মাজত থিয় হৈ সকাহ দিয়াৰ চেষ্টা কৰি আছে। কিন্তু এতিয়ালৈ চৰকাৰ তথা প্ৰশাসনৰ ফালৰ পৰা বানপীড়িত লোকসকলক কেইটামান চাউল, দাইল আৰু জীৱ-জন্তুৰ কাৰণে এমুঠি চাপৰ বিতৰণ কৰি নিজৰ দায়িত্ব সামৰিব বিচাৰিছে। এতিয়ালৈ বানপীড়িত লোকসকলক উদ্ধাৰৰ কাৰণে পৰ্যাপ্ত পৰিমাণৰ নাৱৰ ব্যৱস্থা নোহোৱা কাৰণে বহুতো লোক পানীৰ মাজতে আৱদ্ধ হৈ থাকিবলগীয়া হৈছে। সেয়েহে কালি পুনৰবাৰ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতাৰ নেতৃত্বত আছুৰ এটা সঁজাতী দলে হাজো ৰাজহ চক্ৰ বিষয়াক সাক্ষাৎ কৰি অতি শীঘ্ৰেই বানাক্ৰান্ত লোকক উদ্ধাৰ কৰিবৰ কাৰণে নাৱৰ ব্যৱস্থা কৰি খাদ্য বস্তু যোগা ধৰিবৰ কাৰণে দাবী উত্থাপন কৰে। সঁজাতী দলটোত উপস্থিত আছিল আছু নেতা সুৰজিত কলিতা, নৱজ্যোতি দাস, প্ৰাণজিৎ দেওৰীয়া, মানৱ ঠাকুৰীয়াৰ লগতে কে'বাজনো আছু কৰ্মী।





# হোজাইত কপিলী, যমুনাৰ জলস্তৰ বিপদসীমাৰ তলত

## ■ হোজাইত আজিলৈ ২৫ হেজাৰ বন্যাৰ্ত আশ্ৰয় শিবিৰত

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ/হোজাই, ২১ জুন ঃ** দ্বিতীয়টো বানৰ কৱলত পৰা হোজাই জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে। ২১ জুন পৰ্যন্ত জিলাখনৰ তিনিটা ৰাজহ চক্ৰ ক্ৰমে হোজাই, লংকা আৰু ডবকাৰ মুঠ ৮৮ খন গাঁও বানৰ কৱলত আছে। আক্ৰান্তৰ সংখ্যা হৈছে ৭৯,৭৯৮ জন। ইয়াৰ উপৰি এইটো বানত ২২৭৩.০০ হেক্টৰ খেতিপথাৰ অনিষ্ট হৈছে। এতিয়াও মুঠ ৪৫ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা ২৫৯৬৫ গৰাকী বানাক্ৰান্ত ৰাইজক মুঠ ১৯ টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰৰ জৰিয়তে খাদ্যকে ধৰি সাহায্য সামগ্ৰী যোগান ধৰি থকা হৈছে। এইটো বানত সৰু-ডাঙৰ আৰু পোহালিসহ প্ৰায় ৮১,৩০৩ টা পশুধন বানৰ কৱলত পৰিছে। বানাক্ৰান্ত ৰাইজৰ এই সময়ছোৱাত আক্ৰান্ত হ'ব পৰা বেমাৰৰ চিকিৎসাৰ বাবে চিকিৎসা সাহায্যকাৰী দল ২১ টা নিয়োগ কৰি চিকিৎসা সেৱা আগবঢ়াই থকা হৈছে। আজিৰ দিনলৈ যুগুত কৰা তথ্য মতে, চক্ৰ বিষয়াৰ অধীনত এছডিআৰএফ আৰু দেশীয় নাও সমন্বিতে মুঠ ৩৩ খন নাও সক্ৰিয় থাকি খাদ্য-সামগ্ৰীকে ধৰি চৰকাৰী সাহায্য বানাক্ৰান্ত ৰাইজক বিতৰণ কৰি থকা হৈছে। জিলা প্ৰশাসনে বানাক্ৰান্ত ৰাইজৰ বাবে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰখাৰ লগতে বৰ্তমানলৈকে যোগান ধৰা খাদ্য সামগ্ৰীসমূহৰ ভিতৰত আছে চাউল ৯০০ কুইন্টল, দাইল ১১৯.৯ কুইন্টল, নিমখ ৩২.৯৯ কুইন্টল, মিঠাতেল ২১৬৪ লিটাৰ, আমূলতাজা ২৫৭২ লিটাৰ, ৰাইচব্ৰান ৬৯৬.৫ কুইন্টল, চিৰা ১২৬ কুইন্টল, গুৰ ১১,৭৪.৫ কিলোগ্ৰাম, খোৱাপানী ১২,৭৫৬ লিটাৰ, বিস্কুট ১৪২৪ পেকেট, মমবাতি ১০৩৫ পেকেট, ছেনিটাৰি নেপকিন ১,১৫৫ পেকেট, ফেনাইল ১৩৬ বটল, ব্লিচিং পাউডাৰ ৫১৫ কিলোগ্ৰাম। জিলাখনৰ মাজেদি বৈ যোৱা কপিলী নৈৰ জলস্তৰ ৬৯.৮৫৫ মিটাক (বিপদ সীমা ৭১ মিটাৰ) আৰু যমুনা নৈৰ জলস্তৰ ৫৯.৬৪ মিটাৰ (বিপদসীমা ৬০.৬৯ মিটাৰ) বৈ আছে বুলি হোজাই জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা জিলা তথ্য আৰু জনসংযোগৰ ভাৰপ্ৰাপ্ত বিষয়া উৰ্মি মেধীয়ে এক বিবৃতিযোগে এই তথ্য জানিবলৈ দিয়ে। জিলাখনত সন্ধিয়া পাঁচ বজাৰ পৰা পুৱা পাঁচ বজালৈ নৌকাৰ চলাচল বন্ধ কৰা হৈছে । দুৰ্যোগ প্ৰশমন আইন ২০০৫১ ধাৰা ৩৪ (বি) মতে জিলা উপায়ুক্তই এই নিৰ্দেশ জাৰি কৰিছে। বিশেষ প্ৰয়োজনত জিলা প্ৰশাসনৰ বিশেষ দলৰ স'তে নৌকাৰ ব্যৱহাৰ কৰিব পাৰিব বুলিও বিবৃতিত উল্লেখ কৰা হয়।

## ওপজা ঠাইত পঞ্চভূতত বিলীন শিল্পী ৰবীন বৰুৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২১ জুন ঃ** চিত্ৰ কলা জগতৰ অগণন গুণমুগ্ধক শোকৰ সাগৰত পেলাই কালি ইহ লীলা সম্বৰণ কৰা বিশিষ্ট চিত্ৰ শিল্পী ৰবীন বৰুৱা আজি পঞ্চভূতত বিলীন হ'ল তেওঁৰ জন্মস্থান নগৰৰ উপকণ্ঠ চাৰিগাঁওস্থিত নিজ গৃহৰ চৌহদত। আজি শিল্পীজনৰ নশ্বৰদেহ যোৰহাটৰ চাৰিগাঁওস্থিত নিজ গৃহলৈ অনাৰ পাছত অগণন গুণমুগ্ধই শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ৰবীন বৰুৱাই গুৱাহাটীত শোভা ব্ৰহ্ম, বেণু মিশ্ৰ, বিকাশ চক্ৰৱৰ্তী, কন্দৰ্প শৰ্মাৰ দৰে চিত্ৰ শিল্পীৰ তত্ত্বাৱধানত চিত্ৰ কলা শিক্ষাৰ পাতনি মেলি অসমৰ চিত্ৰ শিল্পৰ জগতখনলৈ প্ৰভূত বৰঙণি আগবঢ়ায়। প্ৰয়াত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সম্পাদনাত প্ৰকাশ পোৱা শিশু আলোচনী সঁফুৰা, পথেকীয়া আলোচনী প্ৰান্তিকত চিত্ৰ শিল্পী হিচাপে কাম কৰাৰ সমান্তৰালভাৱে শিশু আলোচনী মৌচাকত তো অলংকৰণ শিল্পী হিচাপে কাম কৰিছিল ৰবীন বৰুৱাই। অসমৰ বিভিন্ন লেখক-লেখিকাৰ গ্ৰন্থৰ বেটুপাত অংকন কৰি জনপ্ৰিয় হৈ পৰা যোৰহাটৰ সুসন্তান বৰুৱাৰ বিয়োগ অসমৰ চিত্ৰ শিল্পৰ জগতখনৰ বাবে এক অপুৰণীয় ক্ষতি। মৃত্যুৰ সময়ত বৰুৱাৰ বয়স আছিল ৭২ বছৰ।

# যোৰহাটত অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২১ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি যোৰহাটতো জিলা প্ৰশাসন আৰু আয়ুস, যোৰহাটৰ উদ্যোগত যোৰহাট ষ্টেডিয়াম প্ৰাংগণত 'মানৱতাৰ বাবে যোগ' শীৰ্ষক অষ্টম সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। যোগ দিৱসত ৰাজ্যৰ শিক্ষামন্ত্ৰী তথা যোৰহাট জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, 'যোগাভ্যাস আৰু আসন, স্বাস্থ্য আৰু সফলতাৰ চাবিকাঠি। গতিকে, সৰুতেই যোগাসনৰ অনুশীলনৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰি তুলিব পাৰিলে নিৰোগী হৈ থকাৰ উপৰি মন প্ৰফুল্লিত হৈ থাকিব আৰু যিকোনো কামত সহজেই মন বঢ়োৱাব পাৰিব।' জিলাখনৰ বিভিন্ন যোগ অনুষ্ঠান (কেন্দ্ৰ)সমূহে অংশগ্ৰহণ কৰা যোগ দিৱসৰ কাৰ্যসূচীত জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে যোগাসনে মানুহৰ শৰীৰ-মন সুস্থ কৰি ৰখাৰ লগতে বেমাৰৰ পৰাও দূৰত ৰাখে বুলি মন্তব্য কৰি সকলোকে যোগ অভ্যাসটো নিয়মীয়া কৰিবলৈ আহ্বান জনায়।



ইপিনে, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে অসম কৃষি বিশ্ববিদ্যালয়ে আয়োজন কৰা সপ্তাহজোৰা যোগ কাৰ্যসূচীৰ আজি সামৰণি পৰে। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বিশ্ববিদ্যালয়খনে ইয়াৰ যোৰহাটস্থ মূল চৌহদৰ ষ্টেডিয়ামত যোগ কাৰ্যসূচী অনুষ্ঠিত কৰি যোগ দিৱস উদ্‌যাপনৰ লগতে সপ্তাহজোৰা কাৰ্যসূচীৰ সামৰণি পৰে। বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত অনুষ্ঠিত যোগ দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণি কৰে উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই। ড° ভাৰত নাথ আৰু মুনমী দেৱীৰ তত্ত্বাৱধানত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ যোগ কাৰ্যসূচীত ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূঞা, সামূহিক বিজ্ঞানগুৰু ড° ৰূপা ভট্টাচাৰ্য, ভাৰপ্ৰাপ্ত কৃষি বিজ্ঞানগুৰু ড° এম কে মোদী, উপাচাৰ্যৰ সহধৰ্মিণী মনালিমা ডেকা প্ৰমুখ্যে বিশ্ববিদ্যালয়ৰ শিক্ষক, শিক্ষাৰ্থী আৰু কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। আনহাতে, বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিশ্বনাথ কৃষি মহাবিদ্যালয়, ধুবুৰীৰ শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয় আৰু লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়তো একে সময়তে যোগ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। ইয়াৰ উপৰি যোৰহাট জিলাৰ বিভিন্ন ঠাইত যোগ দিৱস উদ্‌যাপন কৰা হয়।

# পানীৰ নামত ৰাজনীতি, লুণ্ঠন-অসমীয়া জাতিক প্ৰতাৰণা কৰা হৈছে

## ■ আমগুৰিৰ চামগুৰি ৰাভা দিৱসত বিধায়ক অখিল গগৈ



**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২১ জুন ঃ** 'অসমত বাহিৰৰ পৰা অনা উদ্যোগপতিৰ টকাৰে উদ্যোগ প্ৰতিষ্ঠা কৰিলে অসম ধনী নহয়। অসম ধনী হ'ব তেতিয়া যেতিয়া অসমৰ ৭৫ শতাংশ খেতিয়কে কৰা প্ৰতিডৰা পথাৰত পানী যোগান ধৰি প্ৰতি ডৰা পথাৰত তিনিবাৰ কৃষি কৰাৰ ব্যৱস্থা কৰিব পাৰিব লাগিব।' আমগুৰিৰ চামগুৰিত এই মন্তব্য কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উপদেষ্টা তথা বিধায়ক অখিল গগৈয়ে। উল্লেখ্য যে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি চামগুৰি আৰু আমগুৰি আঞ্চলিকৰ উদ্যোগত আৰু শিৱসাগৰ জিলা সমিতিৰ সহযোগত কালি চামগুৰিত কেন্দ্ৰীয় ৰাভা দিৱস উদ্‌যাপন কৰা হয়। কিন্তু প্ৰতিকূল বতৰৰ বাবে সন্ধিয়া ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি মানস কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত গগৈয়ে কয়, 'নেতা সেইজনহে যিজন মানুহৰ কথাই হেজাৰ হেজাৰ মানুহ, এখন সমাজ তথা এটা জাতিৰ প্ৰতিধ্বনি উঠে।' ইফালে, অখিল গগৈয়ে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি বিজেপিৰ কেন্দ্ৰীয় চৰকাৰে অসমক সকলো দিশতে লুণ্ঠন কৰা বুলি কৈ কয় যে বানমুক্ত অসম গঠনৰ দিশত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। তদুপৰি বানপানী নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কোনো প্ৰচেষ্টা লোৱা নাই। বৰঞ্চ বানপানীৰ নামত ৰাজনীতি, লুণ্ঠন আৰু অসমীয়া জাতিক প্ৰতাৰণা কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰি তেওঁ বানপানীৰ স্থায়ী সমাধানৰ দাবী কৰি এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবী কৰে। লগতে বানপানী সমস্যাৰ প্ৰথম সাহায্য হিচাপে পাঁচ হেজাৰ কোটি টকা কেন্দ্ৰীয় চৰকাৰক মুকলি কৰি দিবৰ বাবেও দাবী কৰে। উল্লেখ্য যে সৰ্বাধিক স্বৰ্ণপদক অৰ্জনকাৰী শিশু হিচাপে এইবাৰ ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হোৱা আমগুৰিৰ এঞ্জেল প্ৰিয়া শইকীয়াক এই সভাতে সম্বৰ্ধনা জনোৱা হয়। ইফালে, ৰাভা দিৱসৰ লগত সংগতি ৰাখি পুৱাৰে পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

# গোংগেয়া নৈৰ খহনীয়া অঞ্চল পৰিদৰ্শন বিধায়ক নাৰ্জাৰীৰ



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২১ জুন ঃ** পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰিমিঝিমি ঘাট, কোটপাৰা, চিথিলা ঘোপত গোংগেয়া নৈৰ বাঢ়নী পানীয়ে সৃষ্টি কৰা খহনীয়া অঞ্চল আজি পৰিভ্ৰমণ কৰে স্থানীয় বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। খহনীয়া অঞ্চল পৰিদৰ্শন কৰি বিধায়ক নাৰ্জাৰীয়ে ক্ষতিগ্ৰস্ত খেতিয়ক ৰাইজৰ স'তে মত বিনিময় কৰাৰ লগতে খহনীয়া প্ৰতিৰোধ কৰিবলৈ চৰকাৰৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি ৰাইজক আশ্বাস দিয়ে। পৰিদৰ্শন কালত বিধায়কজনৰ লগতে উপস্থিত থাকে ড° ৰেজাউল কৰিম, আজাহাৰ আলী, ছাদ্দাম আলী, মৌচম শ্বেখৰ লগতে জলসম্পদ বিভাগৰ বিষয়ববীয়াসকল।

# সংবাদ মাধ্যমৰ অস্তিত্ব-সাংবাদিক সুৰক্ষা আইনৰ আহ্বান



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২১ জুন ঃ** সংবাদ মাধ্যমৰ অস্তিত্ব সুদৃঢ় কৰা আৰু সাংবাদিক সুৰক্ষা আইন প্ৰৱৰ্তনৰ আহ্বানৰে মুখ্যমন্ত্ৰীক অলপতে সাক্ষাৎ কৰে সদৌ অসম সাংবাদিক সন্থাৰ নেতবৰ্গ। এই সাক্ষাৎ কালত সন্থাৰ দাবী অনুসৰি গুৱাহাটীত এটা স্থায়ী কাৰ্যালয় হ'লে খুব ভাল হয় বুলি স্বয়ং মুখ্যমন্ত্ৰীয়ে দোহাৰে আৰু এই সন্দৰ্ভত তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকালৈ এক টোকা প্ৰেৰণ কৰি বিহিত ব্যৱস্থাৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীক প্ৰদান কৰা স্মাৰকপত্ৰৰ ছপা মাধ্যমত চৰকাৰী বিজ্ঞাপনৰ নিৰিখ বৃদ্ধি আৰু অধিক যোগান, জনসংযোগ বিভাগৰ এক্ৰিডিয়েচন সমিতিত স্থায়ী সদস্য পদ প্ৰদান আৰু স্থায়ী কাৰ্যালয় নোহোৱালৈকে চৰকাৰী ঘৰ এটা আজুৰ নামত আবণ্টন দিয়াৰ দাবী জনায়। মুখ্যমন্ত্ৰীৰ আন্তৰিকতাত আজু মুগ্ধ আৰু এই সৌজন্যমূলক সাক্ষাৎ প্ৰাসংগিক হ'ব বুলি আস্থা প্ৰকাশ কৰে সংগঠনৰ সভাপতি পংকজ কুমাৰ নাথে।

# তিনিচুকীয়াত প্ৰশাসনৰ যোগ দিৱস পালন

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২১ জুন ঃ** তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস আজি তিনিচুকীয়াৰ মানৱ কল্যাণ ভৱনত অনুষ্ঠিত হয়। জিলা উপায়ুক্ত নৰসিং পৱাৰে বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰা যোগ দিৱসত জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকল, ব্ৰহ্মাকুমাৰী তিনিচুকীয়া, আৰ্ট অৱ লিভিং তিনিচুকীয়া, পতঞ্জলি যোগপীঠ তিনিচুকীয়া, গুৰুদ্বাৰা চাহেব সমিতি তিনিচুকীয়া, চেম্বাৰ্ছ অৱ কমাৰ্চ তিনিচুকীয়াৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তি, স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ২০২২ৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ মূল বিষয়বস্তু 'মানৱতাৰ বাবে যোগ'। জিলা উপায়ুক্ত পৱাৰে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে মানৱ জীৱনত শৰীৰ আৰু মনৰ সুস্থতাৰ বাবে যোগাভ্যাসৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে। নিয়মিত যোগাভ্যাসে শৰীৰ আৰু মনৰ ভাৰসাম্য ৰক্ষা কৰাত সহায়ক বুলি উল্লেখ কৰি শৰীৰ আৰু মন সুস্থ হ'লেহে দেশ তথা সমাজৰ বাবে কৰণীয়খিনি কৰি যাবলৈ সক্ষম হ'ম বুলিও উল্লেখ কৰে।

# কৰ্দৈগুৰিত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন



**অগ্ৰদূত বাৰ্তা**
**তালাপ, ২১ জুন ঃ** তিনিচুকীয়া জিলাৰ নেহৰু যুৱ কেন্দ্ৰ তিনিচুকীয়া, কৰ্দৈগুৰি গাঁও পঞ্চায়ত, তালাপ-কৰ্দৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থা, কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘৰ যৌথ উদ্যোগত, নৱজ্যোতি স্প'ৰ্টছ ক্লাব আৰু নৱ মিলন স্প'ৰ্টছ ক্লাবৰ যৌথ সহযোগত কৰ্দৈগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজি অষ্টম সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত শতাধিক লোকে অংশগ্ৰহণ কৰে।

## আমগুৰি মহাবিদ্যালয়ত যোগ দিৱস পালন

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২১ জুন ঃ** অষ্টম সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি আমগুৰি মহাবিদ্যালয়ত আজি এক যোগ অনুষ্ঠানৰ আয়োজন কৰা হয়। পুৱা ৭.৩০ বজাত সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সমবেত হয়। উপাধ্যক্ষ বিমান শেনচোৱা বৰুৱাই সকলোৰে মংগল কামনাৰে এগছি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ আছফিয়া চুলতানাই ভাৰতীয় ঐতিহ্যত যোগচৰ্চা আৰু সাম্প্ৰতিক প্ৰেক্ষাপটত বিশ্বশান্তি প্ৰতিষ্ঠাত যোগৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। পতঞ্জলিৰ 'যোগসূত্ৰ'ৰ পৰা আৰম্ভ কৰি বিবেকানন্দ, মহাত্মা গান্ধী, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈকে ভাৰতীয় সমাজত যোগ-চৰ্চাৰ পৰিক্ৰমাৰ বিষয়েও তেওঁ চমু পৰ্যালোচনা আগবঢ়ায়। সাম্প্ৰতিক সময়ত হিংসা-সন্ত্ৰাসেৰে জৰ্জৰিত বিশ্ববাসীক নিয়মিত যোগাভ্যাসে শৰীৰ মনৰ লগতে আধ্যাত্মিক বিকাশ সাধন কৰি এখন সুস্থ-সৰল সমাজ গঠন কৰাত সহায় কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। যোগগুৰু বৰুণজ্যোতি গোহাঁয়ে মন্ত্ৰ পাঠকে আৰম্ভ কৰি অংশগ্ৰহণকাৰীসকলক সূৰ্য নমস্কাৰ, বিভিন্ন আসন তথা সেই আসনে কেনেদৰে শৰীৰ, মন সুস্থ কৰি ৰাখিব পাৰে তাৰ ব্যাখ্যা আগবঢ়ায়। তাৰ পাছত কপাল-ভাতী, প্ৰাণায়ম, ধ্যান আদিৰ প্ৰশিক্ষণেৰে এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়তো আজি অষ্টম আন্তৰ্জাতিক যোগ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠানিক মূল্যবোধ আৰু উত্তম অনুশীলন কোষৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ আৰম্ভ কৰে উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই। কোষৰ আহ্বায়ক শেখৰজ্যোতি নেওগে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ যোগবিজ্ঞান আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ লিলি চেতিয়া আৰু ৰবী শৰ্মাৰ তত্ত্বাৱধানত যোগাভ্যাস কৰা হয়। অনুষ্ঠানত উপাচাৰ্যৰ লগতে উপ-পঞ্জীয়ক (শৈক্ষিক) ড° নয়নমণি শইকীয়া প্ৰমুখ্যে বিশ্ববিদ্যালয়ৰ বিষয়া-কৰ্মচাৰী-অধ্যাপক-অধ্যাপিকা-ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# বৰমাত ৰাইজৰ দ্বাৰা মথাউৰি নিৰ্মাণ

**বৰমা, ২১ জুন ঃ** বৰমাৰ নিজজুলুকীত কালি গঞা ৰাইজ একেলগে ওলাই আহে বানপানী প্ৰতিৰোধৰ বাবে। গাঁওখনৰ পুৰুষ-মহিলা সকলোৰে হাতে হাতে দা, কুঠাৰ লৈ ওলাই আহিল মথাউৰি প্ৰতিৰোধ কৰিবলৈ। গঞা ৰাইজৰ বাঁহ, গছ আদি আনি নৈখনৰ বাঢ়নী পানী প্ৰতিৰোধৰ চেষ্টা চলায়। কাৰণ কোন সময়ত মথাউৰি ভাঙে তাৰ নাই কোনো নিশ্চয়তা। পুনৰ বৰমাৰ কে'বা ঠাইতো মথাউৰি ভঙাৰ উপক্ৰম হৈছে। বৰমা-নিজজুলুকীত বিপদসীমাৰ ওপৰেৰে পানী বাগৰিছে। যদি কেনেবাকৈ মথাউৰি ভাঙে তেন্তে মথাউৰি ভাঙিলেই প্লাৱিত হ'ব ১৫-২০খন গাঁও। উচন হ'ব নৈপৰীয়া ৰাইজ। সেয়ে বিগত চাৰি-পাঁচদিনে গাঁওখনৰ ৰাইজে এনেদৰে মৰা-পাগলাদিয়াৰ মথাউৰিটো সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰচেষ্টা চলাই আহিছে। দিন-ৰাতি একাকাৰ কৰি সকলো তৎপৰ হৈ আছে মথাউৰিটো ৰক্ষা কৰিবলৈ। তাৰ বাবে গাঁওবাসীয়ে খৰচ কৰিছে জেপৰ ধন। পিছে গুৰুত্ব নাই বিভাগীয় কৰ্তৃপক্ষৰ। আজিলৈ কোনেও মথাউৰিটো সুৰক্ষাৰ বাবে লোৱা নাই কোনো পদক্ষেপ। মৰা-পাগলাদিয়া নদীৰ পূব প্ৰান্তত অৱস্থিত বৰমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই এই ক্ষেত্ৰত গুৰুত্ব নিদিয়াৰ অভিযোগ কৰিছে ৰাইজে। আনপিনে, মন্ত্ৰী পীযুষ হাজৰিকাই দিয়া হোৱাটছএপ নম্বৰতো উত্তৰ নোপোৱাৰ অভিযোগ কৰে ভুক্তভোগী ৰাইজে। যাৰ ফলত ক্ষোভিত হৈ পৰিছে নিজ জুলুকীৰ ৰাইজ। ক্ষোভিত ৰাইজে সেয়ে বিভাগীয় কৰ্তৃপক্ষলৈ বাট নাচাই নিজে লাগি গৈছে মথাউৰি সুৰক্ষাৰ কামত।



## গোসাঁইমেৰ মোক্তাব প্ৰাথমিক বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ২০ জুন ঃ** গোলাঘাট জিলাৰ গোহাঁইমেৰ মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত গোহাঁইমেৰ মোক্তাব প্ৰাথমিক বিদ্যালয়ত কালি দিনজোৱা কাৰ্যসূচীৰে বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰাৰ লগতে বিয়লি এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। নবোদয় ফ্ৰেণ্ডচিপ ছ'চাইটীৰ উদ্যোগত আয়োজিত সভাত সভাপতিত্ব কৰে আকবৰ হুছেইনে। ধোদাং মণ্ডল সমল কেন্দ্ৰৰ চিআৰচিচি চন্দন কলিতা, দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চগিৰ আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক মতিউৰ ৰহমান, শিক্ষক আব্দুল আজিজ আদি লোকসকল উপস্থিত থকা সভাত জাৰি গীত পৰিৱেশন কৰে আদৰ্শ মধ্য ইংৰাজী মাদ্ৰাছাৰ শিক্ষক জেহিৰুল হক আৰু সংগীবৃন্দই। এই সভাতে গোহাঁইমেৰ আৰু বাৰেঘৰীয়া অঞ্চলৰ প্ৰায় ২০জনৰো অধিক মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

# বানত ককবকাইছে যমুনামুখবাসীয়ে সংকটৰ সময়ত সন্ধানহীন বিধায়ক-সাংসদৰো

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২১ জুন ঃ** মাত্ৰ এমাহ অগাপিছাকৈ অহা বছৰৰ দ্বিতীয়টো বানত হোজাই জিলাৰ লক্ষাধিক লোকে ককবকাই থকাৰ সময়ত জিলাখনক প্ৰতিনিধিত্ব কৰা দুজন গুৰুত্বপূৰ্ণ ব্যক্তি সন্ধানহীন হৈ আছে। মানুহৰ অবৰ্ণনীয় এই সংকটৰ সময়ত কোনো খবৰ নাই সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু যমুনামুখ সমষ্টিৰ বিধায়ক ছিৰাজুদ্দিন আজমলৰ। তথ্য মতে, হোজাই জিলাৰ এক লাখৰো অধিক লোক এই বানত আক্ৰান্ত হৈছে। বানত সৰ্বস্বান্ত হোৱাসকলে কোনোমতে প্ৰাণটোক লৈ আশ্ৰয় শিবিৰত থিতাপি লৈছে। এনে এক ভয়ংকৰ সংকটৰ সময়ত বান আক্ৰান্ত অঞ্চলত খাদ্য সংকট, শিশু খাদ্য, এটুপি খোৱাপানীৰ বাবে মানুহে হাহাকাৰ কৰি আছে। এই সংকটৰ সময়ত নিৰুদ্দেশ যমুনামুখ সমষ্টিৰ বিধায়ক ছিৰাজুদ্দিন আজমল। একেদৰে কোনো খবৰ নাই নগাঁও লোকসভাৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ। ৰাইজে দুয়োজন প্ৰতিনিধিক বিচাৰি ইতিমধ্যে 'লাপাতা' সন্ধানহীন জাননী জাৰি কৰিছে। এই দুয়োজন ব্যক্তিক যমুনামুখ সমষ্টিৰ ৰাইজে অভিলেখসংখ্যক ভোট দি নিৰ্বাচিত কৰিছিল। কিন্তু ৰাইজৰ এই ভয়ংকৰ সংকটৰ সময়ত দুয়োৰে কোনো খবৰ নাই। আনকি বানাক্ৰান্তসকলৰ খবৰ ল'বলৈও আহৰি নাই দুয়োজন প্ৰতিনিধিৰ। উল্লেখ্য যে যমুনামুখ সমষ্টিৰ যমুনামুখ মৌজাৰ ২০খনৰো অধিক গাঁও ভয়ংকৰ কপিলীৰ বানত ডুব গৈছে। যমুনামুখ সমষ্টিৰ চাৰ্লক, বালিৰাম, নগঞাপাম, যমুনামুখ ভেলৌগুৰি পঞ্চায়তৰ ৰাইজ বেয়াকৈ আক্ৰান্ত হৈছে। বহু গাঁৱত ঘৰৰ মূধচেদি বৈছে বানপানী। ডবকা-যমুনামুখ গড়কাপ্তানী পথ, সৰুপথাৰ-যমুনামুখ সংযোগী পথৰ লগতে যমুনামুখ-কামপুৰ সংযোগী পথো বুৰাই পেলাইছে। যমুনামুখ বজাৰৰ অধিকাংশ ঠাই বানত ডুবি যোৱাত মানুহৰ লগতে পশুধনৰ আশ্ৰয়ৰো ঠাই সংকুচিত হৈ আহিছে। বন্যাৰ্তক উদ্ধাৰৰ বাবে প্ৰশাসনৰ লগতে স্থানীয় কিছু লোকে সহায় কৰিছে যদিও সম্প্ৰতি খাদ্য সংকটে গাঁৱে গাঁৱে হাহাকাৰ সৃষ্টি কৰিছে। ইয়াতে উল্লেখ কৰা প্ৰয়োজন যে হোজাই জিলাৰ তিনিটা ৰাজহ চক্ৰ ক্ৰমে হোজাই, লংকা আৰু ডবকাৰ মুঠ ৯৭খন গাঁও এই বানত প্লাৱিত হৈছে। চৰকাৰী হিচাপ মতে, আক্ৰান্ত হৈছে ১,২৫,৩৩৫গৰাকী লোক। বেচৰকাৰী তথ্য মতে, এই সংখ্যা আৰু অধিক হ'ব।



## বিশ্বনাথত জিলা ভিত্তিক যোগাসন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২১ জুন ঃ** অষ্টম আন্তৰ্জাতিক যোগ দিৱস ২০২২ৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় আয়ুস অভিযান অসমৰ সৌজন্যত বিশ্বনাথ জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত পতঞ্জলি যোগ সমিতি বিশ্বনাথৰ সহযোগত জিলা ভিত্তিক যোগাসন ২০২২ প্ৰতিযোগিতা অনুষ্ঠিত হয়। পানীভঁৰাল ৰাধাকৃষ্ণ প্ৰণামী মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত চাৰিটা শাখাৰ মাজত অনুষ্ঠিত হয়। আৰু প্ৰত্যেক শাখাৰ পৰা বিজয়ী প্ৰতিযোগীসকলে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সক্ষম হ'ব। অনুষ্ঠানত জিলা প্ৰশাসনৰ তৰফৰ পৰা অতিৰিক্ত জিলা উপায়ুক্ত লীজা তালুকদাৰ, নডেল অফিচাৰ ড° শিৱ ভাগৱতী, এছ বি এম অ' ড° নলিনী শইকীয়া, গাঁও সংগঠনৰ সভাপতি সম্পাদককে ধৰি বহু গণ্য-মান্য লোক উপস্থিত থাকে।

# টংলা মহাবিদ্যালয়ত যোগ দিৱস পালন



**অগ্ৰদূত বাৰ্তা**
**টংলা, ২১ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে ওদালগুৰি জিলাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান টংলা মহাবিদ্যালয়তো এনচিচি, এনএছএছ, ছাত্ৰ একতা সভা আৰু আইকিউএচি সহযোগত অনুষ্ঠিত কৰা হয় অষ্টম সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস। 'মানৱতাৰ হকে যোগ' শীৰ্ষক বাণীক সাৱোগত কৰি যুৱ যোগ প্ৰশিক্ষক অৰূপ বড়োই কয় যে যোগ মানৱ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশ্ব যোগ দিৱস বুলি আজিয়েই যোগ কৰি আজিৰ পৰা নকৰো তেনেকুৱা নহয়। যোগ ব্যায়াম সদায় কৰিব লাগে, নিজৰ বাবে। দেহা থাকিলেহে বেহা, দেহত সুস্থ মন। শিশুৰ পৰা বৃদ্ধলৈকে নিয়ম অনুসৰি যোগ আসন, প্ৰাণায়াম, ধ্যান কৰি থাকিলে আমি নিৰোগী হৈ থাকিব পাৰিম, মানসিকভাৱেও সুস্থ হৈ থাকিব পাৰিম। আহকচোন আমি সকলোৱে নিজৰ দেহৰ, দেশৰ মংগলৰ অৰ্থে যোগ কৰো। যোগাসন কৰক, শৰীৰ, মন সুস্থ কৰক। যোগ প্ৰশিক্ষকজনে শতাধিক শিক্ষাৰ্থীৰ লগতে কে'বাগৰাকী শিক্ষাগুৰু অংশগ্ৰহণ কৰা অনুষ্ঠানত যোগ, আসন, প্ৰাণায়াম, ধ্যান আদি শিক্ষা প্ৰদান কৰে। টংলা মহাবিদ্যালয় এনচিচিৰ তত্ত্বাৱধায়ক ৰূপন বড়োৱে আঁতধৰা অনুষ্ঠানত অধ্যাপক মিন্টু পাঠক, কৃষ্ণকান্ত বসুমতাৰী, বিমলেশ কলিতা উপস্থিত থাকে।





# পৰীক্ষিত ৰজাৰ কাহিনী

ড° দিলীপ কলিতা



*(যোৱা সংখ্যাৰ পাছৰ পৰা)* পৰমেশ্বৰ কৃষ্ণই ইহলীলা সম্বৰণ কৰাৰ পাছত লাহে লাহে মানুহবোৰৰ গতি-গোত্ৰ বেয়াৰ ফালে ঢাল খাবলৈ লৈছিল। গোটেই পৃথিৱীত লাহে লাহে কলিৰ প্ৰভাৱ পৰিছিল। পৃথিৱীৰ পৰা সত্য, ন্যায়, ধৰ্ম আদি ক্ৰমে আঁতৰি গৈছিল। সমাজৰ বহু সংখ্যক লোকে মিছা, অসৎ চিন্তা-চৰ্চা আদিক প্ৰশ্ৰয় দিবলৈ ধৰিলে। যাৰ বাবে সমাজত অশান্তি বৃদ্ধি হ'বলৈ ধৰিলে। লাহে লাহে কলি যুগ আৰম্ভ হ'ল। কলি যুগ আৰম্ভ হোৱাৰ লগে লগে ধৰ্ম আৰু ধৰিত্ৰীৰ দুখ-কষ্টৰ সীমা নোহোৱা হ'ল। কলিয়ে কৃষ্ণৰূপী ধৰ্মৰ চাৰিখন ভৰিৰ তিনিখন কোবাই কোবাই ভাঙি পেলালে। ধৰ্মৰ ভৰি চাৰিখন হ'ল- সত্য, তপস্যা, শুচিতা আৰু দয়া। আচল কথাত ক'বলৈ গ'লে এই চাৰিটা গুণৰ ওপৰতে ধৰ্ম প্ৰতিষ্ঠিত হয়। ধাৰ্মিক লোকে সদায় সত্য কথা কয়। তেওঁ তপস্যা কৰি জ্ঞান আহৰণ কৰে। কলিয়ে ধৰ্মৰ চাৰিখন ভৰিৰ তপস্যা, শুচিতা আৰু দয়া এই তিনিখন ভৰি কোবাই কোবাই ভাঙি পেলোৱাৰ ফলত কেৱল ধৰ্মৰ সত্য নামৰ ভৰিখনহে ভাল হৈ থাকিল। কেৱল সত্য নামৰ ভৰিখনৰ ওপৰত ভৰ দি ধৰ্মই লেঙেৰিয়াই লেঙেৰিয়াই খোজ কাঢ়িব লগাত পৰিছিল। আনহাতে ধেনু ৰূপী আই ধৰিত্ৰীয়ে পাপৰ বোজা ল'ব নোৱাৰি দুখত কন্দা-কটা কৰি থাকিব লগীয়াত পৰিছিল। কৃষ্ণৰূপী ধৰ্মই ধেনুৰূপী আই ধৰিত্ৰীয়ে কন্দা-কটা কৰি থকা দেখি ওচৰ চাপি লাহেকৈ সুধিলে, 'আই ধৰিত্ৰী, তুমি কিয় এনেদৰে মন মাৰি আছা? আই ধৰিত্ৰীয়ে তেতিয়া ধৰ্মক ক'লে; 'ধৰ্ম, তুমি নিজেই দুখ সাগৰত ডুব গৈ আছা। দুষ্ট কলিয়ে তোমাৰ তিনিখন ভৰি ভাঙি পেলালে। মাত্ৰ সত্য নামৰ ভৰিখনৰ ওপৰত ভৰ দিহে অলৈ-তলৈ যাব পাৰিছা। তুমি নিজে ইমান দুখত থাকি মোৰ বাবে আকৌ দুখ কৰিছা কিয়?' আই ধৰিত্ৰীৰ কথা শুনি বৃষভৰূপী ধৰ্মই ক'লে, 'হে দেৱী, মই যে সুখত থকা নাই সেই কথা মই বুজি নোপোৱা নহয়। আই ধৰিত্ৰী, তুমি যে পৰমেশ্বৰ কৃষ্ণৰ দুখতে এনেদৰে শুকাই-ক্ষীণাই গৈছা সেইকথা মই ভালদৰে বুজি পাইছো। পৰমেশ্বৰে তোমাৰ দুখ-কষ্ট পাতলাবৰ বাবেই কৃষ্ণৰূপে অৱতাৰ গ্ৰহণ কৰিছিল। এতিয়া সেই পৰমেশ্বৰ কৃষ্ণই তোমাক এৰি গুচি যোৱাত তুমি কান্দি-কাটি ব্যাকুল হৈছা।' ধৰ্মৰ কথা শুনি আই ধৰিত্ৰীয়ে ক'লে, 'ধৰ্ম, তুমি সকলো কথা জানাই। তুমি ইয়াকো জানা, তেৱাই পৃথিৱী এৰি যোৱাৰ পাছৰ পৰাই মহাপাপী কলিয়ে পৃথিৱীত প্ৰৱেশ কৰি মানুহৰ হৃদয়ৰ পৰা দয়া, প্ৰেম আদি গুণবোৰৰ বিলুপ্তি ঘটাইছে। সংসাৰখন পাপত ডুব গ'ল। মানুহে সৎ কৰ্ম কৰিবলৈ এৰি অসৎ কৰ্মক প্ৰশ্ৰয় দিবলৈ লৈছে। পাপী কলিয়ে তোমাৰ সত্য নামৰ ভৰিখনৰ বাদে আন তিনিখন ভৰি নষ্ট কৰি পেলাইছে। হে ধৰ্ম, তুমি মানৱ সমাজত কেনেকৈ বৰ্তি থাকিবা? তোমাক গুৰুত্ব দিয়া লোকৰ সংখ্যা আঙুলি মূৰত লেখিব পৰা হ'ব। ধৰ্ম, তুমি অবিহনে মোৰ কি গতি হ'ব? অধৰ্মৰ প্ৰতাপত মোৰ দিনক দিনে অশান্তি বৃদ্ধি পাব।' এনেদৰে আৰু বহু দুখৰ কথা কৈ আই ধৰিত্ৰীয়ে চকুপানী টুকিলে। আই ধৰিত্ৰীৰ দুখ দেখি ধৰ্ময়ো চকুপানী টুকিলে। এতিয়া এটা প্ৰশ্ন উঠিব পাৰে যে কলিনো কোন? হিন্দু ধৰ্মৰ মতে পৃথিৱী সৃষ্টি হোৱাৰ পৰা বৰ্তমানলৈকে সময়ৰ হিচাপ কৰি চাৰিটা যুগত ভাগ কৰিছে। এই যুগ চাৰিটা হ'ল—সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি। এই চাৰি যুগৰ অধিপতি কেইজন হ'ল একো একোজন দেৱতা। যুগ কেইটাৰ নামৰ স'তে সেই দেৱতা কেইজনৰ নাম একেই অৰ্থাৎ সত্য যুগৰ অধিপতি সত্য নামৰ দেৱতাজন। ত্ৰেতা যুগৰ অধিপতি ত্ৰেতা নামৰ দেৱতাজন, দ্বাপৰ যুগৰ অধিপতি দ্বাপৰ নামৰ দেৱতাজন আৰু কলি যুগৰ অধিপতি হ'ল কলি নামৰ দেৱতাজন। সত্য যুগত সকলো মানুহ অতি সৎ স্বভাৱৰ আছিল। মিছা, কপটতা, অসততা, হিংসা-খিয়াল আদি একেবাৰেই নাছিল। সত্যযুগৰ পাছত ত্ৰেতা যুগ আৰম্ভ হ'ল। ত্ৰেতা যুগত বিষ্ণুৱে চাৰি অংশৰূপে ৰাম, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন নাম লৈ অযোধ্যাৰ ৰজা দশৰথৰ পুত্ৰৰূপে জনম লৈছিল। ত্ৰেতা যুগত চাৰিভাগৰ তিনি ভাগ ভাল কাম হৈছিল আৰু এভাগ বেয়া কাম হৈছিল। তাৰ পাছত দ্বাপৰ যুগ। এই সময়ত বিষ্ণুৱে মানৱৰূপী ভগৱান কৃষ্ণৰ নাম লৈ জনম লৈছিল। দ্বাপৰ যুগত ভাল কাম যিমান হৈছিল, বেয়া কামো সিমানেই হৈছিল। দ্বাপৰ যুগৰ পিছত কলি যুগ আৰম্ভ হ'ল। এই কলি যুগৰে অধিপতিজন হ'ল কলি নামৰ দেৱতাজন। কলিযুগত চাৰিভাগৰ তিনি ভাগ বেয়া কাম আৰু এভাগহে ভাল কাম হৈছে। কলিৰ শেষত কল্কি নামৰ এজন দেৱতাৰ অবিৰ্ভাৱ হ'ব। তেওঁ পৰমেশ্বৰৰে অৱতাৰ। কল্কিয়ে সমাজৰ অসৎ মানুহবোৰক নিপাত কৰি পুনৰ সত্য যুগ প্ৰতিষ্ঠা কৰিব। শাস্ত্ৰমতে পৃথিৱী থাকে মানে এই চাৰি যুগ অদল-বদলকৈ চলি থাকিব। এতিয়া কলি যুগ চলি আছে। এই যুগৰ অধিপতি জনেই হ'ল কলি। (আগলৈ)

# অস্ত্ৰধাৰী প্ৰাণী



**প্ৰকৃতিয়ে** সকলো প্ৰাণীকে নিজাকৈ জীয়াই থকাৰ সমল দিছে। চিকাৰীৰ হাতৰ পৰা বাচি থকাৰ বাবে প্ৰকৃতিয়ে বহুতো প্ৰাণীকে এনেদৰে সৃষ্টি কৰিছে যে সিহঁতৰ শৰীৰতে প্ৰতিৰক্ষাৰ ব্যৱস্থা আছে। অৱশ্যে সেয়া সিহঁতৰ শৰীৰৰ প্ৰকৃতি অনুসাৰে সৃষ্টি কৰা হৈছে। প্ৰকৃতিয়ে কিছুমান প্ৰা জন্মগতভাৱেই কিছুমান অস্ত্ৰও দিছে। যি অস্ত্ৰৰ সহায়ত সেইবোৰ প্ৰাণীয়ে চিকাৰ কৰাৰ পৰা আৰম্ভ কৰি আত্মৰক্ষাও কৰে।

এবিধ আচহুৱা প্ৰাণী কেটেলা পহু। এইবিধ সৰু প্ৰাণীৰ দেহত প্ৰায় পাঁচ হেজাৰ কাঁইট থাকে। শত্ৰুৱে আক্ৰমণ কৰিলে সিহঁতে নিজৰ মূৰটো এনেদৰে পেটৰ ভিতৰত লুকুৱাই দিয়ে যে দেখিলে এটা কাঁইটীয়া বলৰ দৰে লাগে। সেই কাঁইটৰ বাবেই কোনো শত্ৰু প্ৰাণীয়ে কেটেলা পহুক সহজে আক্ৰমণ কৰিব নোৱাৰে। কেটেলা পহু যিহেতু তৃণভোজী প্ৰাণী, গতিকে গাত থকা সহস্ৰ কাঁইট সিহঁতে চিকাৰৰ বাবে ব্যৱহাৰ নকৰে।

কাছৰ প্ৰধান অস্ত্ৰ হৈছে নিজৰ চলং বা খোলা। আত্মৰক্ষাৰ বাবেই কাছই এই অস্ত্ৰ ব্যৱহাৰ কৰে।



আচলতে অস্ত্ৰ নহয়, চলং হৈছে ছাল। কোনো ৰীয়ে যেতিয়া এটা ছক ধৰিবলৈ আহে, তেতিয়া কাছটোৱে কঠিন লঙৰ ভিতৰতে গোপন কৰে। কঠিন চলং বা খোলা ভাঙি কাছক উলিয়াই অনাটো যিকোনো প্ৰাণীৰ বাবে কঠিন কাম।

ঘঁৰিয়ালক হিংস্ৰ প্ৰাণীসমূহৰ অন্যতম বুলি কোৱা হয়। ঘঁৰিয়ালৰ




শৰীৰত আছে অত্যন্ত কঠিন কাঁইট আৰু হাড়ৰ সমাবেশ। ঘঁৰিয়ালৰ ছাল কঠিন আৰু তাৰ ওপৰভাগত থাকে কঠিন কাঁইট। এইবোৰে



সিহঁতক শত্ৰুৰ পৰা ৰক্ষা কৰে। লগতে চিকাৰ কৰিবলৈ ঘঁৰিয়ালৰ আছে দীঘল মুখৰ ভিতৰত দুপাৰি তীক্ষ্ণ দাঁতৰ শাৰী।

পেংগ'লিন বা বনৰৌৰ আঠটা প্ৰজাতি আছে আৰু এইবিধ এতিয়া বিপন্নপ্ৰায় প্ৰাণী। চীন, থাইলেণ্ড আদিত বনৰৌৰ মাংস অত্যন্ত জনপ্ৰিয়। ইয়াৰ লগতে কোনো কোনো ঘৰুৱা দৰব প্ৰস্তুত কৰাটো বনৰৌৰ শৰীৰৰ অংগ ব্যৱহাৰ হয়। যাৰ বাবে এইবিধ প্ৰাণী ব্যাপক হাৰত চোৰাং সৰবৰাহ হয়। পেংগ'লিন একমাত্ৰ স্তন্যপায়ী প্ৰাণী, যাৰ শৰীৰত কেটাটিনৰ আবৰণ বা ৰৌ মাছৰ দৰে বাকলি আছে। এই কঠিন খোলাৰ বাকলি আৰু মাংসৰ বাবেই এই প্ৰাণী চিকাৰ কৰা হয়। আকৌ এই কঠিন বাকলিয়েই ইহঁতক আন



চিকাৰী প্ৰাণীৰ পৰা ৰক্ষা কৰে।

ব্যাপক ৰূপত চোৰাং চিকাৰীৰ কবলত পৰা এবিধ প্ৰাণী হৈছে গঁড়। এই কঠিন ছালৰ বৃহৎ আকাৰৰ প্ৰাণীবিধৰ প্ৰধান অস্ত্ৰ হৈছে খৰ্গ। আত্মৰক্ষা বা আনক আক্ৰমণ কৰাৰ বাবে গঁড়ে নিজৰ খৰ্গ ব্যৱহাৰ কৰে।



লগতে ইহঁতৰ ছাল ইমানেই টান যে সহজে ভেদ কৰিব নোৱাৰি। পৰিতাপৰ কথা যে আত্মৰক্ষাৰ সমল খৰ্গৰ বাবেই গঁড়ক মানুহে হত্যা কৰে। এবিধ আচহুৱা প্ৰাণী হৈছে আৰ্মাডিল্ল'। এই প্ৰাগ ঐতিহাসিক চেহেৰাৰ প্ৰাণীবিধৰ শৰীৰটো কঠিন হাড়ৰ পাতেৰে তৈয়াৰী। যদিও ইহঁতৰ পেট অত্যন্ত নৰম। আৰ্মাডিল্ল' নামটো স্পেনিছ ভাষাৰ, ইয়াৰ অৰ্থ হৈছে 'অস্ত্ৰ সজ্জিত সৰু প্ৰাণী'। চিকাৰীৰ হাতৰ পৰা বাচিবলৈ ইহঁতে নিজৰ শৰীৰ এনেদৰে কোঁচ খুৱাই ৰাখে যে দেখিবলৈ এটা কঠিন বলৰ দৰে লাগে।

# ক্ষমা মহান গুণ

**ভৌতিক** বিজ্ঞানৰ বিকাশত যিসকল বিজ্ঞানীয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে, তেওঁলোকৰ ভিতৰত ছাৰ আইজাক নিউটনৰ অৱদান আছিল অপৰ্যাপ্ত। নিউটনৰ মতে প্ৰত্যাহ্বান অবিহনে কোনেও ইপ্সিত লক্ষ্যত উপনীত হ'ব নোৱাৰে। যি উদ্দেশ্যৰ পথ কঠিন পৰিস্থিতিৰ মাজেৰে নাযায়, তাৰ উচ্চতাৰ প্ৰতি সন্দেহ থাকি যায়। ছাৰ আইজাক নিউটনৰ অৱিহণাসমূহৰ ভিতৰত অন্যতম হৈছে 'Enlightenment'। সমাজখনত জ্ঞানৰ পোহৰ বিলোৱাৰ বাবে তেওঁ কঠোৰ সাধনা কৰি এই বিষয়ত কেতবোৰ তত্ত্ব বিচাৰি উলিয়াইছিল। এই তত্ত্বসমূহৰ সন্ধানতে নিউটনে ২০টা বছৰ অতিক্ৰম কৰিছিল। সেইখিনি সময়ত তেওঁ অসংখ্য গৱেষণাপত্ৰ প্ৰস্তুত কৰিছিল। এদিন সন্ধিয়া নিউটনে খোজ কাঢ়িবলৈ বাহিৰলৈ ওলাই গৈছিল। তেওঁৰ গৱেষণাপত্ৰসমূহ টেবুলতে থৈ দিয়া আছিল। সেই টেবুলতে এটা লেম্প জ্বলাই থোৱা আছিল। কোনোবা এটা সময়ত নিউটনৰ মৰমৰ কুকুৰ ডায়মণ্ডে আহি টেবুলখনত জাঁপ মাৰি উঠি দিলে। ফলত লেম্পটো বাগৰি পৰিল আৰু টেবুলত জুই লাগিল। মুহূৰ্তৰ ভিতৰতে ২০ বছৰৰ কঠিন তপস্যাৰে নিউটনে প্ৰস্তুত কৰা গৱেষণা পত্ৰসমূহ পুৰি ছাই হৈ গ'ল। বিজ্ঞানী নিউটনে উভতি আহি ঘটনা দেখি মূৰে-কপালে হাত দিলে। নিউটনে ইমানেই মানসিক কষ্ট পালে যে মৰমৰ কুকুৰ ডায়মণ্ডক মাৰি পেলাবলৈকে মন গ'ল। অৱশ্যে তেওঁ তেনে কাম নকৰিলে। বৰঞ্চ ধৈৰ্য ধৰি নিউটনে ডায়মণ্ডক মৰমেৰে কাষলৈ মাতিলে। কুকুৰটোৰ পিঠি আৰু মূৰ মৰমেৰে পিহি দি মহান বিজ্ঞানীজনে ক'লে, 'ডায়মণ্ড! অ' ডায়মণ্ড! যি ক্ষতি তই কৰিলি, সেয়া তই বুজি নাপাবি।'



ইয়াৰ পাছত নিউটনে অত্যন্ত ধৈৰ্যসহকাৰে নিজৰ গৱেষণাপত্ৰৰ বাবে প্ৰয়োজন হোৱা বস্তুবোৰ মনত পেলালে আৰু নতুন উৎসাহেৰে গৱেষণাপত্ৰসমূহ প্ৰস্তুত কৰাত মনোনিৱেশ কৰিলে।

# মোল্লা নাছিৰুদ্দিন হোজাৰ সাধু



**এদিন** নাছিৰুদ্দিনৰ এজন ওচৰ-চুবুৰীয়াই আহি ক'লে ঃ 'মোল্লা, এই দুনিয়া কেতিয়া ধ্বংস হ'ব?'

ঃ 'দুনিয়াৰ কোন অংশ?'—নাছিৰুদ্দিনে সুধিলে।

ঃ দুনিয়াৰ কেইটা অংশ আছেনো?'—চুবুৰীয়াজনে সুধিলে।

ঃ 'দুনিয়াৰ দুটা অংশ। ডাঙৰ অংশ আৰু সৰু অংশ। মোৰ পত্নী ঢুকালে দুনীয়াৰ সৰু অংশ ধ্বংস হ'ব আৰু মই মৰিলে দুনীয়াৰ ডাঙৰ অংশ ধ্বংস হ'ব।'

(২৮)

এদিন নাছিৰুদ্দিনৰ পত্নীয়ে হালুৱা ৰান্ধিছিল। নাছিৰুদ্দিনে যথেষ্টখিনি খোৱাৰ পাছতো কিছু হালুৱা বাকী থাকিল।

নিশা হঠাৎ নাছিৰুদ্দিনে তেওঁৰ ঘৈণীয়েকক টোপনিৰ পৰা জগাই ক'লে ঃ 'এই মাত্ৰ সপোনত মই এটা সাংঘাতিক তত্ত্ব আৱিষ্কাৰ কৰিছো।'

ঃ 'কি তত্ত্ব?'—ঘৈণীয়েকে আচৰিত হৈ সুধিলে।

ঃ 'প্ৰথমতে বাকী থকা হালুৱাখিনি দিয়া; তাৰ পাছত ক'ম।'

ঘৈণীয়েকে হালুৱাখিনি লৈ অহাত মোল্লাই গোটেইখিনি খাই পেলালে।

ঘৈণীয়েকে সুধিলে ঃ 'এতিয়া কোৱা, তুমি কি তত্ত্ব আৱিষ্কাৰ কৰিছা? নহ'লে মোৰ টোপনি নাহে।'

নাছিৰুদ্দিনে ক'লে ঃ 'মোৰ আৱিষ্কৃত তত্ত্বটো হ'ল, দিনত ৰন্ধা হালুৱা খাই শেষ নকৰাকৈ ৰাতি শুব নালাগে। নহ'লে টোপনি নাহে।'

(২৯)

এবাৰ নাছিৰুদ্দিনৰ কেইজনমান বন্ধুৱে তেওঁক জোৰ কৰিলে ঃ 'মোল্লা আজি দুপৰীয়া আহি তোমাৰ ঘৰতে খাম।'

ঃ 'সেয়াতো বৰ ভাল কথা। আহা, মোৰ লগত।'—নাছিৰুদ্দিনে ক'লে।

ঘৰৰ ওচৰ পোৱাৰ পাছত নাছিৰুদ্দিনে ক'লে ঃ 'তোমালোকে অলপ সময় অপেক্ষা কৰা। মই মোৰ পৰিবাৰক সকলো ব্যৱস্থা কৰিবলৈ কৈ আহো।'

নাছিৰুদ্দিনে গৈ ঘৈণীয়েকৰ আগত কথাখিনি কোৱাত ঘৈণীয়েক খঙত জ্বলি পকি উঠিল আৰু ক'লে ঃ 'ধেমালি পাইছা? এই ভৰ দুপৰীয়া মই তোমাৰ বন্ধুহঁতৰ বাবে ৰন্ধা-বঢ়া কৰিম? যোৱা, গৈ এতিয়াই কোৱা যে এতিয়া আৰু এইবোৰ খোৱা-চোৱা নহ'ব।'

মূৰত হাত দি নাছিৰুদ্দিনে ক'লে ঃ এহ, তুমি আকৌ চিঞৰ-বাখৰখন কৰিছা কিয়? (আগলৈ)

# বীৰ লাচিত

**কবিতা**

অসমৰ বীৰ যোদ্ধা লাচিত বৰফুকন
মোগলৰ স'তে যুঁজাৰ কৰিছিল পণ।

দেউতাকৰ নাম আছিল মোমাই-তামুলী
নিজেও প্ৰথমে আছিল হাঁচতি তামুলী।

আহোম স্বৰ্গদেউৰ তেওঁ প্ৰিয়পাত্ৰ আছিল
সততাৰে তেওঁ নিজ কৰ্তব্য কৰিছিল।

আছিল ঘোঁৰা বৰুৱা তেওঁ বৰবৰুৱা দুলীয়া
দোলা কাষৰীয়া আৰু শিমলুগুৰীয়া।

আহোম ৰজা স্বৰ্গদেউ সিংহ চক্ৰধ্বজ
লাচিতক পদবী যচাৰ কৰিলে আলচ।

বৰফুকন পাতি তেওঁক দিলে হেংদাং
মোগলক খেদিবলৈ পাতি লৈ পাং।

তেতিয়া নামনি অসম মোগলৰ অধীন
হৈ আছিল ঔৰংজেৱৰ সাম্ৰাজ্যত বিলীন।

ৰামসিংহ আছিল ঔৰংজেৱৰ সেনাপতি
গুৱাহাটী ল'বলৈ আছিল বাহৰ পাতি।

লাচিতেও ৰক্ষাৰ বাবে কৰি ল'লে পণ
গড় এটা মৰাবলৈ কৰিলে আয়োজন।

মোগলক ভেটিবলৈ গড় এটা লাগে
একে ৰাতিত সাজিবলৈ আজ্ঞা দিলে সেয়ে।

মোমায়েকক দিছিল তেওঁ এই দায়িত্ব
শীঘ্ৰে কাম নোহোৱাত হস্কল খৰ্গহস্ত।

মোমায়েকৰ শিৰশ্চেদ তাৰ পৰিণাম
ৰাতিৰ ভিতৰত হ'ল গঁড় নিৰ্মাণ।

পিছৰ দিন শৰাইঘাটত থৈয়া-নথৈয়া ৰণ
এইখনেই বিখ্যাত জানা শৰাইঘাটৰ ৰণ।

নৌ-যুদ্ধ দুয়ো ফৈদৰ হ'ল ব্ৰহ্মপুত্ৰত
নৰিয়া দেহাৰেই লাচিত সমুখ সমৰত।

অৱশেষত মোগল সৈন্য হ'ল ধৰাশায়ী
আহোম সেনাৰ পৰাক্ৰমত লাচিত বিজয়ী।

মোগল সৈন্য পিছুৱাই গৈ মানাহ নদী পালে
লাচিতেও অসমীয়াৰ মান-যশ ৰাখিলে।

ৰামসিংহইয়ো কৈছিল হেনো এনেকুৱা কথা
'ধন্য দেশ, ধন্য মন্ত্ৰী আৰু ধন্য ৰজা'

'বৰ নবাব লাচিত বীৰ নহয় সামান্য
যন্ত্ৰাকৃতি গড় তেওঁ নাপাও একো ছিদ্ৰ।'

এনেহেন বীৰপুৰুষক প্ৰণাম জনোৱা
তেওঁৰ আদৰ্শৰে আগুৱাই যোৱা

**হৰেশ্বৰ গোস্বামী**



# বৰষুণৰ পদ্য

হুৰ হুৰ পৰিছে বৰষুণ
টোৰ টোৰ ভেকুলীৰ মাত
মাজে মাজে নাচি আছে
ত'তে নাই বিজুলীৰ গাত।
গুৰুম গুৰুম মেঘে আহি
ঢোলটি বজায়
ভয় খাই বেলিয়ে
দৌৰি পলাই।
নদ-নদী খাল-বিল
পানীৰে উপচি পৰিছে
আনন্দতে বগলীয়ে
মাছ কাছ খাবলৈ ধৰিছে।
সোণমইনাৰ বৰ দুখ
সোমাই আছে ঘৰত
বৰষুণ কিয় আহে
খেলিব নোৱাৰে বাহিৰত।

**ঝৰ্ণালী শৰ্মা বৰকটকী**



*সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ৰুক্মিণীগাঁও।*

# বত্ৰিশ লক্ষণীয়া দৰা-কন্যা

*যোৱা সংখ্যাৰ পাছৰ পৰা* ৰাজকন্যাৰ সমন্বয়ৰ দিনা লগুৱাটোৱে এটা বুদ্ধি সাজি মোহনীভাং আনি ঘোটা কৰিলে। কোঁৱৰৰ বাটিত সি ভাং সৰহকৈ দি নিজে নাম মাত্ৰ ল'লে। ঘোটা-ভাং খাই কোঁৱৰ অচেতন হৈ পৰি থাকিল। সি কোঁৱৰৰ সাজ পিন্ধি ঘোঁৰাত উঠি স্বয়ম্বৰৰ ঠাই পালেগৈ। কন্যা সমাজলৈ আহিবৰ পৰ হ'লত সি সোঁহাত আগবঢ়াই দিলে আৰু কন্যায়ো কোঁৱৰ বুলি তাৰে মৰত মালা দিলে। লগুৱাটোৱে তেতিয়াই কন্যাৰ স'তে কোঁৱৰৰ ঘোঁৰাত উঠি ঘোঁৰা চেকুৰাই গুচি গ'ল। কিছুমান বাট গৈ কন্যাই তাৰ গাৰ দুৰ্গন্ধ পালে আৰু মুখলৈ চাই সি ৰাজকোঁৱৰ নহয় বুলি জানিব পাৰিলে। তাৰ পাছত কন্যাই ভাবি-চিন্তি তাক ক'লে, 'মোৰ বৰ পিয়াহ লাগিছে; যেনে তেনে অলপ পানী আনি দিয়া।' সি কন্যাৰ সঁচা-সঁচিকৈয়ে পিয়াহ লাগিছে বুলি ভাবি, কন্যাক ঘোঁৰাৰ ওপৰতে ৰাখি ওচৰৰ এখন নৈৰ পৰা পানী আনিবলৈ গ'ল। ইফালে কন্যাই মুনিহৰ দৰে সাজ পিন্ধি ঘোঁৰা চেকুৰাই দিলে। সেইদিনা কন্যা গৈ এখন নতুন ৰাজ্যত ওলালগৈ। আৰু সেই ৰাজ্যত তেওঁৰ নাম বাহুবল বুলি চিনাকি দিলে। সেই ৰাজ্যত এটা বৰ ভয়ানক ৰাক্ষস আছিল। সেই ৰাক্ষসে ৰাজ্যত বহুত উপদ্ৰৱ কৰি মানুহৰ সুখ-শান্তি নাইকিয়া কৰিছিল; ৰাজ্যৰ মানুহবিলাকে বাহুবলক সেই ৰাক্ষস মাৰিব পাৰিব নে নোৱাৰে এই কথা সোধাত তেওঁ অনায়াসে পাৰিব বুলি ক'লে। ৰাইজে এই কথা ৰজাক জনালেগৈ। ৰজাই আনন্দ পাই ৰাক্ষস মাৰিব পাৰিলে বাহুবলক তেওঁৰ নিজৰ কন্যা আৰু অৰ্দ্ধৰাজ্য দিব বুলি প্ৰতিজ্ঞা কৰিলে। বাহুবলে এডাল ডাঙৰ শূল গঢ়াবলৈ ৰজাক ক'লে। ৰজাই দুদিনৰ ভিতৰতে শূলডাল গঢ়োৱাই দিলে। বাহুবলে মৰণলৈ ভয় এৰি সেই শূল লৈ ভৰদুপৰৰ সময়ত ৰাক্ষস মাৰিবলৈ গ'ল; কাৰণ ৰাক্ষসে ৰাতি মানুহ, গৰু আদি খাই দুপৰীয়া ধোবাংজুৰি এজোপা ডাঙৰ বৰগছৰ তলত শুই থাকে। বাহুবলে দেখিলে যে ৰাক্ষসৰ বৰ টোপনি। হাতত সাৰে, ভৰিত সাৰে লাহে লাহে তেওঁ ওচৰ চাপি গৈ ৰাক্ষসৰ মেল খাই থকা মুখত শূলডাল ঠাহি ভৰাই দিলে। ৰাক্ষসে ডেডাউৰি পাৰি তৎক্ষণাত মৰি থাকিল। ৰাক্ষসৰ ডেডাউৰি শুনি বাহুবলক খালে বুলি সকলোৱে অনুমান কৰিছিল; কিন্তু যেতিয়া ৰাক্ষস মাৰি তেওঁ ওলাই আহিল তেতিয়া সকলোৱে দেখি তেওঁক নানা প্ৰশংসা কৰিবলৈ ধৰিলে। ৰজাই তেওঁৰ প্ৰতিজ্ঞা মতে বাহুবলক কন্যা দান কৰিবলৈ ধৰিলত বাহুবলে কিছুদিনৰ পাছতহে বিয়া কৰাব বুলি ক'লে আৰু পজাৰ পদূলিতে এতিয়া এটা ঘৰ সজাই দিয়াবলৈ মাথোন ৰজাক খাটিলে। ৰজাই আনন্দৰে বাহুবলক পদূলিতে এটা সুন্দৰ ঘৰ সজাই দিয়ালে। বাহুবলে সেই ঘৰতে বহি দিনে-ৰাতিয়ে অহা-যোৱা কৰা মানুহ চাবলৈ ধৰিলে।



লগুৱাটোৱে কন্যাক ঘোঁৰাত তুলি লৈ যোৱাৰ পাছত সন্ধিয়া সময়ত ৰাজকোঁৱৰৰ গাত তত্ আহিল, ভাঙৰ ৰাগিয়ে এৰিলে। তেওঁ শোৱাপাটীৰ পৰা উঠি দুষ্ট লগুৱাটোৱে তেওঁক ফাকি দিলে বুলি জানিব পাৰিলে। পাছদিনা পুৱাই তেওঁ সেই ঠাইৰ পৰা গুচি গ'ল। কোঁৱৰ কন্যাৰ বেজাৰত বলিয়াৰ দৰে হ'ল। বলিয়ালি কৰি এমাহ ফুৰি ফুৰি কোঁৱৰ সেই কন্যা থকা ৰাজ্যতে ওলালগৈ। কন্যাই কোঁৱৰক চিনি পাই মাতি নি তেওঁৰ বিষয়ে অচিনাকিভাৱে সকলো কথা সুধি ল'লে। তাৰ পাছত তিৰোতাৰ সাজ পিন্ধি তেওঁ যেতিয়া কোঁৱৰৰ ওচৰ চাপিল তেতিয়াহে কোঁৱৰে কন্যাক চিনি পাই অতি আনন্দ পালে।

ইপিনে লগুৱাটোৱে পানী আনি কন্যাক নাপাই সিও কোঁৱৰৰ দৰে বলিয়া হ'ল। বলিয়ালি কৰি গৈ থাকোতে এদিন সি ভটংকৰে কন্যা থকা ঠাইতে ওলালগৈ। কন্যাই তাক চিনি পাই মতাই সকলো কথা সুধিলে। ছদ্ম কৰি থকা কন্যাক সি চিনি নাপাই ক'লে, 'মই এইবাৰ তাইক পালে ওভোতাই ছাল বখলিয়াই তাত লোণ-খাৰ সানিম।' তাৰ পাছত কন্যাই নিজৰ সাজ পিন্ধিলত সি কন্যাক চিনিব পাৰি আচৰিত মানিলে। তেতিয়া কন্যাৰ আদেশ মতে ৰজাৰ মানুহে তাক ধৰি তাক ওভোতাই ছাল বখলিয়াই লোণ-খাৰ সানি শাস্তি দিলে। সি যন্ত্ৰণা ভোগ কৰি মৰি থাকিল।

অৱশেষত কন্যাই নিজৰূপে সকলোৰে আগত দেখা দিলে। ৰাজ্যৰ ৰজা-প্ৰজা সকলোৱে ঘটনাটো দেখি শুনি আচৰিত মানিলে। বত্ৰিশ লক্ষণীয়া ৰাজকন্যাৰ আদেশ অনুসাৰে সেই দেশৰ ৰজাই ৰাজকন্যাক কোঁৱৰলৈকে বিয়া দিলে আৰু অৰ্দ্ধৰাজ্যও এৰি দিলে। এইদৰে দুজনী সুন্দৰী কন্যা আৰু অৰ্দ্ধৰাজ্য লাভ কৰি ৰাজকোঁৱৰ স্বদেশলৈ উভতি আহিল। ৰজায়ো পুতেকৰ সৌভাগ্য দেখি আনন্দ মনেৰে কাল কটাবলৈ ধৰিলে।

# সুবৰ্ণময় শৈশৱ হিৰন্ময় বৈভৱ

ড° নমিতা ডেকা

**ইং**ৰাজী সাহিত্যৰ এজন প্ৰসিদ্ধ কবি জন কীটচ্। তেওঁৰ দেউতাকৰ নাম আছিল টমাচ্ কীটচ্। টমাচ কীটচ এটা ডাঙৰ ঘোঁৰা গাড়ীৰ ব্যৱসায় কেন্দ্ৰৰ তত্ত্বাৱধায়ক আছিল। অষ্টাদশ শতাব্দীৰ ইংলণ্ডত যাতায়াতৰ প্ৰধান বাহন আছিল ঘোঁৰা গাড়ী। ডাঙৰ মানুহবোৰৰ আছিল বিলাসী গাড়ী। ঘৰৰ তল তলাত ঘোঁৰাৰ আস্তাবল। ওপৰ তলাত বাস কৰিছিল টমাচ কীটচ্ আৰু পত্নী ফ্ৰান্সেচে। ঘোঁৰাৰ কৰ্কশ চিঁচিয়নি, চকাৰ কেৰকেৰ হুলস্থুলীয়া পৰিৱেশ, লোহা লগোৱা ঘোঁৰাৰ খুৰাৰ খট্খট্ শব্দ। এনে এক পৰিৱেশ আৰু পৰিস্থিতিৰ মাজতে জন্ম হৈছিল জন কীটচৰ। জন্ম হৈছিল ১৭৯৫ৰ অক্টোবৰত। কুঁৱলীয়ে আবৰি থকা সেই পৰিৱেশত এটা কেঁচুৱাৰ কান্দোন মিহলি হৈ গ'ল আস্তাবলৰ হলস্থূলৰ লগত। পিতৃ-মাতৃয়ে কেতিয়াও হয়তো ভবা নাছিল যে সেই অসুন্দৰ পৰিৱেশত জন্ম লৈ ডাঙৰ-দীঘল হোৱা শিশুটোৱে ভৱিষ্যতৰ এগৰাকী সৌন্দৰ্য সাধক হৈ পৰিব; সৌন্দৰ্যৰ উপাসনাৰে জীৱন ভৰাই কাব্য সৃষ্টি কৰিব। কিন্তু সেই নভৱা কথাটোৱে সত্যত পৰিণত হৈছিল। জন কীটচ্ নামৰ শিশুটোৱে সৌন্দৰ্যৰ উপাসক হৈ কাব্য সৃষ্টিৰে ইংৰাজী সাহিত্য জগতত তোলপাৰ লগালে।

কবি কীটচ্‌ৰ কোনো সম্ভাৱনাই তেওঁৰ শৈশৱ কালত দেখা নগৈছিল। ড° মেৰীয়া মণ্টেছৰী কৈছিল, 'শিশুৰ জন্মতেই সকলো গুণ সম্পূৰ্ণ হৈ সুপ্ত অৱস্থাতে থাকে আৰু শিক্ষাৰ যোগেদি শিক্ষকে মালীৰ দৰে শিশুৰ অন্তৰ্নিহিত গুণসমূহৰ বিকাশত যত্ন কৰিব লাগে।' হয়তো জন কীটচৰ শৈশৱৰ কালতে কবি প্ৰতিভা সুপ্ত হৈ লুকাই আছিল। সাত বছৰ বয়সত তেওঁক স্কুলত নামভৰ্তি কৰি দিয়া হয়। জনে স্কুলত লগৰীয়াবোৰৰ লগত কথাই প্ৰতি কাজিয়া কৰিছিল। চল পালেই উন্মাদৰ দৰে মাৰপিট কৰিছিল। প্ৰতিদ্বন্দ্বীৰ স'তে মাৰপিট কৰিব পাৰিব নে নাই ভাবি নাচাইছিল।

স্কুলীয়া কালত জনৰ এটা মজাৰ ঘটনা ঘটিছিল। জনৰ দুই ভায়েকৰ নাম আছিল জৰ্জ আৰু টম। সিহঁতকো জন পঢ়া স্কুলতে নামভৰ্তি কৰি দিছিল। সিহঁতো অলপ দুষ্ট প্ৰকৃতিৰ আছিল। এদিন টমে কৰা দুষ্টামিৰ বাবে স্কুলৰ এজন ওখ-পাখ কৰ্মচাৰীয়ে তাৰ কাণ চেপি দিছিল। ভায়েকৰ প্ৰতি কৰা এনে ব্যৱহাৰে জনৰ মনত প্ৰতিহিংসাৰ জুই জ্বলালে। জনে নভবা-নিশ্চিন্তাকৈ সেই কৰ্মচাৰীজনক ঘুচিয়াবলৈ ধৰিলে। অথচ তেনে ধৰণে ঘুচিয়াবলৈ জনৰ চেহেৰাটো আছিল চুটি-চাপৰ আৰু অলপ শকত। শৈশৱৰ সেই মাৰপিট কৰি ভালপোৱা ল'ৰাজনক দেখি সকলোৱে মন্তব্য কৰিছিল যে ভৱিষতে এই শিশুটো সেন্য বিভাগত ভৰ্তি হ'ব। দেখিবলৈ ধুনীয়া জনৰ শৈশৱৰ মুখখন গ্ৰীক দেৱতা এপলোৰ দৰেই সুন্দৰ আছিল বুলি কোৱা হয়। তেওঁৰ চুলিবোৰ আছিল সোণালী ৰঙৰ, চকুদুটি বাদামী ৰঙৰ।

কিন্তু সেই মাৰপিট কৰি ভালপোৱা শিশুটোৰ জীৱনৰ চকৰি হঠাতে ঘূৰি গ'ল। জনৰ পাঁচ বছৰ বয়স হওঁতে মাক নৰিয়াত পৰে। জনে মাকক অতিমাত্ৰা ভাল পাইছিল।



দেউতাকৰ স'তে বিবাহ বিচ্ছেদ হোৱা মাকক শুশ্ৰূষা কৰাৰ দায়িত্ব আহি পৰিল জনৰ ওপৰত। মাককে আশ্ৰয় কৰি থকা জন নিজেই মাকৰ আশ্ৰয় হৈ পৰিল। সদায় কাজিয়া কৰিবলৈ উদ্যত হৈ থকা জন লাহে লাহে মৰমিয়াল হৈ শান্ত হৈ পৰিল। শিশু জনে মাকৰ বাবে পথ্য প্ৰস্তুত কৰে, মাকক ঔষধ খুৱাই দিয়ে। যক্ষ্মা ৰোগত আক্ৰান্ত মাকক শুশ্ৰূষা কৰা জনৰ শৰীৰতো তাৰ বীজাণু সোমাই থাকিল। ১৫ বছৰ নৌ হওঁতেই জন কীটচ্ মাতৃহাৰা হয়। এই মৃত্যুৱে জন কীটচ্‌ৰ জীৱন সলনি কৰি দিয়ে। জনে ডাক্তৰ হোৱাৰ কথা ভাবিছিলে যদিও সেয়া হৈ নুঠিল। জন কীটচ্ হ'ল সৌন্দৰ্য্যৰ উপাসনাৰে এজন বিখ্যাত কবি। কবিতাই হ'ল তেওঁৰ জীয়াই থকাৰ প্ৰেৰণা; জীৱনক ভালপোৱাৰ অমূল্য ইন্ধন। শিশুহঁত, এয়াই জীৱন— যিয়ে ভৰিৰ কাষতে খেলি থকা শিশুটোৰ দৰে হৈ শৈশৱক আগুৱাই লৈ যায় একোটা নিৰ্দিষ্ট পথেৰে।








ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছত এশ মিটাৰ দৌৰ ৪৫.৪ ছেকেণ্ডত সম্পূৰ্ণ কৰি ৰাষ্ট্ৰীয় অভিলেখৰে সোণ জয় কৰিলে হাৰিয়ানাৰ ১০৫ বছৰীয়া ৰামবায়ে।

## পুডুচেৰীক হৰুৱালে ৬-১ গ'লত ঃ চাৰিটা গ'ল দি হেট্ৰিক অৰ্জন কৰা অঞ্জুলী মেচৰ শ্ৰেষ্ঠ

# বৃহৎ জয়ৰে চমকপ্ৰদ আৰম্ভণি অসমৰ

### জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল

**অগ্ৰদূত বাৰ্তা, টংলা, ২১ জুন ঃ** অসমে চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'জি'ৰ প্ৰথম খেলখনত অসমে ৬-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে প্ৰতিদ্বন্দ্বী পুডুচেৰীক। অসমৰ হৈ হেট্ৰিকসহ চাৰিটা গ'ল কৰে অঞ্জুলী বহ্মাই (৩৪, ৪৫, ৬৮, ৮৩ মিনিট)। আনহাতে, দুটা গ'ল দিয়ে সোণম দত্তই (৩৩, ৫৭ মিনিট)। মেচৰ শ্ৰেষ্ঠ হয় অঞ্জুলী। উল্লেখ্য যে গ্ৰুপ 'জি' ত আয়োজক অসমৰ লগতে আছে হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট। অহা ২৩ জুনত গুজৰাটৰ বিৰুদ্ধে অসমে দ্বিতীয়খন মেচ খেলিব। আনহাতে, ২৫ জুনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। আজি হোৱা গ্ৰুপ 'জি'ৰ আন এখন খেলত হাৰিয়ানাই ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে গুজৰাটক। হাৰিয়ানৰ হৈ তিনিটা গ'ল দি হেট্ৰিক অৰ্জন কৰে কল্পনাই। তেওঁ মেচৰ শ্ৰেষ্ঠ হয়। প্ৰতিযোগিতাত অসম দলটোক নেতৃত্ব দিছে তুষামণি গগৈয়ে। আনহাতে, দলৰ সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম । দলটোৰ অন্য খেলুৱৈ হল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জুলী বহ্ম, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা । অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক লোচন শইকীয়া । মেনেজাৰ আৰু সহঃমেনেজাৰৰ দায়িত্বত আছে ফিলাচেম বড়ো আৰু ৰয়েল বসুমতাৰী।



### মাষ্টাৰ্ছ এথলেটিকছত নতুন ৰাষ্ট্ৰীয় অভিলেখ অসম কন্যাৰ

## পাঁচ হেজাৰ মিটাৰ দৌৰত দীপামণিৰ সোণৰ পদক লাভ



**গুৱাহাটী, ২১ জুন ঃ** গুজৰাটৰ বদোদ্ৰাত অনুষ্ঠিত হোৱা প্ৰথম ৰাষ্ট্ৰীয় অপেন মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অসমৰ দীপামনি ডেকাই পাঁচ হেজাৰ মিটাৰ দৌৰত সোনৰ পদক অৰ্জন কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে । উল্লেখ্য যে দৰং জিলাৰ উদমাৰী গাঁওৰ জীয়ৰী দীপামনি ডেকাই ইয়াৰ পূৰ্বেও ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় স্তৰৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সোন, ৰূপ, ব্ৰঞ্জকে ধৰি কেবাটাও পদক অৰ্জন কৰিছে । উল্লেখ্য যে সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতাখনত মহিলা শাখাত বিভিন্ন ইভেণ্টত মুঠ ১০ গৰাকী ৰাষ্ট্ৰীয় অভিলেখ গঢ়া খেলুৱৈক এথলেটিকছ ফেডাৰেচন অব ইণ্ডিয়াই নিৰ্বাচন কৰে আৰু অসম কন্যা দীপামনি ডেকাই পাঁচ হেজাৰ মিটাৰ দৌৰত অভিলেখ গঢ়ি গৌৰৱময় সফলতা অৰ্জন কৰে।



লিভাৰপুল ত্যাগ কৰি জাৰ্মানীৰ বেয়াৰ্ণ মিউনিখত যোগ দিব ফুটবল তাৰাকা মানে।

## কৰ'নাৰ বাবেই ইংলণ্ড ভ্ৰমণ বাতিল হ'ল ৰবীচন্দ্ৰন অশ্বিনৰ

**লণ্ডন, ২১ জুন ঃ** ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্টখনৰ বাবে ইতিমধ্যে ভাৰতীয় দলে নিজৰ অনুশীলন আৰম্ভ কৰিছে। কিন্তু এই প্ৰয্যন্ত ইংলণ্ডত উপস্থিত হোৱা নাই অভিজ্ঞ স্পীনাৰ ৰবীচন্দ্ৰন অশ্বিন। উল্লেখ্য যে ভাৰতীয় দল যোৱা ১৬ জুনতে উপস্থিত হয় লণ্ডনত। কিন্তু বিমানত উঠাৰ পূৰ্বে হোৱা কৰ'না পৰীক্ষাত অশ্বিন ব্যৰ্থ হয়। ভাৰতীয় ক্ৰিকেট দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে আজি ইংলণ্ডত অনুশীলন কৰি থকা টেষ্ট দলত যোগ দিছে। তেওঁৰ লগতে গৈছে দক্ষিণ আফ্ৰিকা বিৰুদ্ধে খেলা পাঁচখনীয়া টি-২০ শৃংখলাত ভাৰতীয় দলক নেতৃত্ব দিয়া উইকেটকীপাৰ বেটাৰ ঋষভ পণ্ট আৰু শ্ৰেয়াছ আয়াৰ। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম




টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা। ইফালে, টেষ্টখন আৰম্ভ হোৱাৰ পূৰ্বে অহা ২৪-২৭ জুনত টীম ইণ্ডিয়াই এখন অনুশীলন মেচত অংশ ল'ব।

### এদিনীয়া শৃংখলাৰ পূৰ্বে মূল দলক জিৰণি দিয়াৰ চিন্তা বি চি চি আইৰ

# ইংলণ্ডৰ বিৰুদ্ধেও টি-২০ শৃংখলাত ভাৰতক নেতৃত্ব দিব হাৰ্দিক পাণ্ডিয়াই

**মুম্বাই, ২১ জুন ঃ** আসন্ন আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলটো ইতিমধ্যে ঘোষণা কৰিছে বি চি চি আয়ে। এতিয়া এই দলটোৱেই ইংলণ্ডৰ বিৰুদ্ধেও তিনিখন টি-২০ মেচৰ শৃংখলাটোত অংশ লোৱাৰ সম্ভাৱনা আছে। বি চি চি আইৰ সূত্ৰত এই কথা প্ৰকাশ। উল্লেখ্য যে আয়াৰলেণ্ড ভ্ৰমণত টীম ইণ্ডিয়াই ঘৰুৱা দলটোৰ বিৰুদ্ধে ২৬ আৰু ২৮ জুনত ডাবলিনত দুখন টি-২০ মেচত অংশ ল'ব। আনহাতে, অহা সাত, ন আৰু ১০ জুলাইত ইংলণ্ড আৰু ভাৰতৰ মাজত টি-২০ মেচৰ শৃংখলা অনুষ্ঠিত হ'ব। ইংলণ্ড আৰু ভাৰতৰ মাজত অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব টেষ্ট মেচখন। আনহাতে, ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে। সেয়ে মূল দলটোক জিৰণি দিয়াৰ লক্ষ্যৰে যুৱ দলটোকে টি-২০ শৃংখলাত সুযোগ দিয়াৰ কথা চিন্তা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্ৰমণত নেতৃত্ব দিব তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। আনহাতে ঘোষিত দলটোত ভাৰতীয় দলৰ সহ-অধিনায়ক হিচাপে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰক নিৰ্বাচিত কৰা হৈছে।



কিন্তু দক্ষিণ আফ্ৰিকা শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বত থকা উইকেটকীপাৰ বেটাৰ ঋষভ পণ্টক আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত স্থান দিয়া হোৱা নাই। কাৰণ পণ্ট এই সময়ছোৱাত ইংলেণ্ডৰ বিৰুদ্ধে টেষ্টৰ বাবে ভাৰতীয় দলৰ অংশ হিচাপে থাকিব। পণ্টৰ লগতে লোকেশ ৰাহুল আৰু শ্ৰেয়াছ আয়াৰকো ইংলেণ্ড ভ্ৰমণৰত ভাৰতীয় দলত স্থান দিয়াৰ বাবে আয়াৰলেণ্ডৰ বিৰুদ্ধে শৃংখলাত উপলব্ধ নহ'ব। কিন্তু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাত প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰা পেচাৰদ্বয় উমৰান মালিক আৰু অৰ্শদ্বীপ সিঙক আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত ৰখা হৈছে। আনহাতে উইকেটৰক্ষক বেটাৰ দিনেশ কাৰ্তিককো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ঘোষিত ভাৰতীয় দলটো ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, হৰ্যল পেটেল, আভেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।

### দুটা সোণসহ তিনিটা পদক লাভ

## ৰাষ্ট্ৰীয় কাৰাটেত সফলতা গুৱাহাটীৰ ঋতিকেশ হুজুৰীৰ



**গুৱাহাটী, ২১ জুন ঃ** ৰাষ্ট্ৰীয় শ্বট'কাই কাৰাটে প্ৰতিযোগিতাত অসমৰ ঋতিকেশ হুজুৰীয়ে দুটা স্বৰ্ণসহ তিনিটা পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে উত্তৰাখণ্ডৰ হৰিদ্বাৰত ১৭-১৮ জুনত অনুষ্ঠিত হৈছিল চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় শ্বট'কাই কাৰাটে প্ৰতিযোগিতা। এই প্ৰতিযোগিতাতে অংশ লৈ অসম সন্তান ঋতিকেশ হুজুৰীয়ে কাটাৰ নিজস্ব শাখাত সোণ লাভ কৰি গৌৰৱময় সফলতা লাভ কৰাৰ বিপৰীতে ছিনিয়ৰ ল'ৰাৰ চেলেঞ্জতো সোণ অৰ্জনৰে চমক সৃষ্টি কৰিবলৈ সক্ষম হয়। ইফালে, কুমিটেত ৰূপ লাভ কৰি ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাখনত তৃতীয়টো পদক দখল কৰিবলৈ সক্ষম হয় অসমক প্ৰতিনিধিত্ব কৰা ঋতিকেশ হুজুৰীয়ে। উল্লেখ্য যে ঋতিকেশ হুজুৰী গুৱাহাটীৰ খানাপাৰৰ মাৰ্চিয়েল আৰ্টছ একাডেমীৰ প্ৰশিক্ষাৰ্থী। বশিষ্ঠ আৰ্মি পাব্লিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ঋতিকেশ হুজুৰী বশিষ্ঠ নিবাসী কুমুদ চন্দ্ৰ হুজুৰী আৰু অপৰাজিতা শৰ্মা হুজুৰীৰ সন্তান।



অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা চতুৰ্থ এদিনীয়াত শতক অৰ্জন শ্ৰীলংকাৰ আছালাংকাৰ।

### টেষ্টৰ পূৰ্বে ২৪ জুনত অনুশীলন মেচত অংশ ল'ব টীম ইণ্ডিয়াই

# ইংলণ্ডত ভাৰতীয় দলত যোগ দিলে দ্ৰাৱিড়ে

**লণ্ডন, ২১ জুন ঃ** ভাৰতীয় ক্ৰিকেট দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে আজি ইংলণ্ডত অনুশীলন কৰি থকা টেষ্ট দলত যোগ দিছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। ইতিমধ্যে ভাৰতীয় দলে নিজৰ অনুশীলন আৰম্ভ কৰিছে। অনুশীলনত অংশ লৈছে বিৰাট কোহলি, চেতেশ্বৰ পূজাৰা, ৰবীন্দ্ৰ জাডেজা, যশপ্ৰীত বুমৰাহ আদিয়ে। উল্লেখ্য যে বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত ভাৰতীয় দলটো হ'ল ঃ লোকেছ ৰাহুল, শুভমন গিল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, উমেশ যাদব আৰু প্ৰসিদ্ধ কৃষ্ণা। উল্লেখ্য ইংলণ্ড ভ্ৰমণত ভাৰতীয় ক্ৰিকেট দলে টেষ্ট মেচখন খেলাৰ পাছত তিনিখন



এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাও খেলিব। ইতিমধ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচীও ঘোষণা কৰিছে। সেই অনুসৰি অহা সাত, ন আৰু ১০ জুলাইত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আনহাতে ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে। ইফালে, টেষ্টখনৰ পূৰ্বে অহা ২৪-২৭ জুনত টীম ইণ্ডিয়াই এখন অনুশীলন মেচত অংশ ল'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা।

### বান দুৰ্যোগৰ মাজতে ডিমাকুছিত আৰম্ভ হ'ল ৰাষ্ট্ৰীয় ক্ৰীড়া উৎসৱ

# মহিলা ফুটবল উপভোগ কৰি ৰোমাঞ্চিত নাগৰিক


**অগ্ৰদূত বাৰ্তা**
**টংলা, ২১ জুন ঃ** বান দুৰ্যোগৰ মাজতে ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ ৰোমাঞ্চ লৈছে ক্ৰীড়াপ্ৰেমীয়ে। উল্লেখ্য যে আজিৰে পৰা এই ষ্টেডিয়ামত আৰম্ভ হৈছে ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ খেল। গ্ৰুপ 'জি' আৰু গ্ৰুপ 'এইচ'ৰ খেল ডিমাকুছি ষ্টেডিয়ামত হৈছে। গ্ৰুপ 'জি' ৰ দল চাৰিটা হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত আছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজস্থান। ডিমাকুছি ষ্টেডিয়ামত চলিত ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ মুঠ ১২ খন মেচ অনুষ্ঠিত হ'ব। খেলৰ সূচী অনুসৰি আজি (২১ জুন) গ্ৰুপ 'জি'ৰ প্ৰথম খেলখন অসম বনাম পুডুচেৰীৰ মাজত অনুষ্ঠিত হয়। আজিৰ আন এখন খেলত হাৰিয়ানা আৰু গুজৰাটে অংশ লয়। গ্ৰুপ 'জি'ৰ অন্য খেলসমূহৰ সূচী হ'ল ঃ ২৩ জুনত প্ৰথম খেলখন গুজৰাট আৰু অসমৰ মাজত আৰু দ্বিতীয় খেলখন পুডুচেৰী আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত হ'ব। আনহাতে, ২৫ জুনৰ দিনা প্ৰথম খেলখনত গুজৰাট মুখামুখি হ'ব পুডুচেৰীৰ। আনহাতে, উক্তদিনাৰ দ্বিতীয় খেলখনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। ইফালে, গ্ৰুপ 'এইচ'ৰ ঘোষিত সূচী অনুসৰি ২২ জুনৰ প্ৰথম খেলখন জম্মু আৰু কাশ্মীৰ বনাম তামিলনাডুৰ মাজত তথা দ্বিতীয় খেলখন পশ্চিমবংগ বনাম ৰাজস্থানৰ মাজত অনুষ্ঠিত হ'ব। ২৪ জুনৰ প্ৰথম মেচত ৰাজস্থানে খেলিব জম্মু আৰু কাশ্মীৰ বিৰুদ্ধে। উক্তদিনাই দ্বিতীয় খেলখন তামিলনাডু আৰু পশ্চিম বংগৰ মাজত অনুষ্ঠিত হ'ব। ২৬ জুনৰ প্ৰথম মেচ তামিলনাডু বনাম ৰাজস্থান আৰু দ্বিতীয় খেলখন পশ্চিমবংগ বনাম জম্মু আৰু কাশ্মীৰ। উল্লেখ্য যে ইয়াত হোৱা দুটা গ্ৰুপৰ চেম্পিয়ন দল দুটা যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ।



### মহিলা ফুটবলত ড্ৰ খেলিলে মিজোৰাম-চত্তিছগড়, গোৱা-হিমাচলে

# জয়ৰে অভিযান অৰুণাচল-কৰ্ণাটকৰ

**গুৱাহাটী, ২১ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ খেল আজিৰে পৰা সৰুসজাই ষ্টেডিয়ামতো আৰম্ভ হৈছে। আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ খেলত অৰুণাচলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছিকিমক। এই গ্ৰুপৰে আন এখন মেচত গোৱা আৰু হিমাচলে গ'লশূন্য ড্ৰ খেলে। ইফালে, সৰুসজাই ষ্টেডিয়ামতে আজি অনুষ্ঠিত হোৱা গ্ৰুপ 'বি'ৰ খেলত কৰ্ণাটকে একমাত্ৰ গ'লত উত্তৰ প্ৰদেশক পৰাস্ত কৰাৰ বিপৰীতে এই গ্ৰুপৰে আন এখন মেচত মিজোৰাম আৰু চত্তিছগড়ে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলে। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ' ত আছে মণিপুৰ, উত্তৰাখণ্ড, ঝাৰখণ্ড আৰু অন্ধ্ৰপ্ৰদেশ । গ্ৰুপ 'বি' ত স্থান লাভ কৰিছে মিজোৰাম, উত্তৰ প্ৰদেশ, চত্তিছগড় আৰু কৰ্ণাটক । গ্ৰুপ 'চি' ত আছে তেলেংগনা, বিহাৰ, মেঘালয়, দিল্লী আৰু মধ্য প্ৰদেশ । গ্ৰুপ 'ডি' ত আছে অৰুণাচল প্ৰদেশ , হিমাচল প্ৰদেশ, ছিকিম আৰু গোৱা । গ্ৰুপ 'ই' ত নগালেণ্ড, লাডাখ, পঞ্জাৱ আৰু কেৰালা । গ্ৰুপ 'এফ' ত আছে ত্ৰিপুৰা, উৰিষ্যা, মহাৰাষ্ট্ৰ, দাদৰা আৰু নগৰ হাভেলি। গ্ৰুপ 'জি'ৰ দলসমূহ হ'ল অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজস্থান। গ্ৰুপৰ চেম্পিয়ন দলটো যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।



দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২২ জুন, ২০২২ বুধবাৰ পৃষ্ঠা ১৬

# বিয়াঘৰৰ হিচাপত ৰিলিফ দিয়ক

**বৰ** ডাঙৰ কথা হৈছে দেই! আই এ এছ, এ চি এছ হৈ ইমান ডাঙৰ ডাঙৰ চকীবোৰত একো একোজন বিয়াগোম বিয়াগোম ডি চি হৈ বহি আছে। অথচ বিতৰণ পদ্ধতিটোকে আয়ত্তলৈ আনিব পৰা নাই। আজি চৌদিশে বান হৈছে। ৰিলিফ বিলাব লাগে। অথচ এই ডিচিবোৰে আজিলৈকে এই হাৰত ৰিলিফ বিলাব পৰা নাই, যি ৰিলিফ গ্ৰহণ কৰি সন্তুষ্টিৰ হাঁহি মাৰি ফ্লাডাক্ৰান্তসকলে সৈ কাঢ়িব পাৰিছে—ডি চিয়ে দিছে যদিও 'দিছি' বুলি ক'ব নোৱাৰি। দুডালকৈ



মমবাতি দিছে। আধা ৰাতিতে চাফা। আধা লিটাৰ তেল দিছে। সেই তেলেৰে গেৰুৱা পাৰ্টিৰ সাধাৰণ কৰ্মী এজনকো তেল দিব নোৱাৰি 'বৰ ভালকৈ ৰিলিফ দিছা' বুলি। এপোৱা চাউল, এপোৱা দাইল দি ৰিলিফ বিতৰণৰ ফটোহে উঠিব পাৰি, সঁচা অৰ্থত ৰিলিফ দিব নোৱাৰি। মহাৰাজে ঠিকেই কৈছে ডি চিবোৰক— আমাৰ বিয়া-বাৰুৰ অনুকৰণত ৰিলিফ দিলে নহ'বতো! অনুকৰণ আমাৰ বিয়া-বাৰুৰ বিতৰণ ব্যৱস্থাকে কৰিব লাগিব, কিন্তু খুউব কৌশলেৰে। বেছিভাগ বিয়াতে বিলনীসকলে হেতাখন লৈ দিও নিদিওকৈ থাকে। সেই ছিষ্টেমত ৰিলিফ দিলে নহ'ব। আমাৰ বিয়া-বাৰুবোৰত পৰম্পৰাগতভাৱে আৰু কিছুমান বিতৰণ ব্যৱস্থা চলি আছে। সেইবোৰক আদৰ্শ হিচাপে লৈ ৰিলিফ বিলালে কেতিয়াও কোনো সমস্যা নহয়। কিছুমান বিয়াত ৰান্ধনি আৰু গৃহস্থৰ আলাপৰ কিয়দংশ তলত তুলি দিয়া হ'ল। সেই বাৰ্তালাপেই বুজাই দিব প্ৰকৃত বিতৰণ পদ্ধতিনো কি! ধৰি লওক ৰান্ধনিয়ে গৃহস্থক সুধিছে—'দৰাযাত্ৰী কিমানমান হ'ব?' গৃহস্থই লগে লগে মাত দিলে—'এশমান হ'ব বুলি কৈছে!'



ঃ কৈছেহে এশমান বুলি!

ঃ অ' কৈছে!

ঃ ডেৰশও হ'ব পাৰে।

ঃ পাৰে।

ঃ দুশও হ'ব পাৰে।

ঃ পাৰে।

ঃ তেনেহ'লে কিমান মানুহৰ কাৰণে মাংস ৰান্ধিম?

ঃ এশৰ হিচাপতে ৰান্ধিবা।

ঃ যদি ডেৰশ-দুশ-আঢ়ৈশ হৈ যায়?

ঃ এটা কাম কৰিবা?

ঃ কি?

ঃ মাংসৰ হাড্ডিবোৰ আছে নহয়!

ঃ আছে।

ঃ সেইবোৰ ভাঙি গুড়ি কৰি আঞ্জাত দি দিবা। হাড্ডিৰ গুড়িবোৰ দাঁতত লাগি ধৰিব। সৰুৱৈ অলপ অলপ ল'ব।

এইটোও এটা বিতৰণ পদ্ধতি। শিলগুটিৰ অভাৱ নাই। চাউল-দাইলত মিক্স কৰি বিলাই দিয়ক। এগৰাহ মুখত ভৰোৱাৰ পাছত আৰু কোনেও ৰিলিফৰ কাৰণে হাত নাপাতে।

আৰু এটা বিতৰণ পদ্ধতি আছে। বিয়া-বাৰুত সদায় এটা কমন সমস্যা হয়। সমস্যাটো হ'ল—হিচাপতকৈ মানুহ বেছি হয় আৰু খাদ্য কমি আছে। তেতিয়া ৰান্ধনি ঘৰত এটা মিহি টেনছনৰ সৃষ্টি হয়। গৃহস্থই ৰান্ধনিৰ আগত চিঞৰ-বাখৰ কৰি কয়—'এতিয়া কি হ'ব? জাকে জাকে মানুহ আহি আছে!'

ঃ আঞ্জা নাই কিন্তু!

ঃ মাছ-মাংসৰ আঞ্জা?

ঃ নাই। কম আছে।

ঃ কম মানে?

ঃ এশজনক জুৰিব।

ঃ ডেৰশমান তলতে বহি আছে।

ঃ এটা কাম কৰক।

ঃ কি?

ৰান্ধনিয়ে উপায় দিলে। সেইমতে গৃহস্থই শুকান জলকীয়াৰ গুড়ি লৈ আহিল। পেকেটে পেকেটে আঞ্জাবোৰত শুকান জলকীয়া গুড়ি ঢালিলে। খাবলৈ অহা মানুহৰ কাণে-নাকে ধোঁৱা ওলাই গ'ল। এশৰ কাৰণে থকা আঞ্জা আঢ়ৈশক বিলোৱাৰ পাছতো আৰু পঞ্চাছজনমানৰ কাৰণে থাকিহে গ'ল। গতিকে ফ্লাডাক্ৰান্তবোৰকো শুকান জলকীয়াৰ গুৰি পেকেটে পেকেটে বিলাওক আৰু গুড়িবোৰ মুখত লৈ থাকিবলৈ কওক। ৰিলিফ নাপালেও জ্বলাৰ উৎপাতত ভোকৰ পৰা ৰিলিফতো পাব। এইবোৰো দুহাত মেলি দিয়ক। মমবাতি দুডালো দুহাত মেলি বিলাওক—এখন হাতত এডালকৈ!



*যোগ দিৱস উপলক্ষে ভাৰতীয় সেনা বাহিনীৰ জোৱানৰ যোগ অনুশীলন, অৰুণাচলৰ চীন সীমান্তত মঙলবাৰে।*

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720










অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com